Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, MAY 2, 2025 ■ শুকুৰবাৰ, ১৮ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১২৪ Guwahati, Assam ।। মূল্যঃ এটকা

## মাহত ৫ বাৰৰ বেছি হ'লেই বেংকে খালী কৰিব জেপ, গ্ৰাহকে সুঁৱৰিছে বাপ বাপ

# এটিএমত সোমাওতেও এতিয়া কৰিব লাগিব হিচাপ

● বেলেঞ্চ চেকৰ বাবেও দিব লাগিব ধন, সৰ্বাধিক ২৩ টকা পৰ্যন্ত আৰোপ কৰিলে চাৰ্জ, তীব্ৰ প্ৰতিক্ৰিয়া



নতুন দিল্লী, ১ মে': খোজে প্ৰতি কৰ, জিএছটিয়ে কোঙা কৰি তোলা সৰ্বসাধাৰণ জনতাৰ ওপৰত আকৌ পৰিব মাধমাৰ। আজিৰে পৰা দেশত বৃদ্ধি পাইছে দুটাকৈ সুপ্ৰতিষ্ঠিত দুগ্ধ কোম্পানী আমুল আৰু মাডাৰ ডেইৰীৰ গাখীৰৰ দাম। ইয়াৰ মাজতে ৯নং পৃষ্ঠাত

## আধুনিক যুগৰ 'মিছইনফৰমেশ্যন'

■ শোণিত কুমাৰ গোস্বামী

শাণিত কলম





আজিৰ আধুনিক বিশ্বত খবৰবোৰ মানুহে প্ৰায় টলকিবই নোৱাৰা হৈ পৰিছে। ২৬ নং পৃষ্ঠাত

## জেলতে থাকিব চুমি! বিশাল আৰু তাৰ্কিকলৈ জামিন আদালতৰ

ই-সংবাদ, ১ মে': বহু বিতৰ্কিত প্ৰৱঞ্চক, নৃত্য প্ৰশিক্ষক চুমি বৰাৰ পাতি লোৱা শেষাংশ ৩ পৃষ্ঠাত

## 'অখিল পাগল'! বিৰোধীৰ মাজতে লাগিছে খৰিয়াল

ই-সংবাদ, ১ মে': উত্তৰ অসমৰ ৰহাৰ ঐতিহাসিক ফুলগুৰি ৭ পৃষ্ঠাত চাওক

## বিধায়ক সুৰেণক পহু খেদা সমষ্টিবাসীৰ

ফেচবুকত স্পষ্টীকৰণ

ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১ মে': ৰাজ্যৰ প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণলৈ বাকী ৫ পৃষ্ঠাত

## হিমন্তৰ বিৰুদ্ধে জিলাই জিলাই এজাহাৰ দাখিল কংগ্ৰেছৰ

মহিলাক অপমানক লৈ উত্তাল ৰাজ্য

ই-সংবাদ, ১ মে': কংগ্ৰেছৰ দিনত সংঘটিত অসম লোকসেৱা আয়োগৰ নিযুক্তি পৰীক্ষাত সংঘটিত কেলেংকাৰীৰ তদন্ত কৰিবলৈ বিজেপি চৰকাৰে গঠন কৰিছিল বিপ্লৱ শৰ্মা আয়োগ। আয়োগৰ প্ৰতিবেদনত তদানীন্তন লোকসেৱা ৩ নং পৃষ্ঠাত



## ৩৫তম্ মৃত্যু বাৰ্ষিকীত সশ্ৰদ্ধ স্মৰণ

## বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ নামেৰে ৰাজধানীত পথ, প্ৰতিমূৰ্তি উন্মোচন

ই-সংবাদ, নতুন দিল্লী, কোকৰাঝাৰ, ১ মে': আজি কোকৰাঝাৰৰ লগতে দেশৰ ৰাজধানী দিল্লীত সশ্ৰদ্ধাৰে পালন কৰা হ'ল ৯ নং পৃষ্ঠাত



## আৰম্ভ হ'ল পঞ্চায়ত নিৰ্বাচনৰ ভোটযুদ্ধ

ই-সংবাদ বিশেষ, ১ মে': ৰাজ্যিক নিৰ্বাচন আয়োগে ঘোষণা কৰা অনুসৰি ২ মে'ত অনুষ্ঠিত হ'ব পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ। ৭ মে'ত অনুষ্ঠিত হ'ব পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিমটো ভোটগ্ৰহণ। দুয়োটা পৰ্যায়ৰে ভোট ৪নং পৃষ্ঠাত চাওক

১৪ জিলাত আজি অনুষ্ঠিত হ'ব প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ

## পাকিস্তানলৈ পলায়ন কৰা নাই সন্ত্ৰাসবাদীয়ে!

শ্ৰীনগৰ, ১ মে': এতিয়াও কাশ্মীৰতে আত্মগোপন কৰি আছে পেহেলগাম আক্ৰমণৰ অভিযুক্ত শেষাংশ ৭ পৃষ্ঠাত



নতুন দিল্লীত উপেন ব্ৰহ্মৰ প্ৰতিমূৰ্তি উন্মোচনী অনুষ্ঠানৰ দৃশ্য

## মুখ্যমন্ত্ৰীৰ নাৰী বিদ্বেষক লৈ উত্তাল অসম

## ৰাজ্যৰ নাৰী সমাজলৈ আৱেগিক পত্ৰ গৌৰৱ গগৈৰ

ই-সংবাদ, ১ মে': আজি যোৰহাটৰ সাংসদ তথা লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে অসমৰ ৪ পৃষ্ঠাত চাওক

গৌৰৱক উভতি ধৰি তেওঁৰ দুই পত্ৰ ভাৰতীয় নহয় বুলি মন্তব্য হিমন্তৰ

## ডেডলাইন কেতিয়া? মোদীক প্ৰশ্ন ৰাহুল গান্ধীৰ

নতুন দিল্লী, ১ মে': হেডলাইন দিলে ঠিকেই, এতিয়া ডেডলাইন দিব কেতিয়া? - জাতিগত জনগণনাৰ ঘোষণাৰ পাছত এতিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ওচৰত এই প্ৰশ্ন উত্থাপন কৰিছে কংগ্ৰেছে। দিল্লীৰ আকবৰ ৰোডত অনুষ্ঠিত শেষাংশ ৮ পৃষ্ঠাত

## আদালতে ধমক দিলে বাবা ৰামদেৱক

নতুন দিল্লী, ১ মে': 'চৰবট জেহাদ' মন্তব্যক লৈ ৰুহ আফজা বিতৰ্কত পুনৰ আদালতৰ তীব্ৰ ৮ নং পৃষ্ঠাত

## এই কঠিন সময়ত সেনাৰ মনোবল নাভাঙিবঃ ছুপ্ৰিম ক'ৰ্ট

পেহেলগাম কাণ্ডৰ ন্যায়িক তদন্তত অস্বীকাৰ

নতুন দিল্লী, ১ মে': পেহেলগাম আক্ৰমণৰ ন্যায়িক তদন্তৰ আবেদন খাৰিজ কৰিলে উচ্চতম ন্যায়ালয়ে। বৃহস্পতিবাৰে শুনানি গ্ৰহণৰ কথা আছিল যদিও উচ্চতম ন্যায়ালয়ে ৫ পৃষ্ঠাত চাওক

## শ্ৰেয় বিচাৰি পোষ্টাৰ মুকলি কংগ্ৰেছৰ!

নতুন দিল্লী, ১ মে': জাতিগত জনগণনাৰ সিদ্ধান্ত ঘোষণাৰ পিছতে কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে ৮ পৃষ্ঠাত

বৰদৌলগুৰি-দুমুনিচকী পঞ্চায়ত

## নিৰ্দলীয় প্ৰাৰ্থী আফজল হকৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

**ই-সংবাদ, দুমুনিচকী, ১ মে':** পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে তুংগত উঠিছে প্ৰতিটো দলৰ নিৰ্বাচনী প্ৰচাৰ। ইয়াৰ মাজতে আজি সন্ধিয়া দুমুনিচকীত দৰং জিলা পৰিষদৰ বৰদৌলগুৰি-দুমুনিচকী পৰিষদীয় সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী আফজল হকৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা হয়। কাৰ্যালয়টো মুকলি কৰে বিশিষ্ট সমাজকৰ্মী দুলাল ডেকাই। ইয়াৰ পিছতে যথেষ্টসংখ্যক লোকে ভিৰ কৰে নিৰ্বাচনী কাৰ্যালয়ত। একেদৰে ছিপাঝাৰ সমষ্টিৰ কেইবাজনো বিশিষ্ট ব্যক্তিয়ে নৱ প্ৰজন্মৰ শিক্ষিত যুৱক আফজল হকক ভোট দিবলৈ আহ্বান জনায়। বৃহত্তৰ দুমুনিচকী অঞ্চলৰ লগতে জিলা পৰিষদৰ প্ৰতিটো পঞ্চায়তৰ কেইবাটাও সমস্যা সমাধানৰ বাবে প্ৰতিশ্ৰুতি প্ৰদান কৰে আফজল হকে। কাৰ্যালয় মুকলি অনুষ্ঠানটোত বিহু প্ৰদৰ্শন কৰা হয়।


www.newsnextone.com
e সংবাদ
অনলাইন এজেণ্টৰ আৱশ্যক
আজিৰ এই ডিজিটেল যুগত হাতত থকা মোবাইলৰ পৰাই চলাওক বাতৰি কাকতৰ এজেন্সি
আবেদন কৰক
স্থানসমূহঃ
ডিব্ৰুগড়, যোৰহাট, গোলাঘাট, তিনিচুকীয়া, শিৱসাগৰ, মাজুলী, শদিয়া, দুলীয়াজান, বঙাইগাঁও, জাগীৰোড, হোজাই, কোকৰাঝাৰ, সোণাৰি, লখিমপুৰ, ধেমাজি, ঢকুৱাখনা, মৰাণ, নাজিৰা, তেজপুৰ, বিশ্বনাথ, ধুবুৰী, তামুলপুৰ, খাৰুপেটীয়া, কাজলগাঁও, ওদালগুৰি, মঙলদৈ, গোৱালপাৰা, নলবাৰী, মৰিগাঁও, ডিফু, নগাঁও, বৰপেটা, ছয়গাঁও, বজিয়া, মেৰাবাৰী, বজালী
কমিছন তথা অন্যান্য বিষয় সম্পৰ্কে জানিবলৈ হোৱাটছএপ কৰক...
৯৩৬৫২২৫২৪৮



ৱেবছাইট ডিজাইন
যিকোনো ধৰণৰ ৱেবছাইট ডিজাইনিং, ৱেবছাইট আপগ্ৰেড কৰা আদিৰ বাবে যোগাযোগ কৰকঃ 98644-21357।



ছ'চিয়েল মিডিয়া
ৰাজনৈতিক দল, ব্যৱসায়িক প্ৰতিষ্ঠান আদিৰ ছচিয়েল মিডিয়াৰ যিকোনো কামৰ বাবে যোগাযোগ কৰকঃ দ্য গ্ৰোথ গাইড, ফোনঃ 7002342103



বিজ্ঞাপন বুক কৰক
+৯১ ৯১০১৬-৬০১৮৫



FSSAI LICENSE NO.: 10324999000031
Sewaguri GOLD™
GARDEN FRESH ASSAM CTC TEA
SARU SEWAGURI, BARPATHAR,
GOLAGHAT, ASSAM, PIN :785602


শতাধিক শ্ৰমিকক সম্বৰ্ধনা

## 'নতুন বাৰ্তা'ৰ উদ্যোগত শ্ৰমিক দিৱস উদযাপন




**ই-সংবাদ, দুনী, ১ মে':** পশ্চিম দৰঙৰ বৰবড়ীত সামাজিক মাধ্যম 'নতুন বাৰ্তা'ৰ উদ্যোগত শ্ৰমিক দিৱস উদ্‌যাপন কৰা হয়। বিশ্ব শ্ৰমিক দিৱস উপলক্ষে 'নতুন বাৰ্তা'ৰ উদ্যোগত বৃহস্পতিবাৰে পশ্চিম দৰঙৰ বৰবড়ীত শ্ৰমিক দিৱস আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। শ্ৰমিক দিৱস উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীসমূহৰ আৰম্ভণি কৰা হয়। বন্তি প্ৰজ্বলন কৰে পশ্চিম দৰং আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নয়নমণি কলিতাই। ইয়াৰ পিছতে প্ৰয়াত জ্ঞাত-অজ্ঞাত শ্ৰমিকৰ স্মৃতিত স্মৃতি তৰ্পণ কৰা হয়। বোনমাঝা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি উদ্ধৱ ডেকাই সঞ্চালনা কৰা আৰু সাংবাদিক লক্ষ্যধৰ শইকীয়াই আঁত ধৰা মুকলি সভা উদ্বোধন কৰে জ্ঞান দৰ্শন জাতীয় বিদ্যালয়ৰ অধ্যক্ষ বীৰেন ডেকাই। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ ৰাখে বোনমাঝা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষক বলেন্দ্ৰ কুমাৰ নাথে। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে মনোৰঞ্জন শৰ্মা, প্ৰাক্তন মুখ্য উপদেষ্টা পশ্চিম দৰং প্ৰেছ ক্লাব। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে কুঁহি সাহিত্য সভাৰ উপ-সভাপতি কৰুণাকান্ত শৰ্মা, যুৱ নেতা অমিয় কুমাৰ ডেকা, জিণ্টুমণি কুমাৰ, গাঁওপ্ৰধান শৰৎ ডেকা, গজেন নাথ। উল্লেখ্য যে উক্ত সভাত প্ৰায় শতাধিক শ্ৰমিকক ফুলাম গামোচা আৰু এটি গছ পুলিৰে সম্বৰ্ধনা জনায়। এই কাৰ্যত ৰাইজে 'নতুন বাৰ্তা' গ্ৰুপৰ সঞ্চালক তৰুণ ডেকা, সহযোগী ধ্ৰুৱজ্যোতি শৰ্মা, উৎপল শৰ্মা, গোবিন্দ ডেকা, দীপজ্যোতি ডেকা, দীপাংকৰ শৰ্মাসহ সমূহ সদস্যক ভূয়সী প্ৰশংসা কৰে।


আল্‌ফা বিষ্ট্‌ নিউট্ৰিচন
ALPHA BEAST NUTRITION
(TRUSTED SOURCE FOR NUTRITION)
Your One-Stop Supplement Store
All Genuine Supplement, Fitness Clothing & GYM Accessories
+91 99540 31090 Alpha Beast Nutrition nutrition.alphabeast
Kabita Mansion, 1st floor, Opp. Gauhati Commerce College, Rajgarh Link Road, No.1 Ghy-03, Assam





## প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ব্যাসৰ বিয়োগ

**ই-সংবাদ, ১ মে':** প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, জ্যেষ্ঠ কংগ্ৰেছ নেতা আৰু ৰাষ্ট্ৰীয় মহিলা আয়োগৰ প্ৰাক্তন অধ্যক্ষা ড০ গিৰিজা ব্যাসৰ দেহাৱসান। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৮ বছৰ। ৩১ মাৰ্চত উদয়পুৰৰ দাঈত্য মাগৰীস্থিত গঙ্গৌৰ পূজা কৰি আছিল। তেনে সময়তে বন্তিৰ জুইৰ পৰা তেওঁৰ পোছাকত অগ্নি সংযোগ হৈছিল। এই দুৰ্ঘটনাত তেওঁ ৯০ শতাংশ পৰ্যন্ত জ্বলি গৈছিল। এই দুৰ্ঘটনাৰ পিছত তেওঁক এখন ব্যক্তিগত হাস্পতালত ভৰ্তি কৰা হৈছিল। ব্যাসৰ মৃত্যুত শ্ৰদ্ধাঞ্জলি জনাইছে দেশৰ একাধিক নেতাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহিলাক অপমান! হিমন্তৰ বিৰুদ্ধে

আয়োগৰ অধ্যক্ষ পাকেশ পালক লৈ উল্লেখ আছিল এক ভয়ংকৰ অভিযোগ। ৰাকেশ পালে চাকৰিৰ বিনিয়মত যুৱতীৰ সৈতে শাৰীৰিক সম্পৰ্ক কৰা বুলি এজন অভিযুক্তই প্ৰকাশ কৰা বুলি প্ৰতিবেদনত উল্লেখ আছিল। তাকে লৈ আৰম্ভ হৈছে ৰাজনীতি। পঞ্চায়ত নিৰ্বাচনত বৰছলাত এখন সভাত মুখ্যমন্ত্ৰীয়ে এই প্ৰতিবেদনৰ দোহাই দি কংগ্ৰেছ চৰকাৰৰ দিনত অসমৰ বোৱাৰী-ছোৱালীয়ে চাকৰিৰ বাবে সতীত্ব হৰণ কৰিবলগীয়া বুলি কৈ কংগ্ৰেছক আক্ৰমণ কৰিছিল। তাৰ পিছতে ৰাজ্যৰ ৰাজনীতি গৰম গৈ পৰিছে। কংগ্ৰেছে মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ প্ৰতিকৃতি দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে আজি কেইবাখনো আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। আজি গুৱাহাটী মহানগৰীতো কামৰূপ মহানগৰ জিলা কংগ্ৰেছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে দিছপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা, জিলা কংগ্ৰেছৰ সভাপতি গোপাল চন্দ্ৰ শৰ্মা, প্ৰবক্তা ৰূপা কলিতা আদিকে ধৰি কেইবাগৰাকী নেতা-নেত্ৰীৰ উপস্থিতিত এজাহাৰ দাখিল কৰে মহানগৰ জিলা কংগ্ৰেছে। অসমৰ মহিলাসকলক লক্ষ্য কৰি মুখ্যমন্ত্ৰীয়ে কৰা বিতৰ্কিত মন্তব্যৰ বিৰুদ্ধে তাৎক্ষণিকভাৱে আইনী ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। কংগ্ৰেছে এজাহাৰ দাখিল কৰি কয় যে মুখ্যমন্ত্ৰীয়ে ২৮ এপ্ৰিলত বৰছলা বিধানসভা সমষ্টিৰ অন্তৰ্গত বিহগুৰিত পঞ্চায়ত নিৰ্বাচনৰ বাবে আয়োজিত এখন ৰাজহুৱা সভাত অসমৰ মহিলা চৰকাৰী কৰ্মচাৰী তথা সমগ্ৰ নাৰী সমাজৰ প্ৰতি গভীৰ অপমানজনক আৰু আপত্তিজনক মন্তব্য কৰিছে। তেতিয়াৰ পৰা বৈদ্যুতিন, ডিজিটেলকে ধৰি ৰাজ্যৰ প্ৰায় প্ৰতিটো সংবাদ মাধ্যমৰ মঞ্চসমূহত বহুলভাৱে প্ৰচাৰিত হোৱা মন্তব্যত মুখ্যমন্ত্ৰী শৰ্মাই দাবী কৰিছে যে পূৰ্বৰ কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰৰ কাৰ্যকালত অসমৰ মহিলাসকলে চৰকাৰী চাকৰি সুৰক্ষিত কৰিবৰ্লৈ তেওঁলোকৰ সতীত্ব হেৰুৱাব লগা হৈছিল। দিছপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক সম্বোধন কৰা লিখা এজাহাৰত কংগ্ৰেছ দলে দৃঢ়তাৰে কয় যে এজন মুখ্যমন্ত্ৰীৰ দ্বাৰা এনে অভিযোগ অনাটো ভিত্তিহীন আৰু লজ্জাজনক। এই মন্তব্যই কেৱল মহিলাৰ মৰ্যাদাক অপমান কৰাই নহয়, ৰাজ্যখনৰ সৰ্বোচ্চ নিৰ্বাচিত জনপ্ৰিতিনিধিৰ কাৰ্যালয়টোৰ উদ্বেগজনক অৱনতি ঘটাইছে। মুখ্যমন্ত্ৰীৰ মন্তব্যক ক্ষমাহীন আৰু সমগ্ৰ অসমত মহিলাৰ অনুভূতিৰ বাবে গভীৰ ক্ষতিকাৰক বুলি অভিহিত কৰি কংগ্ৰেছে ভাৰতীয় ন্যায় সংহিতা ২০২৩ৰ প্ৰাসংগিক ধাৰাৰ অধীনত এজাহাৰখন তাৎক্ষণিকভাৱে পঞ্জীয়ন কৰাৰ দাবী জনায়। দলটোৱে মুখ্যমন্ত্ৰী শৰ্মাৰ বিৰুদ্ধে পুংখানুপুংখ তদন্ত আৰু উপযুক্ত আইনী ব্যৱস্থা বিচাৰিছিল। এই মন্তব্যই অপৰিসীম ক্ষোভৰ সৃষ্টি কৰিছে আৰু সমগ্ৰ ৰাজ্যৰ মহিলাসকলৰ মৰ্যাদাৰ প্ৰতি অপমান হিচাপে থিয় দিছে। বিদ্বেষ আৰু ৰাজনৈতিক বিদ্বেষৰ সৈতে সজ্জিত এনে ভাষা গণতান্ত্ৰিক সমাজত নিয়ন্ত্ৰণহীন হ'ব নালাগে। এজাহাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী বা তেওঁৰ কাৰ্যালয়ৰ পৰা কোনো আনুষ্ঠানিক বিবৃতি জাৰি কৰা নাই। ইপিনে কংগ্ৰেছ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিপ্লৱ শৰ্মা সমিতিৰ প্ৰতিবেদন কেৱল সস্তীয়া ৰাজনীতিৰ বাবেহে ব্যৱহাৰ কৰিছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। দেৱব্ৰত শইকীয়াই কয় যে প্ৰতিবেদনক অপব্যৱহাৰ কৰি সস্তীয়া ৰাজনীতিৰ লক্ষ্য হিচাপে বাছি ল'লে আমাৰ অসমৰ জীয়ৰী-বোৱাৰী-মাতৃ সমাজক। বিপ্লৱ শৰ্মাৰ যি প্ৰতিবেদন সেয়া ডাঃ মৃগেন শইকীয়া নামৰ এজন সন্দেহজনক ব্যক্তিৰ ভাষ্যক ৰাজসাক্ষী হিচাপে লৈ তৈয়াৰ কৰা হ'ল। এইজন ব্যক্তিক গুৱাহাটী উচ্চ ন্যায়ালয় আৰু চিবিআয়ে ৰাজসাক্ষী হোৱাৰ অযোগ্য ব্যক্তি বুলি নাকচ কৰিছিল। বিপ্লৱ শৰ্মা সমিতিয়ে প্ৰধান অনুসন্ধানকাৰী মুকুল শইকীয়াৰ পৰাও ভাষ্য গ্ৰহণ নকৰিলে, কিন্তু ডাঃ মৃগেন শইকীয়াৰ ল'লে। এনে কি যোগ্যতা ডাঃ মৃগেন শইকীয়াৰ মাজত বিচাৰি পালে, সেয়া জানিবলৈ মই উৎসুক। এতিয়া কলংকিত মৃগেন শইকীয়াৰ ভাষ্যকে হিমন্ত বিশ্ব শৰ্মাই আমাৰ অসমৰ জীয়ৰী-বোৱাৰী-মাতৃ সমাজক কলংকিত কৰিবলৈ ব্যৱহাৰ কৰিছে। যি চৰকাৰে মহিলা সবলীকৰণ কৰিব বুলি বুকুখন ৫৬ ইঞ্চিৰ কৰি ঘূৰি ফুৰে, সেই চৰকাৰখনে ভোটৰ বাবে মহিলাৰ মৰ্যাদাত হাত দিবলৈ এপৰো নৰ'ল। এয়াই তেওঁলোকৰ ডাবল ইঞ্জিনৰ চৰকাৰ, য'ত তেওঁলোকে মহিলাৰ সন্মানক ধূলিস্যাৎ কৰিবলৈ এবাৰো ভাবি নাচায়। আজি আমাৰ মহিলাসকল প্ৰশাসনিক বিষয়া, শিক্ষয়িত্ৰী, চিকিৎসক, অভিযন্তা, অংগনবাড়ী কৰ্মী, আশা কৰ্মী, ব্যৱসায়ী হিচাপে কাম কৰি আছে। শৰ্মাই কি ক'ব বিচাৰিছে যে অসমৰ মহিলাই নিজৰ মৰ্যাদা হানি কৰিহে আগবাঢ়িব পাৰিছে? তেওঁৰ কথাই তেওঁৰ মনৰ কদৰ্যতা আৰু বিজেপি দলৰ ৰক্ষণশীলতাৰ পৰিচয় উদং কৰি দেখুৱাইছে। তেওঁ কথাৰেই অসমৰ মহিলাৰ শ্লীলতা হানি কৰিছে। হিমন্ত বিশ্ব শৰ্মাক সকীয়নি দিছো, ৰাজনীতি কৰক। কিন্তু অসমীয়া মহিলাৰ আত্মাভিমানক আক্ৰমণ নকৰিব। সোনকালে নিজৰ ভুল মানি লওক আৰু আমাৰ অসমৰ মাতৃ সমাজৰ আগত আঁঠু লৈ ক্ষমা বিচাৰক। এনেদৰেই এতিয়া ৰাজ্যৰ ৰাজনীতি গৰম হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিশাল আৰু তাৰ্কিকলৈ জামিন

ভাতৃ বিশাল ফুকন আৰু স্বামী তাৰ্কিক বৰাৰ মুকলি আকাশৰ তললৈ অহাৰ পথ প্ৰশস্ত হ'ল। গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত বন্দী প্ৰৱঞ্চক তাৰ্কিক বৰা আৰু বিশাল ফুকন শীঘ্ৰে মুকলি আকাশৰ তললৈ আহিব। আজি আৰক্ষী থানাত ৰুজু হোৱা অন্তিমটো গোচৰত জামিন লাভ কৰিছে তাৰ্কিক বৰা আৰু বিশাল ফুকনে। ডিব্ৰুগড় জিলাৰ বৰবৰুৱা থানাত ৰুজু ৮৫/২০২৪ নং গোচৰত দুয়োজনকে জামিন প্ৰদান কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ আদালতে বিশাল আৰু তাৰ্কিকৰ জামিন মঞ্জুৰ কৰিছে। কিন্তু প্ৰৱঞ্চক চুমি বৰাই বৰ্তমানেও জামিন লাভ কৰা নাই। ১৯ নৱেম্বৰত বহু বিতৰ্কিত নৃত্যশিল্পী চুমি বৰাৰ জামিন নাকচ কৰিছিল গুৱাহাটীৰ চিবিআই আদালতে। কিন্তু আদালতে জামিন দিলেও পদ্ধতিগত বিলম্ব আৰু নিৰ্দেশনা উপলব্ধ নোহোৱাত গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ পৰা মুক্তি পোৱাৰ সম্ভাৱনা কম আছে। চুমি বৰাই সহজে জামিন লাভ কৰিবনে নাই সেয়া জানিব পৰা হোৱা নাই। বৰ্তমানেও কাৰাগাৰত থকা ৰাজ্যত সংঘটিত ট্ৰেডিং কেলেংকাৰিৰ অন্যতম অভিযুক্ত বিশাল, তাৰ্কিক আৰু চুমিৰ বিৰুদ্ধে প্ৰায় ৪ হাজাৰ কোটি টকা লুণ্ঠন কৰাৰ অভিযোগ উঠিছিল। চিকিৎসক, অভিযন্তা, ব্যৱসায়ী, অভিনেতা-অভিনেত্ৰী আদিৰ পৰা কোটি কোটি লৈ সেই টকা ট্ৰেডিঙত ব্যৱহাৰ কৰি দুগুণহাৰত ওভতাই দিয়াৰ প্ৰতিশ্ৰুতি দিছিল বিশাল ফুকনে। সেই টকাৰে পাতি লোৱা বায়েক চুমি বৰা আৰু চুমিৰ স্বামী ফটোগ্ৰাফাৰ তাৰ্কিক বৰাই বিলাসী জীৱন কটাইছিল। চুমি বৰা আৰু তাৰ্কিক বৰাই জয়পুৰত কোটি কোটি টকা খৰচ কৰি বিয়া পাতিছিল। ডুবাই ভ্ৰমণ কৰি বজাৰ-সমাৰ কৰি কোটি কোটি টকা উৰুৱাই দিছিল। ইমানেই নহয় চুমি বৰাক পাতি লোৱা ভায়েক বিশালে ২ লাখ টকীয়া টেডী বিয়েৰ উপহাৰ দিছিল। আনৰ পৰা ট্ৰেডিঙৰ নামত সংগ্ৰহ কৰা টকাৰে কোম্পানী স্থাপন কৰিছিল। শেষত যেতিয়া একাংশ লোকক টকা ওভতাই দিব পৰা নাছিল তেতিয়া ডিব্ৰুগড় জিলাত ৰুজু হৈছিল গোচৰ। ডিব্ৰুগড় সদৰ থানাত ৰুজু ৩৫২/২৪, দুলীয়াজান থানাত ৰুজু ৩৫৪/২৪ নম্বৰ গোচৰ আৰু বৰবৰুৱা থানাত ৰুজু ৮৫/২৪ নং গোচৰত তদন্তৰ দায়িত্ব চিবিআইক অৰ্পণ কৰিছে ৰাজ্য চৰকাৰে। ৰুজু হোৱা গোচৰৰ ভিত্তিত প্ৰায় কুৰি দিন পলায়ন কৰাৰ পিছতে এবছৰ পূৰ্বে তেওঁলোকক গ্ৰেপ্তাৰ কৰা হৈছিল। তাৰ লগতে ৰাজ্য চৰকাৰে গোচৰৰ তদন্তৰ দায়িত্ব দিছিল চিবিআইক। হিমন্ত বিশ্ব শৰ্মাৰ গৃহ বিভাগৰ চূড়ান্ত ব্যৰ্থতাৰ বাবেই অসমত অনলাইন ট্ৰেডিঙৰ নামত বৃহৎ কেলেংকাৰি সংঘটিত কৰা অভিযুক্তই জামিন লাভৰ সুবিধা পাইছে বুলি অভিযোগ উত্থাপন হৈ আহিছে। মুখ্যতঃ তদন্তকাৰী সংস্থা চিবিআয়ে চাৰ্জশ্বীট দাখিলত ব্যৰ্থ হোৱাৰ বাবেই কোটি কোটি টকাৰ ট্ৰেডিং কেলেংকাৰী সংঘটিত কৰা অভিযুক্তসকলে জামিন লাভ কৰিছে। ইতিমধ্যে চুমি বৰাৰ দেওৰ তথা তাৰ্কিকৰ ভাতৃ অম্লান বৰা আৰু আন এজন ট্ৰেডিং কেলেংকাৰীৰ নায়ক ৰঞ্জিত কাকতিয়ে জামিন লাভ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰম্ভ হ'ল পঞ্চায়ত নিৰ্বাচনৰ ভোটযুদ্ধ

গ্ৰহণ পুৱা ৭ বজাত আৰম্ভ হ'ব আৰু বিয়লি ৪.৩০ ত অন্ত পৰিব। ১১ মে'ত ৰাজ্যিক নিৰ্বাচন আয়োগে ঘোষণা কৰিব নিৰ্বাচনী ফলাফল। ২ মে'ত তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলাত অনুষ্ঠিত হ'ব প্ৰথম পৰ্যায়ৰ ভোট গ্ৰহণ আৰু ধুবুৰী, দক্ষিণ শালমৰা, মানকাচৰ, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, কামৰূপ, কামৰূপ (মেট্ৰ'), হোজাই, নগাঁও, মৰিগাঁও আৰু দৰংত ৭ মে'ত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। উল্লেখ্য যে এইবাৰ পঞ্চায়ত নিৰ্বাচনত সৰ্বমুঠ ভোটাৰ ১ কোটি ৮০ লাখ ৩৬ হাজাৰ ৬৮২ গৰাকী। মুঠ ভোটাৰৰ ৯০ লাখ ৭১ হাজাৰ ২৬৪ জন পুৰুষ, ৮৯ লাখ ৬৫ হাজাৰ ১০ গৰাকী মহিলা আৰু ৪০৮ গৰাকী তৃতীয় লিংগৰ ভোটাৰ। জানিব পৰা মতে, যোৱা পঞ্চায়ত নিৰ্বাচনৰ তুলনাত এইবাৰ প্ৰায় ১৩.২৭ শতাংশ ভোটাৰ বৃদ্ধি পাইছে। উল্লেখ্য যে ২০২৩ চনত সংশোধিত পঞ্চায়ত আইন অনুসৰি অনুষ্ঠিত হ'ব লগা এই পঞ্চায়ত নিৰ্বাচনত গাঁও পঞ্চায়তৰ সদস্য পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা সাধাৰণ বৰ্গৰ প্ৰাৰ্থী ন্যূনতম হাইস্কুল শিক্ষান্ত বা তাৰ সমপৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাটো বাধ্যতামূলক কৰা হৈছিল। আনহাতে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য বা অধিক অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থীসকলে দশম শ্ৰেণী পৰ্যন্ত অধ্যয়ন কৰাটো বাধ্যতামূলক কৰা হৈছিল। একেদৰে আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ বাবে প্ৰাৰ্থিত্ব আগবঢ়াব বিচৰা সাধাৰণ বৰ্গৰ প্ৰাৰ্থী কমেও উচ্চতৰ মাধ্যমিক বা সমপৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাটো বাধ্যতামূলক কৰা হৈছিল। লগতে ২০১৮ চনৰ ১৯ মাৰ্চৰ পিছত ২ টাতকৈ অধিক সন্তান থকা প্ৰাৰ্থিত্বপ্ৰত্যাশীক মনোনীত কৰা হোৱা নাই। এইবাৰ মুঠ দুটা পৰ্যায়ত মুঠ ২১,৯২০ টা গাঁও পঞ্চায়তৰ সদস্য, ২১,৯২ টা আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু ৩৯৭ টা জিলা পৰিষদৰ সদস্য পদৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হ'ব। এই আসনসমূহৰ ভিতৰত ১০,৮৮৩ খন আসন মহিলাৰ বাবে সংৰক্ষিত কৰা হৈছে। উল্লেখ্য যে এইবাৰ পঞ্চায়ত নিৰ্বাচনত বিজেপি আৰু অগপৰ প্ৰাৰ্থীসকল নিৰ্বাচনী দৌৰত যথেষ্ট আগবাঢ়ি আছে। এইবাৰ বিজেপি মিত্ৰজোঁটৰ হৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সন্মুখৰ পৰা নেতৃত্ব দি নিৰ্বাচনী প্ৰচাৰ চলোৱা দেখা গৈছে। মুখ্যমন্ত্ৰী শৰ্মাই নিৰ্বাচনী প্ৰচাৰত বস্তুৰ দাম হ্ৰাস কৰাৰে পৰা বিভিন্ন আঁচনিৰো প্ৰতিশ্ৰুতি দিছে। ইতিমধ্যে জিলা পৰিষদৰ ৩৭ খন আসনত বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে জয় লাভ কৰিছে। আঞ্চলিক পঞ্চায়ত পৰ্যায়তো ২৫৯ খন আসনত ভাৰতীয় জনতা পাৰ্টি আৰু ২৯ খন আসনত অসম গণ পৰিষদৰ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। লগতে আঞ্চলিক পঞ্চায়তৰ ১ খন আসনত এআইডিইউএফ-এ, ১৩ খনত নিৰ্দলীয় প্ৰাৰ্থীয়ে আৰু ৯ খন আসনত কংগ্ৰেছৰ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয় লাভ কৰিছে। উল্লেখ্য যে এইবাৰ ভোটগ্ৰহণত ব্যৱহাৰ নহয় ইভিএম। সম্পূৰ্ণ বেলট পেপাৰৰ দ্বাৰা এই ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। লগতে ৰাজ্যিক নিৰ্বাচন আয়োগে এইবাৰ প্ৰথমবাৰৰ বাবে ভোটাৰ তালিকাৰ লগতে আঞ্চলিক আৰু জিলা পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীসকলৰ শপতনামা ডিজিটেলাইজ কৰি ভোটাৰ ৰাইজে চাব পৰাকৈ ৰাজহুৱা ডমেইনত মুকলি কৰিছে। ইপিনে, বিধানসভা নিৰ্বাচনৰ পূৰ্বে অনুষ্ঠিত হোৱা এই নিৰ্বাচনে পৰৱৰ্তী সময়ত ৰাজ্যৰ ৰাজনৈতিক বতাহ কোন দিশে বলিব তাৰো এক ইংগিত দিব বুলি আশা কৰিছে ৰাজনৈতিক মহলে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# নাৰী সমাজলৈ আৱেগিক পত্ৰ গৌৰৱৰ

নাৰী সমাজক লৈ আৱেগিক পত্ৰ জাৰি কৰিছে। নিজৰ সামাজিক মাধ্যমৰ একাউণ্ট যোগে প্ৰকাশ কৰা এই পত্ৰখন সাংসদ হিচাপে নহয় এগৰাকী অসম সন্তান হিচাপে লিখা বুলি উল্লেখ কৰিছে। এই চিঠিখন গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এক মন্তব্য সন্দৰ্ভত নিজৰ মনৰ কথা প্ৰকাশ কৰিছে। কংগ্ৰেছৰ দিনত সংঘটিত অসম লোকসেৱা আয়োগৰ নিযুক্তি পৰীক্ষাত সংঘটিত কেলেংকাৰীৰ তদন্ত কৰিবলৈ বিজেপি চৰকাৰে গঠন কৰিছিল বিপ্লৱ শৰ্মা আয়োগ। আয়োগৰ প্ৰতিবেদনত তদানীন্তন লোকসেৱা আয়োগৰ অধ্যক্ষ ৰাকেশ পালক লৈ উল্লেখ আছিল এক ভয়ংকৰ অভিযোগ। ৰাকেশ পালে চাকৰিৰ বিনিময়ত যুৱতীৰ সৈতে শাৰীৰিক সম্পৰ্ক কৰা বুলি এজন অভিযুক্তই প্ৰকাশ কৰা বুলি প্ৰতিবেদনত উল্লেখ আছিল। পঞ্চায়ত নিৰ্বাচনত বৰছলাত এখন সভাত মুখ্যমন্ত্ৰীয়ে এই প্ৰতিবেদনৰ দোহাই দি কংগ্ৰেছ চৰকাৰৰ দিনত অসমৰ বোৱাৰী-ছোৱালীয়ে চাকৰিৰ বাবে সতীত্ব হৰণ কৰিবলগীয়া বুলি কৈ কংগ্ৰেছক আক্ৰমণ কৰিছিল। মুখ্যমন্ত্ৰীৰ বিতৰ্কিত মন্তব্যক লৈ ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ সময়তে গৌৰৱ গগৈয়ে এই পত্ৰ যোগে মুখ্যমন্ত্ৰীৰ মন্তব্য অসমীয়া সমাজৰ বাবে গ্ৰহণযোগ্য নহয় বুলি উল্লেখ কৰে। গৌৰৱ গগৈয়ে এই পত্ৰ প্ৰচাৰ কৰাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এটা টুইট কৰি পুনৰ গৌৰৱ গগৈক আক্ৰমণ কৰি গৌৰৱ গগৈৰ সন্তান ভাৰতীয় নহয় বুলি দাবী কৰিছে। এয়া মই সম্পূৰ্ণ দায়িত্বশীলতাৰে ক'ব পাৰো যে সাংসদ গৌৰৱ গগৈৰ নাবালক সন্তান ভাৰতীয় নাগৰিক নহয়। পূৰ্বে গৌৰৱ গগৈক সন্তানৰ নাগৰিকত্ব ৰাজহুৱা কৰিবলৈ আহ্বান জনাইছিল মুখ্যমন্ত্ৰীয়ে। কিন্তু তাৰ পূৰ্বেই মুখ্যমন্ত্ৰীয়ে দাবী কৰিছে যে সাংসদ গৌৰৱ গগৈৰ নাবালক সন্তান ভাৰতীয় নাগৰিক নহয়। ইপিনে সাংসদ গৌৰৱ গগৈয়ে ৰাজহুৱা কৰা পত্ৰ যোগে কয় যে শেহতীয়া কিছু ঘটনা প্ৰবাহক লৈ মই উদিগ্ন, হতভম্ব আৰু লজ্জিত অনুভৱ কৰিছো। আমাৰ মাতৃ, জীয়াৰী আৰু বোৱাৰীসকলক উদ্দেশ্যি কিছু বক্তব্য ৰখা হৈছে। যিবোৰ অসমীয়া সমাজৰ বাবেই গ্ৰহণযোগ্য নহয়। যিবোৰ কথা আমাৰ সমাজ ব্যৱস্থাৰ লগতে চিন্তাৰ পৰিধিৰ বাহিৰত। পঞ্চায়তৰ পৰা আৰক্ষী, বিশ্ববিদ্যালয়ৰ পৰা চৰকাৰী কাৰ্যালয়লৈ, চাহ বাগিচাৰ পৰা চৰকাৰ প্ৰশাসনলৈকে প্ৰতিটো ক্ষেত্ৰতেই আমাৰ নাৰী সমাজ বিদ্যমান। অসম নিৰ্মাণত আপোনালোকৰ অৱদান অনস্বীকাৰ্য। আপোনালোক কোনোবা চিকিৎসক, কোনোবা অভিযন্তা, আয়ুক্ত, শিক্ষক, আশা কৰ্মী, অংগনৱাড়ী কৰ্মী, উদ্যোগী... কি নহয় আপোনালোক? আপোনালোকেই আমাৰ আধাৰ, আপোনালোকেই আমাৰ ভৱিষ্যৎ, আপোনালোকেই আমাৰ স্বাভিমান। এই মহীয়সী নাৰীক আজি হেয় প্ৰতিপন্ন কৰিব বিচৰা হৈছে, আপোনালোকৰ সেৱাক উপহাস কৰা হৈছে। গভীৰ অধ্যৱসায় আৰু দৃঢ়তাৰে নিজক প্ৰতিষ্ঠা কৰি যিসকল মহিলাই সমাজত শিৰ উচ্চ কৰি জীয়াই আছে, আজি সেই মহিলাসকলক অপমান কৰা হৈছে কিছু তৰল, অযুক্তিকৰ আৰু অগ্ৰহণযোগ্য বক্তব্যৰে। ৰাজহুৱা জীৱনত স্থান লাভ কৰিবলৈ মহিলাই নিজৰ সন্মান বিসৰ্জন দিয়া বুলি অসমৰ মুখ্যমন্ত্ৰীয়ে যি মন্তব্য কৰিছে সেয়া কেৱল মিছা কথাই নহয়, গভীৰ অধ্যৱসায়ৰ জৰিয়তে জীৱন বাটত আগুৱাই যোৱা প্ৰতিগৰাকী মহীয়সী নাৰীৰ প্ৰতি অপমানসূচক মন্তব্য। মা কামাখ্যাৰ পৱিত্ৰভূমি অসম, আমাৰ এই ভূমি নাৰী শক্তিৰ এক জীৱন্ত ৰূপ। সেই ভূমিত অসমৰ মুখ্যমন্ত্ৰীয়ে যিবোৰ শব্দ ব্যৱহাৰ কৰিছে সেয়া কেৱল এগৰাকী ব্যক্তিৰ ব্যক্তিগত স্খলনেই নহয় নৈতিকতাৰো পতন। মুখ্যমন্ত্ৰীক যদি এই বিষয়বোৰৰ ওপৰত প্ৰশ্ন কৰা হয় তেতিয়া তেওঁ সেই বিষয়বোৰৰ পৰা ফালৰি কাটে। তেওঁ আনলৈ আঙুলি টোঁৱায়, কিন্তু এগৰাকী নেতাৰ কাম আনলৈ দোষ ঠেলা নহয়। নেতাৰ কাম নিজৰ কথাত অটল থকা আৰু ৰাইজৰ পক্ষত থিয় হোৱা। এয়া দায়বদ্ধতাৰ কথা। এগৰাকী মুখ্যমন্ত্ৰী সদায় কুটিল আৰু নিকৃষ্ট ৰাজনীতিৰ ঊৰ্ধ্বত। অসমীয়া নাৰীৰ মৰ্যাদা উলংঘা কৰাৰ অধিকাৰ কাৰো নাই। প্ৰতিগৰাকী নাৰী যি ৰাজ্যখনৰ হকে সৰ্বস্ব উজাৰি দিছে সেই নাৰী সন্মানৰ অধিকাৰী। এই তাচ্ছিল্যক আপোনালোকৰ এগৰাকী ভাই, এগৰাকী পুত্ৰ আৰু এগৰাকী মিত্ৰ হিচাপে মই সদায় আপোনালোকৰ লগত আছো। গভীৰ বিশ্বাস আৰু আস্থাৰে এই সংকল্প লৈছো যে এই অপমানৰ উত্তৰ দিবই লাগিব। আমি নাৰীৰ সন্মানক কেতিয়াও লাঘৱ হ'বলৈ নিদিওঁ। আহক এই অপমানৰ বিৰুদ্ধে ন্যায় বিচাৰি আমি সকলো সত্যৰ সন্ধানত মাৰবান্ধি থিয় হৈ আগবাঢ়ি যাওঁ। দেশতকৈ মোমাই ডাঙৰ নহয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিধায়ক সুৰেণক পহু খেদা সমষ্টিবাসীৰ

মাথোঁ কেইটামান ঘণ্টা। ইতিমধ্যে সমাপ্ত হৈছে প্ৰথম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ অন্তিম সময়সীমা। সকলো ব্যস্ত নিজৰ নিজৰ অংকত। কোনে কিমান ভোট লাভ কৰিব, কোনটো ৱাৰ্ডত কোনে কিমান ভোট হেৰুৱাব ইয়াক লৈ সকলো ব্যস্ত হৈ পৰাৰ সময়তে তিনিচুকীয়া জিলাৰ ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰহাপজান গাঁও পঞ্চায়তৰ ৭ নং ৱাৰ্ডত আজি পুৱাৰ ভাগতেই স্থানীয় বিধায়ক সুৰেন ফুকন এক অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হয়। অভিযোগ অনুসৰি, ৱাৰ্ডটোত বিজেপি সমৰ্থিত প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলাবলৈ গৈছিল বিধায়ক সুৰেন ফুকন। এই বিষয়ে খবৰ পোৱাৰ পিছতেই ৱাৰ্ডটোৰ প্ৰাক্তন বিজেপি দলৰ ৱাৰ্ড সদস্যা তথা এইবাৰৰ নিৰ্দলীয় প্ৰাৰ্থীৰূপে ৱাৰ্ডটোৰ পৰা পুনৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা জানমণি মৰাণে নিজৰ একাংশ সমৰ্থকৰ সৈতে উপস্থিত হয় বিধায়কগৰাকীৰ সন্মুখত। লগে লগে সৃষ্টি হয় এক অনাকাংক্ষিত পৰিস্থিতিৰ। নিৰ্বাচনী আচৰণবিধি উলংঘনৰ কাৰণ দৰ্শাই বিধায়কজনক বিভিন্ন প্ৰশ্নৰে থকা-সৰকা কৰে বিজেপি দলৰ প্ৰাক্তন ৱাৰ্ড সদস্যাগৰাকীয়ে। উপায়ন্তৰ হৈ বিধায়ক সুৰেন ফুকনে একপ্ৰকাৰৰ তৰা-নৰা ছিঙি ঘটনাস্থলী ত্যাগ কৰে। প্ৰাক্তন ৱাৰ্ড সদস্যা জোনমণি মৰাণে বিধায়ক সুৰেন ফুকনক আগচি ধৰি এনেদৰে নিৰ্বাচনী ভোটগ্ৰহণলৈ হাতত এটা দিনো নথকাৰ দৰে সময়ত ৱাৰ্ডটোত উপস্থিত হৈ বিজেপি দলৰ সমৰ্থিত প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলাবলৈ অহাৰ অভিযোগ তুলি বিভিন্ন প্ৰশ্নৰে বিধায়কজনক শ'লঠেকত পেলায়। ৰাইজৰ ৰোষত পৰা বিধায়ক সুৰেন ফুকনে ফৰিং ছিটিকা দিয়ে। ঘটনা সন্দৰ্ভত বিয়লি বিধায়ক সুৰেন ফুকনে নিজকে ধোৱা তুলসী সজাবলৈ ফেচবুক লাইভযোগে ঘটনা সম্পৰ্কত স্পষ্টীকৰণ দিয়াৰ প্ৰয়াস কৰে। বিধায়ক ফুকনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে, জোনমণি মৰাণ মোৰ সম্পৰ্কীয় মানুহ। জোনমণি মৰাণক যোৱাবাৰ পঞ্চায়ত নিৰ্বাচনত বিধায়কগৰাকীয়ে নিজেই টিকট প্ৰদান কৰা বুলি কৈ জোনমণি মৰাণৰ ওপৰত কেতবোৰ অভিযোগ তোলে। বিধায়ক ফুকনে কয়, "জোনমণি মৰাণে কাক কি কথা ক'ব লাগে নাজানে। তাই মুখ চোকা মহিলা। তাই কাজিয়া কৰি ভাল পায়। ৱাৰ্ড সদস্যা হিচাপে তাই বিফল। টিকট নোপোৱাৰ খং আৰু ক্ষোভতে তাই আবোল-তাবোল বলকিছে। মোৰ ওপৰত প্ৰতিশোধ লৈছে। মই কোনো নিৰ্বাচনী আচৰণবিধি ভংগ কৰা নাই। মই কালি ঘোষণা হোৱা উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত মোৰ সমষ্টিৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনাবলৈহে আহিছিলোঁ। এইটো মোৰ দোষ নেকি? কাইলৈ নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিন বুলি মই মোৰ সমষ্টিত ঘূৰিব নোৱাৰিম নেকি? মই যোৱা ২০-২৫ বছৰে মোৰ সাঁচতীয়া টকাৰে ছাত্ৰ-ছাত্ৰীক নগদ ধন আগবঢ়াই আহিছোঁ। কালিও মই ডিগবৈ, বৰবিল, পাৰৈ, পানীখোৱা পঞ্চায়তত ঘূৰি আহিলোঁ।" মুঠৰ ওপৰত নিজৰ সমস্ত দোষ প্ৰাক্তন ৱাৰ্ড সদস্যা জোনমণি মৰাণলৈ ঠেলি দি নাক বচোৱাৰ চেষ্টা কৰা বিজেপি দলৰ জ্যেষ্ঠ বিধায়ক সুৰেন ফুকনক নিৰ্বাচন আয়োগৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নাকী লগাবলৈ সক্ষম হ'বনে, ঘটনাৰ কিবা তদন্ত হ'বনে? মুখ্যমন্ত্ৰীৰ সাহস হ'বনে দলৰ জ্যেষ্ঠ বিধায়ক তথা প্ৰায়েই বিতৰ্কৰ আৱৰ্তত সোমাই থকা, বহুবল্কী বিধায়ক সুৰেন ফুকনৰ ওপৰত তদন্ত কৰিবলৈ ? এয়া সচেতন ৰাইজৰ প্ৰশ্ন। বিধায়ক সুৰেন ফুকনে ঘটনা সন্দৰ্ভত জোনমণি মৰাণৰ লগতে স্বামী সীমান্ত মৰাণ আৰু দেওৰেক হীৰকজ্যোতি মৰাণ জড়িত থকাৰো অভিযোগ তোলাৰ লগতে নিৰ্বাচনত জোনমণি মৰাণ বেয়াকৈ মুখথেকেচা খাব বুলি কৈ জোনমণি মৰাণে হীনমন্যতাত ভোগা বুলিও কয়। মুঠৰ ওপৰত ডিগবৈ বিধানসভা সমষ্টিৰ দৰে এটা সন্মানীয় সমষ্টিৰ পৰা একেৰাহে কেইবাবাৰো জয়ী হৈ অহা এগৰাকী দায়িত্বশীল বিধায়কৰ এনে কৰ্ম-কাণ্ডক লৈ ডিগবৈত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# এই কঠিন সময়ত সেনাৰ মনোবল

শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। তিনিজন কাশ্মীৰী বাসিন্দা ফাতেহ কুমাৰ চাহু, মহম্মদ জুনাইদ, আৰু বিকি কুমাৰে এই আবেদন দাখিল কৰিছিল। অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ নেতৃত্বত যোৱা ২২ এপ্ৰিলত সংঘটিত হোৱা নৃশংস আক্ৰমণৰ স্বতন্ত্ৰ তদন্তৰ দাবী জনাইছিল আবেদনকাৰীয়ে। কিন্তু উচ্চতম ন্যায়ালয়ে এই আবেদন খাৰিজ কৰি কয় যে এই সময়ত ন্যায়িক তদন্তই সেনাৰ মনোবলত প্ৰভাৱ পেলাব পাৰে, আৰু সেয়া কৰা উচিত নহয়। পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণে ইতিমধ্যে এসপ্তাহৰো অধিক সময় অতিক্ৰম কৰিছে। উগ্ৰবাদীয়ে আক্ৰমণ চলাই হত্যা কৰিছিল ২৬ জন নিৰীহ লোকক। এই পৰ্যন্ত সমগ্ৰ কাশ্মীৰত সেনা আৰু নিৰাপত্তা বাহিনীয়ে একাধিক অভিযান চলাইছে যদিও এই আক্ৰমণৰ মূল অভিযুক্ত কোনো এজনকো এতিয়াও গ্ৰেপ্তাৰ কৰা হোৱা নাই। এনে পৰিস্থিতিত চৰকাৰে সেনাবাহিনীক সম্পূৰ্ণ স্বাধীনতা প্ৰদান কৰিছে যাতে তেওঁলোকে এই আক্ৰমণ প্ৰতিহত কৰিবলৈ সঠিক সময় আৰু কৌশল বাছি ল'ব পাৰে। এই আক্ৰমণৰ দায়িত্বক লৈ ৰাজনৈতিক হেঁচাও বাঢ়িবলৈ আৰম্ভ কৰিছে। কেন্দ্ৰীয় চৰকাৰে জনোৱা মতে, এই আক্ৰমণত পাকিস্তান জড়িত থকাৰ ইংগিত দিয়া কেইবাটাও তথ্য পোৱা গৈছে। সেই অনুসৰি ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাই ইতিমধ্যে তদন্ত আৰম্ভ কৰিছে। ঘটনাৰ ৫ দিনৰ পাছত আনুষ্ঠানিকভাৱে তদন্ত এনআইএৰ হাতত অৰ্পণ কৰা হয়। অৱশ্যে তাৰ পূৰ্বে তদন্তকাৰী সংস্থাটোৰ বিষয়াসকলে সেই স্থানত উপস্থিত হৈ প্ৰাৰম্ভিক তথ্য সংগ্ৰহ কৰে। তদন্তৰ সময়ত প্ৰকাশ পোৱা তথ্যই ইংগিত দিছে যে পাকিস্তানৰ ঘনিষ্ঠ সন্ত্ৰাসবাদী গোটসমূহৰ এই আক্ৰমণৰ পৰিকল্পনা আৰু নিষ্পাদনৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক আছে। ইফালে এই আক্ৰমণক লৈ তিনিজন আবেদনকাৰীয়ে আদালতৰ কাষ চাপিছিল। তেওঁলোকে অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ নেতৃত্বত নিৰপেক্ষ তদন্ত কৰিবলৈ দাবী জনাইছিল আৰু কাশ্মীৰৰ সাধাৰণ জনতাক সুৰক্ষাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ কেন্দ্ৰ, জম্মু-কাশ্মীৰ চৰকাৰ, চিআৰপিএফ আৰু এনআইএক আদালতে নিৰ্দেশ প্ৰদান কৰাৰো দাবী জনাইছিল। কিন্তু ন্যায়াধীশ সূৰ্য্য কান্তই স্পষ্টকৈ কয়, "এই মুহূৰ্তত সমগ্ৰ দেশ সন্ত্ৰাসবাদৰ বিৰুদ্ধে একত্ৰিত হৈছে। গতিকে এনে সময়ত সেনা আৰু নিৰাপত্তা বাহিনীৰ মনোবল ভংগ কৰাটো একেবাৰেই সঠিক নহয়।" তেওঁ আৰু কয়, "এই আবেদনে পৰিস্থিতিৰ গুৰুত্বক তুচ্ছজ্ঞান কৰিছে। আনকি অৱসৰপ্ৰাপ্ত ন্যায়াধীশেও তদন্ত কৰিব নোৱাৰে, কাৰণ আদালতৰ নিৰ্দেশ অবিহনে সেয়া সম্ভৱ নহয়। গতিকে এই আবেদনত উচ্চতম ন্যায়ালয়ে হস্তক্ষেপ কৰা নাই।" শীৰ্ষ ন্যায়ালয়ৰ এই মন্তব্যই স্পষ্ট কৰি দিছে যে পেহেলগাম আক্ৰমণৰ ন্যায়িক তদন্তৰ কাম বৰ্তমানে আগবঢ়াই নিবলৈ উচ্চতম ন্যায়ালয় অনিচ্ছুক।

# সংগীত বিষয়ত ৰাজ্যৰ ভিতৰতে সৰ্বোচ নম্বৰ লাভ প্ৰস্তুতিৰ

ই-সংবাদ, দুমুনিচকী/দুনী, ১ মে': সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ সংগীত বিষয়ত ৰাজ্যৰ ভিতৰতে সৰ্বোচ নম্বৰ প্ৰাপ্তিৰে উজলিল মঙলদৈ জ্ঞান বিকাশ একাডেমীৰ ছাত্ৰী প্ৰস্তুতি শৰ্মা। দৰঙৰ অন্যতম অগ্ৰণী শৈক্ষিক প্ৰতিষ্ঠান মঙলদৈ জ্ঞান বিকাশ একাডেমীৰ ছাত্ৰী প্ৰস্তুতি শৰ্মাই সদ্যঘোষিত উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৰাজ্যৰ ভিতৰতে সংগীত বিষয়ত ৯৮ নম্বৰ প্ৰাপ্তিৰে বিদ্যালয়ৰ লগতে অঞ্চলবাসীলৈ গৌৰৱ কঢ়িয়াই আনিছে। ছিপাঝাৰৰ দুনী নিবাসী পিতৃ অতুল চন্দ্ৰ শৰ্মা আৰু মাতৃ ভনিতা শৰ্মাৰ একমাত্ৰ কন্যা প্ৰস্তুতি শৰ্মাই নিয়মিত পঢ়া-শুনা কৰাৰ উপৰি অধিক হাপ আছে খেল-ধেমালি আৰু সংগীতৰ প্ৰতি।অতিকৈ মেধা সম্পন্ন ছাত্ৰীগৰাকীয়ে অসম চৰকাৰৰ দ্বাৰা পঞ্চায়ত ভিত্তিত হোৱা সংগীত মহাসংগ্ৰামত ভূপেন্দ্ৰ সংগীত, ৰবীন্দ্ৰ সংগীত আৰু জ্যোতিসংগীত প্ৰতিযোগিতাটো শ্ৰেষ্ঠত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছিল। নম্ৰ স্বভাৱৰ মেধাসম্পন্ন ছাত্ৰীগৰাকী অধ্যয়নৰ উপৰি ভৱিষ্যতে এগৰাকী সুগায়িকা হোৱাৰ মন আছে। সদ্যঘোষিত উচ্চতৰ মাধ্যমিকৰ প্ৰস্তুতি শৰ্মাৰ ফলাফলত মঙলদৈ জ্ঞান বিকাশ একাডেমী শিক্ষক-অভিভাৱক, ছাত্ৰ-ছাত্ৰী, শুভাকাংক্ষী উৎফুল্লিত হৈ পৰিছে।

# ঢকুৱাখনা-মাজুলী সংযোগী পথত ভয়ংকৰ পথ দুৰ্ঘটনাঃ থিতাতে নিহত এজন যুৱক

**ই-সংবাদ, ঢকুৱাখনা, ১ মে':** ঢকুৱাখনা-মাজুলী সংযোগী পথৰ কেঁকুৰীত বুধবাৰে নিশা সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত এজন যুৱকে থিতাতে প্ৰাণ হেৰুৱায়। মৃত যুৱকজন কেঁকুৰীৰ মধুপুৰ গাঁৱৰ বিজু খনিকৰ বুলি চিনাক্ত কৰা হৈছে। শেষাংশ ২১ পৃষ্ঠাত



মহানগৰীত আকৌ ফুটিল পানীৰ পাইপ, এইবাৰ স্থান চানমাৰি, এই দৃশ্য বৃহস্পতিবাৰৰ সন্ধিয়াৰ

## ৰাইজে পাতি দিয়া তদৰ্থ সমিতিকে থান পৰিচালনাৰ দায়িত্ব

# আদালতত মুখ থেকেচা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ

**ই-সংবাদ, বেৰেজীয়া, ১ মে':** মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বৃহৎ ৰায়দান। পুনৰ ৰাইজে পাতি দিয়া তদৰ্থ থান পৰিচালনা সমিতিলৈ থান পৰিচালনাৰ দায়িত্ব অৰ্পণ। পুনৰ আদালতত বিতৰ্কিত বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে খালে মুখ থেকেচা। তথাপি ন্যায়ালয়ৰ নিৰ্দেশনাক অৱমাননা বিতৰ্কিত সমিতিখনৰ বিষয়ববীয়াৰ। ন্যায়ালয়ৰ নিৰ্দেশনাৰ পিছতো চমজাই দিয়া নাই তদৰ্থ সমিতিৰ শেষাংশ ২১ পৃষ্ঠাত

# চুঙাজানত বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ

**ই-সংবাদ, সৰুপথাৰ, ১ মে':** পঞ্চায়ত নিৰ্বাচনত আৰক্ষী-প্ৰশাসন সকলো ব্যস্ত থকাৰ সুবিধা লৈ ড্ৰাগছ সৰবৰাহত ব্যস্ত ড্ৰাগছ মাফিয়া। সৰুপথাৰ সম-জিলা অসম-নাগালেণ্ড সীমান্তৰ ১ নং চুঙাজানৰ নাওঘাটত আজি সন্ধিয়া শেষাংশ ২১ পৃষ্ঠাত

# পথ নিৰ্মাণক লৈ বিধায়ক ৰূপজ্যোতিৰ আভুৱা ভৰা ৰাজনীতি

## উদ্বোধনী ফলকতে সীমাবদ্ধ কোটিটকীয়া নিৰ্মাণ কাৰ্য

**ই-সংবাদ, মৰিয়নি, ১ মে':** যোৰহাট জিলাৰ মৰিয়নি সমষ্টিৰ অন্তৰ্গত জাঁজী হাঁহচৰাৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ঐতিহাসিক ধোদৰ আলি সংযোগী বৈছাহাবি পথ নিৰ্মাণৰ নামত ৰাইজক আঁভুৱা ভাৰিছে মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। এই অভিযোগ স্থানীয় ৰাইজৰ। বিধায়কগৰাকীয়ে ৬.৪৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পথটোৰ নিৰ্মাণৰ কাম শুভাৰম্ভ কৰা বুলি চলিত বৰ্ষৰ ৬ জানুৱাৰীত হাঁহচৰাৰ সমীপত কলপুলি পুতি ফলক আঁৰিছিল। কিন্তু ইয়াৰ পাঁচ মাহতো পথটোৰ নিৰ্মাণৰ কাম ২১ পৃষ্ঠাত

# নলবাৰীৰ ঘোগাত নিৰ্বাচনী সভাত জয়ন্ত মল্লবৰুৱা

**ই-সংবাদ, ১ মে':** অঞ্চল এটাত যেতিয়া সমস্যা থাকে, তেতিয়া সেই অঞ্চলটোক নেতৃত্ব দি ভাল লাগে। কাৰণ সমস্যাবিলাক সমাধান কৰাটোৱেই আমাৰ চৰকাৰৰ মূল দায়িত্ব।- এই মন্তব্য মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ। আজি নলবাৰীৰ ঘোগাত শেষাংশ ২৩ পৃষ্ঠাত

# জাগীৰোড-লাহৰীঘাটত পীযুষ হাজৰিকাৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, জাগীৰোড, ১ মে':** দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনলৈ মাজত মাত্ৰ আৰু কেইটামান দিন বাকী থকা অৱস্থাত শাসকীয় দল বিজেপি-মিত্ৰজোঁটে সমষ্টিয়ে সমষ্টিয়ে নিৰ্বাচনী প্ৰচাৰ তুংগত কৰি তোলা পৰিলক্ষিত হৈছে। বিজেপি দলৰ জ্যেষ্ঠ নেতা তথা মন্ত্ৰী পীযুষ শেষাংশ ২৭ পৃষ্ঠাত

# হেমাংগ ঠাকুৰীয়াৰ নিজ পঞ্চায়তৰ প্ৰাৰ্থীৰ মাজত সংঘাত

**ই-সংবাদ, মিৰ্জা, ১ মে':** পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে নিৰ্বাচনৰ প্ৰচাৰ তুংগত উঠা পৰিলক্ষিত হৈছে। পলাশবাৰী সমষ্টিৰ বিভিন্ন অঞ্চলত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক হেমাংগ ঠাকুৰীয়াই নিজ দলৰ প্ৰাৰ্থীৰ হৈ ব্যাপক প্ৰচাৰ চলাই থকা দেখা গৈছে। ইয়াৰ লগে লগে দলীয় একাংশ প্ৰাৰ্থীৰ মাজত আভ্যন্তৰীণ সংঘাতৰো সৃষ্টি কৰা খবৰ পোৱা গৈছে। কিন্তু লক্ষণীয় হৈ পৰিছে পলাশবাৰী সমষ্টিৰ বিজেপি দলৰ বিধায়ক হেমাংগ ঠাকুৰীয়াৰ নিজ গাঁৱৰ পঞ্চায়ত শেষাংশ ২২ পৃষ্ঠাত

# পাকিস্তানক সমৰ্থন সনাতনী মঞ্চৰ নেতাৰ

**উত্তৰ ২৪ পৰগণা, ১ মে':** পশ্চিমবংগৰ উত্তৰ ২৪ পৰগণাৰ বঙাইচিলত হিন্দুস্থান মুৰ্দাবাদ, পাকিস্তান জিন্দাবাদ লিখা আৰু পাকিস্তানৰ পতাকা লগোৱা দুই সনাতনী একতা মঞ্চৰ দুই নেতাক ২২ নং পৃষ্ঠাত

# কলগাছিয়াত টুলুঙা নাৱেৰে শিক্ষাৰ্থীৰ বিপদসংকুল যাত্ৰা

**ই-সংবাদ, কলগাছিয়া, ১ মে':** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত খাৰবাল্লী গাঁৱত দীৰ্ঘদিন ধৰি টুলুঙা নাৱেৰে স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ৰাইজে মৰণত শৰণ দি বিপদসংকুলভাৱে যাত্ৰা অব্যাহত ৰাখিছে। ফলত ভয়ংকৰ নাও দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকাত ভুগিছে ৰাইজে। স্থানীয় ৰাইজে চৰকাৰ তথা প্ৰশাসনৰ ওচৰত বেকী নৈৰ সুঁতিত এখন পকী দলং নিৰ্মাণৰ দাবী জনাইছে। উল্লেখযোগ্য যে বলাইপাথাৰ আৰু কাউৰজাহীৰ পৰা খাৰবাল্লীৰ মাজেৰে আমগুৰিলৈ বৈ যোৱা বেকী নৈৰ সুঁতিয়ে প্ৰায় দহ বছৰ ধৰি যোগাযোগ বিচ্ছিন্ন কৰাৰ ফলত খাৰবাল্লী মদন বজাৰ আৰু উত্তৰ খাৰবাল্লীৰ দুখন ২১ নং পৃষ্ঠাত

## মৰণত শৰণ দি বেকী নৈ পাৰ হয় ৰাইজ, শীঘ্ৰেই দলং নিৰ্মাণৰ দাবী স্থানীয় ৰাইজৰ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'অখিল পাগল'! বিৰোধীৰ মাজতে

ধেৰাত আজি কংগ্ৰেছে শক্তি প্ৰদান কৰে। ৰহা সমষ্টিত ২০২১ চনৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী শশীকান্ত দাস জয়ী হৈছিল যদিও বিজেপি চৰকাৰক সমৰ্থন কৰি কংগ্ৰেছৰ পৰা বহিষ্কাৰ হৈছে। তেনে সময়তে কংগ্ৰেছে সমষ্টিটো পুনৰ নিজৰ হাততে ৰাখিবলৈ এতিয়াৰ পৰা জোৰ দি আজি কেইবাহাজাৰ লোকৰ উপস্থিতিত বিশাল জনসভা অনুষ্ঠিত হয়। আজি ফুলগুৰি ধেৰাত অসম প্ৰদেশ কংগ্ৰেছৰ উদ্যোগত সংবিধান বচাও ৰেলী অনুষ্ঠিত হয়। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে আজি উত্তৰ অসমৰ ৰহাত কেইবা হাজাৰ কংগ্ৰেছ নেতা-কৰ্মী আৰু সমৰ্থকৰ উপস্থিতিত অনুষ্ঠিত হয় সংবিধান বচাও ৰেলী। বিজেপি চৰকাৰে দেশৰ আদিবাসী, দলিত, অনুসূচিত জাতি-জনজাতি, মহিলা, সংখ্যালঘুৰ অধিকাৰ হনন কৰাৰ অভিযোগ উত্থাপন কৰাৰ লগতে সংবিধান সলনি কৰিব খোজাৰ অভিযোগ আনে। কংগ্ৰেছে দেশৰ সংবিধান ৰক্ষা আৰু অনুসূচিত জাতি-জনজাতি, মহিলা, সংখ্যালঘুৰ অধিকাৰ হনন কৰিব নিদিয়াৰ সংকল্প লয়। সংবিধান বচাও ৰেলীত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক তথা অসম কংগ্ৰেছৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিঙে বিজেপিক তীব্ৰ আক্ৰমণ কৰে। জিতেন্দ্ৰ সিঙে কয় যে বিজেপিয়ে দেশৰ সংবিধান ধ্বংস কৰিব খুজিছে। বিজেপিয়ে তেওঁলোকৰ নিজা সংবিধান কাৰ্যকৰী কৰিব খোজে। হিমন্ত বিশ্ব শৰ্মা চৰকাৰে অসমত প্ৰতিগৰাকী শিশুৰ মূৰত এতিয়া ৫০ হাজাৰ টকাৰ ঋণ জাপি দিছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। অসমৰ মানুহৰ এক নিজস্ব চিন্তা, নিজস্ব বিচাৰ আছে। এই বিচাৰ ধ্বংস কৰিব খুজিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। বিজেপিয়ে সংৰক্ষণ ব্যৱস্থা ধ্বংস কৰিব বিচাৰিছে। ৰাজহুৱা খণ্ডক ব্যক্তিগত খণ্ডলৈ নি সংস্থাপন বিলুপ্ত কৰাৰ লগতে সংৰক্ষণ ব্যৱস্থা ধ্বংস কৰিব খোজাৰ গুৰুতৰ অভিযোগ আনে। আনহাতে সভাত ভাষণ প্ৰদান কৰি মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰে হিমন্ত বিশ্ব শৰ্মাই অসমৰ নাৰী সমাজক অপমান কৰাৰ গুৰুতৰ অভিযোগ আনি কয় যে এই অপমান অসমৰ নাৰী সমাজে সহ্য নকৰে। যেতিয়া কংগ্ৰেছ চৰকাৰ আহিব তেতিয়া ইয়াৰ বিচাৰ কৰা হ'ব। ইপিনে আজি আকৌ এবাৰ ভূপেন বৰাই ৰাইজৰ দলৰ সভাপতি অখিল গগৈক আক্ৰমণ কৰে। কংগ্ৰেছ সভাপতি ভূপেন বৰাই অখিল গগৈ পাগল হৈছে বুলি কটাক্ষ কৰে। এদিন পূৰ্বে অখিল গগৈয়ে ভূপেন বৰাই ক'ৰ পৰা নতুন গাড়ী কিনিলে বুলি প্ৰশ্ন কৰিছিল। অখিল গগৈয়ে গাড়ী ক'ৰ পৰা কিনিলে বুলি কৰা প্ৰশ্নৰ আজি উত্তৰ দি ভূপেন বৰাই অখিল গগৈক পাগল আখ্যা দিয়ে। ভূপেন বৰাই কয় যে মই যোৱা ৫-৬ বছৰে গাড়ীয়ে কিনা নাই। কাৰণ অহা বছৰ মই চৰকাৰী গাড়ী চলাম, চাই থাকিব আপোনালোকে। বিৰোধীৰ ভোট বিভাজন কৰি বিজেপিক সহায় কৰিবলৈ একাংশ লোক সাজু বুলি ইংগিত দি সভাপতি ভূপেন বৰাই কয় যে যিদৰে শিল ভাঙিবলৈ ষ্টোন ক্ৰেচাৰ আছে, তেনেদৰে ভোট ভাঙিবলৈ এতিয়া ভোট ক্ৰেচাৰ ওলাইছে। কংগ্ৰেছৰ ভোট ভাঙি বিজেপিয়ে ৰাস্তা বনাব। ইপিনে অখিল গগৈয়ে ভূপেন বৰাৰ সভাত ৯৭ টা মানুহ অহা বুলি কৰা মন্তব্যক উভতি ধৰে ভূপেন বৰাই কয় যে আমি ৯৭ টা, এনেধৰণৰ শব্দ ব্যৱহাৰ নকৰো। সেইবোৰ অখিল গগৈৰ ভাষ্য। আমি ৯৭ জন বুলি কওঁ। মোৰ সভাত ৭ জন মানুহো আহিব পাৰে। আধা বন্ধুত্ব আধা শত্ৰুতা নহ'ব। টিভি অন থাকিলে দোস্তী, অফ থাকিলে দুচমনি সেইবোৰ আমাৰ লগত নহ'ব। বৰছলাত পঞ্চায়তৰ নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰীয়ে অসম লোকসেৱা আয়োগৰ চাকৰি কেলেংকাৰীৰ তদন্তৰ প্ৰতিবেদনৰ দোহাই দি কংগ্ৰেছ চৰকাৰৰ দিনত অসমৰ বোৱাৰী-ছোৱালীয়ে চাকৰিৰ বাবে সতীত্ব হৰণ হেৰুৱাবলগীয়া বুলি কৈ কংগ্ৰেছক আক্ৰমণ কৰিছিল। তাৰ পিছকে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে সৰৱ হৈ আছে ভূপেন বৰাই। ভূপেন বৰাই আজি কয় যে হিমন্ত বিশ্ব শৰ্মাই অসমৰ মহিলাৰ মৰ্যাদা হ্ৰাস কৰিছে। শৰ্মাৰ মন্তব্যক গৰিহণা দি কয় যে এনে মন্তব্যই কেৱল হাজাৰ হাজাৰ পৰিশ্ৰমী মহিলাক অপমান কৰাই নহয়, তেওঁলোকৰ কৃতিত্ব আৰু সততাৰ ওপৰতো সন্দেহৰ ছাঁ পেলাইছে। হিমন্ত বিশ্ব শৰ্মাই সেই সময়ছোৱাত নিজে মন্ত্ৰী পদত অধিষ্ঠিত আছিল। তেতিয়া তেওঁ এনে কাৰ্য দেখি ধৃতৰাষ্ট্ৰৰ চৰিত্ৰত অভিনয় কৰিছিল নেকি? ১৫ বছৰে কংগ্ৰেছ চৰকাৰৰ দিনত চাকৰি লোৱা মহিলাই নিজৰ সতীত্ব বচাব পৰা নাছিলে। বিপ্লৱ শৰ্মাই তেনেকুৱা কথা কৈছে নেকি? হিমন্ত বিশ্ব শৰ্মাই অসমীয়া নাৰী সত্তাৰ প্ৰতি ভাবুকি আনিছে। মহাবিদ্যালয়, বিশ্ববিদ্যালয়, টেটৰ শিক্ষক, অংগনৱাড়ী কৰ্মী, আশা কৰ্মী, নাৰ্ছসহ আমাৰ দিনত হাজাৰ হাজাৰ মহিলাক চাকৰি দিয়া হৈছে। ইয়াৰ মাজতে হিমন্ত বিশ্ব শৰ্মাই ১৫ বছৰ মন্ত্ৰী আছিল। তেওঁ ধৃতৰাষ্ট্ৰৰ ভূমিকাত আছিল নেকি? তেওঁ যিবিলাকক চাকৰি দিছিল সেইবিলাকৰ ফটো আছে। সেই মহিলাখিনিক আজি সন্দেহ আৰু অবিশ্বাসৰ আৱৰ্তলৈ ঠেলি দিছেনে নাই। এই কথা বিপ্লৱ কুমাৰ শৰ্মাই এই কথা কোৱা নাই। এই কথা হিমন্ত বিশ্ব শৰ্মাই কৈছে। হিমন্ত বিশ্ব শৰ্মাই অসমৰ মহিলাৰ শালীনতা হানি কৰিছে। ইয়াৰ প্ৰতিফলন তেওঁ দেখিবলৈ পাব। নাৰীৰ প্ৰতি অপমান সেয়া দুৰ্যোধনে কৰিছিল। ৰাৱণে কৰিছিল। ল'ৰাৰজাই কৰিছিল। চাৰি নম্বৰত নাৰীক অপমান কৰিছিল হিমন্ত বিশ্ব শৰ্মাই। তাৰ প্ৰতিফল ভুগিব লাগিব হিমন্ত বিশ্ব শৰ্মাই। সভাত লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈ, সাংসদ প্ৰদ্যুৎ বৰদলৈ, ৰকিবুল হুছেইন, নিখিল ভাৰত কংগ্ৰেছৰ সম্পাদক বিকাশ উপাধ্যায়, মনোজ চৌহান, প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ, বিধায়ক নুৰুল হুদা, শিৰামণি বৰা, অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা, ৰাতুল কলিতা, উৎপল বণিয়া আদি নেতা উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাকিস্তানলৈ পলায়ন কৰা নাই

সন্ত্ৰাসবাদী। এই দাবী কৰিছে ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা নিয়াই। সৰ্বভাৰতীয় সংবাদ মাধ্যমত প্ৰকাশিত এক প্ৰতিবেদন অনুসৰি, সন্ত্ৰাসবাদী সকল এতিয়াও পাকিস্তানলৈ পলায়ন কৰা নাই। তদন্তকাৰীৰ মতে, আক্ৰমণকাৰীসকল এতিয়াও কাশ্মীৰৰ গভীৰ অৰণ্যত আত্মগোপন কৰি আছে আৰু এই সময়ত সন্ত্ৰাসবাদীসকলৰ লগত আছে ৰেচন-পানীও। উল্লেখ্য যে, ২২ এপ্ৰিলত বৈছাৰণ মেড'ত সংঘটিত ভয়ানক আক্ৰমণত ২৬জন নিৰীহ লোক নিহত হৈছিল। চোৰাংচোৱা তথ্য অনুসৰি এই ঘটনাৰ লগত জড়িত চাৰিজন উগ্ৰবাদীৰ ভিতৰত দুজন পাকিস্তানী আৰু দুজন কাশ্মীৰৰ বাসিন্দা। ইতিমধ্যে নিৰাপত্তা বাহিনীয়ে অভিযুক্তৰ স্কেচ্চ প্ৰকাশ কৰিছে। আদিল নামৰ এজন উগ্ৰবাদীৰ নামো এই আক্ৰমণৰ মাষ্টাৰমাইণ্ড ৰূপে প্ৰকাশ পাইছে। তদন্তকাৰীৰ মতে, পাকিস্তানী সন্ত্ৰাসবাদীক আক্ৰমণস্থলীলৈ লৈ গৈছিল আদিলে। নিয়াৰ সূত্ৰ অনুসৰি এই চাৰি উগ্ৰবাদী বৰ্তমান দক্ষিণ কাশ্মীৰৰ গভীৰ অৰণ্যত কোনো বাহ্যিক সহায় অবিহনে আত্মগোপন কৰি আছে। আনহাতে, যদিও অঞ্চলটোত আন কেইবাজনো উগ্ৰবাদী আছে, তথাপিও তেওঁলোকে মূল আক্ৰমণকাৰীৰ পৰা দূৰত্ব বজাই ৰাখিছে। তদন্তকাৰী সংস্থাটোৰ মতে, এই উপস্থিতি মূলতঃ আক্ৰমণকাৰীৰ বাবে কভাৰ ফায়াৰ প্ৰদানৰ বাবে আছিল। লক্ষ্যণীয়ভাৱে, ঘটনাৰ ইমান দিনৰ পাছতো মূল অভিযুক্তৰ সন্ধান উলিয়াব নোৱাৰাৰ বাবে তদন্তকাৰী সংস্থা আৰু চৰকাৰৰ ওপৰত একাধিক প্ৰশ্নৰ উত্থাপন হৈছে। উগ্ৰবাদীয়ে কেনেকৈ আক্ৰমণ সংঘটিত কৰিলে, কেনেকৈ পলায়ন কৰিলে, ইজনে সিজনৰ লগত যোগাযোগ কৰিবলৈ কি গোপন প্ৰযুক্তি ব্যৱহাৰ কৰিছিল সেয়া এতিয়া তদন্তৰ মূল বিষয়। স্থানীয় সহযোগিতা আছিল নে নাই তাৰো তদন্ত চলি আছে। ইয়াৰ পূৰ্বে সন্ত্ৰাসবাদীয়ে সীমান্ত পাৰ হৈ পাকিস্তানত প্ৰৱেশ কৰা বুলি ধাৰণা কৰা হৈছিল যদিও নিয়াৰ প্ৰতিবেদনত এই কথা খণ্ডন কৰা হৈছে। আনহাতে, ইতিমধ্যে এই ঘটনা সন্দৰ্ভত কেন্দ্ৰই দৃঢ় স্থিতি গ্ৰহণ কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আমেৰিকাৰ প্ৰতিৰক্ষা সচিবক কয় যে পাকিস্তানে সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰিছে আৰু তেওঁলোকক উপযুক্ত উত্তৰ দিয়া হ'ব। অৱশ্যে এই আত্মগোপন কৰি থকা উগ্ৰপন্থীসকলক চিনাক্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰাটোৰেই এতিয়া চৰকাৰৰ মূল লক্ষ্য। অঞ্চলটোত সামৰিক-অৰ্ধসামৰিক অনুসন্ধান আৰু চোৰাংচোৱাগিৰি বৃদ্ধি কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আদালতে ধমক দিলে বাবা

তীৰস্কাৰৰ সন্মুখীন হ’ল যোগগুৰু বাবা ৰামদেৱ। উচ্চ ন্যায়ালয়ে এই গোচৰত ৰামদেৱক সোশৰীৰে আদালতত হাজিৰ হ’বলৈ নিৰ্দেশ প্ৰদান কৰিছে।ইয়াৰ লগতে আদালতে তেওঁৰ বিৰুদ্ধে অৱমাননা জাননী জাৰি কৰাৰ কথাও ঘোষণা কৰে। উল্লেখ্য যে, ইয়াৰ পূৰ্বেও আদালতে ৰামদেৱক নিজে উপস্থিত হ’বলৈ নিৰ্দেশ দিছিল যদিও আজি শুনানিৰ সময়ত আদালতত হাজিৰ নহ’ল বাবা ৰামদেৱ। তেওঁৰ অনুপস্থিতিক লৈ ক্ষোভ প্ৰকাশ কৰে ন্যায়াধীশ অমিত বংশালৰ বিভাগীয় বিচাৰপীঠে। ৰুহ আফজাৰ নিৰ্মাতা হামদাৰ্ডে দাখিল কৰা গোচৰৰ শুনানি গ্ৰহণ কৰি আদালতে কয় যে এই মন্তব্যই আদালতৰ বিবেকক জোকাৰি গৈছে। এনে মন্তব্য সম্পূৰ্ণ গ্ৰহণযোগ্য নহয়। ন্যায়াধীশৰ মন্তব্য অনুসৰি এনে মন্তব্য কেৱল অগ্ৰাহ্যই নহয়, সমাজত বিভাজনৰো সৃষ্টি কৰে। মূলতঃ ৩ এপ্ৰিলত বাবা ৰামদেৱৰ এটা ভিডিঅ’ ভাইৰেল হৈছিল, য’ত তেওঁ হামদাৰ্দৰ ৰুহ আফজাক তেওঁৰ কোম্পানী পতঞ্জলিৰ গোলাপ চৰবটৰ প্ৰচাৰৰ মাজলৈ টানি আনি কয় যে কোম্পানীয়ে মছজিদ আৰু মাদ্ৰাছা নিৰ্মাণৰ বাবে ধন যোগান ধৰে। ইয়াৰ পিছত তেওঁ ৰুহ আফজাক ‘চৰবট জেহাদ’, ‘লাভ জেহাদ’, আৰু ‘ভোট জেহাদ’ৰ সৈতে তুলনা কৰে। ইয়াৰ বিপৰীতে তেওঁ কয় যে পতঞ্জলিৰ চৰবট আচাৰ্যকুলম। এই মন্তব্যৰ পিছতে হামডাৰ্দে ৰামদেৱৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰে। ইয়াৰ পিছত আদালতে বাবা ৰামদেৱক ভৱিষ্যতে হামডাৰ্দৰ বিৰুদ্ধে আৰু কোনো আপত্তিজনক বক্তব্য, বিজ্ঞাপন বা ছ’চিয়েল মিডিয়াত পোষ্ট নকৰিবলৈ নিৰ্দেশ দিয়ে। সেই আদেশ মানি চলাৰ প্ৰতিশ্ৰুতি দি শপতনামা দাখিল কৰিবলৈও কোৱা হৈছিল। ইয়াৰ বাবে এসপ্তাহৰ সময় দিয়া হৈছিল। এই গোচৰৰ পৰৱৰ্তী শুনানি ১ মে’ নিৰ্ধাৰণ কৰা হৈছিল। কিন্তু আজিও তেওঁ আদালতত হাজিৰ নহ’ল। ফলত আদালতে তেওঁৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰি ব্যক্তিগতভাৱে আদালতত হাজিৰ হ’বলৈ নিৰ্দেশ দিয়ে। এই ঘটনাৰ পিছত উচ্চ ন্যায়ালয়ে স্পষ্টকৈ উল্লেখ কৰে যে সাম্প্ৰদায়িক বা ঘৃণনীয় মন্তব্য কোনো ধৰণে সহ্য কৰা নহ’ব। ব্যৱসায়িক উদ্দেশ্যত ধৰ্মৰ অপব্যৱহাৰৰ ফলত কঠোৰ আইনী ব্যৱস্থা লোৱা হ’ব বুলিও আদালতে কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শ্ৰেয় বিচাৰি পোষ্টাৰ মুকলি

ৰাজনৈতিক শ্ৰেয় লোৱাৰ বাবে বিৰোধীৰ মাজত আৰম্ভ হৈছে তীব্ৰ যুঁজ। কংগ্ৰেছ, জেডিইউ, আৰজেডিকে ধৰি কেইবাটাও বিৰোধী দলে এই বিষয়টোক ‘নিজৰ সংগ্ৰামৰ ফল’ হিচাপে দাঙি ধৰিবলৈ চেষ্টা কৰি আৰম্ভ কৰিছে ৰাজনৈতিক কুচকাৱাজ। পোষ্টাৰ যুদ্ধত এই মুহূৰ্তত উত্তাল হৈ পৰিছে দিল্লীৰ পৰা পাটনালৈকে ৰাজনীতি। দিল্লীত কংগ্ৰেছে এখন বৃহৎ পোষ্টাৰ প্ৰকাশ কৰি জাতিগত জনগণনাৰ বাবে কৃতিত্ব লোৱাৰ প্ৰয়াস কৰিছে। কংগ্ৰেছৰ সেই পোষ্টাৰখনত লিখা আছে- 'দুনীয় ঝুকতি হ্যে, বছ এক ঝুকানেৱালা চাহিয়ে।' এই পোষ্টাৰ প্ৰকাশ কৰি কংগ্ৰেছে পৰোক্ষভাৱে এই দাবীকেই কৰিছে যে তেওঁলোকৰ হেঁচাতেই কেন্দ্ৰই জাতিগত জনগণনাৰ দৰে সিদ্ধান্ত ল’বলৈ বাধ্য হৈছে। দলটোৱে কয় যে তেওঁলোকে দীৰ্ঘদিন ধৰি সামাজিক ন্যায়ৰ যুঁজত নেতৃত্ব দি আহিছে আৰু এই যুঁজত তেওঁলোকৰ ভূমিকা আটাইতকৈ গুৰুত্বপূৰ্ণ। আনহাতে বিহাৰতো ৰাজনৈতিক পোষ্টাৰ যুদ্ধই শিখৰত উপনীত হৈছে। মহামিত্ৰজোঁটৰ নেতা লালু প্ৰসাদ যাদৱ আৰু তেজস্বী যাদৱৰ নেতৃত্বত চলি থকা দীৰ্ঘদিনীয়া আন্দোলনৰ বাবে জাতিগত লোকপিয়লৰ কৃতিত্ব দি পাটনাৰ কেইবাটাও ছেক্সনত আৰজেডিয়ে কেইবাখনো পোষ্টাৰ লগাইছে। পোষ্টাৰসমূহত লিখা আছে, "কেন্দ্ৰীয় চৰকাৰে জাতিগত জনগণনা কৰাৰ সিদ্ধান্ত লৈছে, যিটো লালু প্ৰসাদ আৰু তেজস্বীকে ধৰি মহামিত্ৰজোঁটৰ সকলো নেতাৰ সংগ্ৰামৰ বিজয়। কৃতিত্ব লাভৰ এই যুঁজৰ পৰা বাদ নপৰিল বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ দল জে ডি ইউও। পাটনাৰ বিভিন্ন এলেকাত জেডিইউয়ে লগোৱা পোষ্টাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ ছবি সন্নিবিষ্ট কৰা হৈছে। পোষ্টাৰখনত লিখা আছে, "নিতীশ কুমাৰে দেখুৱাইছে যে দেশে এতিয়া মানি লৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কৃপাত। বিহাৰৰ পৰা আৰম্ভ কৰি এতিয়া সমগ্ৰ দেশৰ হিচাপ হ’ব, সকলোৰে বাবে নীতি নিৰ্ধাৰণ কৰা হ’ব। জাতিগত জনগণনাৰ ঐতিহাসিক সিদ্ধান্ত।" কেৱল ৰাজনৈতিক যুঁজ নহয়, এই পোষ্টাৰ যুদ্ধৰ জৰিয়তে বিভিন্ন দলে আগন্তুক লোকসভা নিৰ্বাচনৰ আগত জাতিবাদ আৰু সামাজিক ন্যায়ৰ বিষয়টোত নিজৰ স্থিতি সুদৃঢ় কৰাৰ চেষ্টা চলাইছে। এতিয়া দলসমূহত ক্ৰেডিট লোৱাৰ প্ৰতিযোগিতা আৰম্ভ হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডেডলাইন কেতিয়া? মোদীক প্ৰশ্ন ৰাহুল

সংবাদমেলত কংগ্ৰেছৰ মুখপাত্ৰ জয়ৰাম ৰমেশে মোদীক 'হেডলাইন মেকাৰ’ বুলি কটাক্ষ কৰি কয়, ‘৬ বছৰ ধৰি লোকপিয়ল স্থগিত ৰখা হৈছে, কিন্তু এতিয়া মোদী চৰকাৰে কেৱল নিৰ্বাচনৰ প্ৰাক্কক্ষণত লোকপিয়লৰ ঘোষণা কৰি জনমতক বিপথে পৰিচালিত কৰিবলৈ চেষ্টা কৰিছে।’ একে সময়তে কেন্দ্ৰীয় চৰকাৰৰ এই 'আকস্মিক সিদ্ধান্ত’ক আদৰণি জনায় যদিও ৰাহুল গান্ধীয়ে সন্দেহৰ শানিত ভাষাৰে এই প্ৰশ্ন উত্থাপন কৰে যে জাতিগত জনগণনা কেতিয়া কাৰ্যকৰী কৰা হ’ব। তেওঁ কয়, "১১ বছৰ ধৰি ইয়াৰ বিৰোধিতা কৰাৰ পিছত এতিয়া এটা সিদ্ধান্ত লোৱা হৈছে, কিন্তু ইয়াৰ কাৰ্যকৰীকৰণ কেতিয়া? মহিলা সংৰক্ষণ বিধেয়কৰ দৰেই ইয়াৰো অৱস্থা একে নহয়তো?" তেওঁ লগতে এই দাবীও কৰে যে কংগ্ৰেছে অহৰহ প্ৰদান কৰি অহা হেঁচাৰ বাবেই মোদী চৰকাৰে জাতিগত জনগণনা কৰিবলৈ সন্মত হৈছে। ৰাহুলে কয়, "কংগ্ৰেছে শীঘ্ৰে জাতিগত জনগণনা সম্পন্ন কৰাৰ লগতে সংবিধান সংশোধন কৰি ৫০ শতাংশ সংৰক্ষণৰ উৰ্ধসীমা উঠাই লোৱাৰ দাবী জনাই আহিছে।” ইফালে সংবাদমেলত জয়ৰাম ৰমেশে কয়, "যদিও ডিচেম্বৰ ২০১৯ৰ কেবিনেট বৈঠকত লোকপিয়লৰ বাবে ৮২৫৪ কোটি টকাৰ আবন্টনৰ কথা উল্লেখ কৰা হৈছিল, তথাপিও জাতিগত জনগণনাৰ কোনো উল্লেখ নাছিল। ২০২১ চনত লোকপিয়ল হব লাগিছিল যদিও তেতিয়া নকৰি তেওঁলোকে এতিয়াহে ঘোষণা কৰিছে। ২০২৫-২৬ চনত লোকপিয়লৰ বাবে মাত্ৰ ৫৭৫ কোটি টকাহে আবন্টন দিয়া হৈছে। বাজেটত আবন্টন দিয়া এই ধন জাতিগত জনগণনাৰ বাবে ব্যৱহাৰ কৰা হ’বনে, নে এয়াও কেৱল ভোটমুখী শিৰোনাম?" তেওঁ আৰু কয়, "এসময়ত জাতিগত জনগণনাৰ দাবীক মোদীয়ে নিজেই 'আৰ্বান নক্সাল'ৰ দাবী অভিহিত কৰিছিল। গতিকে আজি তেওঁ নিজেই 'আৰ্বান নক্সাল' হৈ পৰিল নেকি? অমিত শ্বাহো এতিয়া তেনেকুৱাই নেকি?" প্ৰসংগক্ৰমে বুধবাৰে কেন্দ্ৰই ঘোষণা কৰে যে স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ বাবে জনগোষ্ঠীয় তথ্যকে ধৰি সম্পূৰ্ণ লোকপিয়ল কৰা হ’ব।চৰকাৰে ৰোডমেপ, সময়সীমা, কাৰ্যকৰীকৰণৰ কোনো স্পষ্ট ব্যাখ্যা দিয়া নাই। মন্ত্ৰী অশ্বিনী বৈষ্ণৱে অভিযোগ কৰিছে যে কিছুমান ৰাজ্যই এই জাতিগত জৰীপ “অস্বচ্ছ পদ্ধতিৰে” কৰি সমাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। ইতিমধ্যে বিহাৰ, কৰ্ণাটক, তেলেংগানাৰ দৰে ৰাজ্যত নিজ নিজ ৰাজ্য চৰকাৰে জনগোষ্ঠীয় সমীক্ষা চলাইছে। চৰকাৰে জাতিগত জনগণনা কৰিব বিচৰা বুলি ঘোষণা কৰাটো এতিয়া নিৰ্বাচনৰ পূৰ্বে বিৰোধীৰ বাবে ৰাজনৈতিক অস্ত্ৰৰূপে পৰিগণিত হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এটিএমত সোমাওতেও এতিয়া কৰিব

আজিৰে পৰাই ৰিজাৰ্ভ বেংকে বৃদ্ধি কৰিলে এটিএমৰ পৰা ধন উলিওৱাৰ সময়ত প্ৰযোজ্য হোৱা অতিৰিক্ত চাৰ্জও। ভাৰতীয় ৰিজাৰ্ভ বেংকে শুকুৰবাৰে জনোৱা মতে, ২০২৫ চনৰ ১ মে'ৰ পৰা এটিএমৰ পৰা প্ৰতিটো নগদ ধনৰ লেনদেনত সৰ্বোচ্চ ২৩ টকা পৰ্যন্ত চাৰ্জ আৰোপ কৰিব পাৰিব বেংকসমূহে। অৱশ্যে সামান্য সকাহৰ কথাটো হ'ল- মাহিলী বিনামূলীয়া লেনদেনৰ সীমা অতিক্ৰম কৰাৰ পিছতহে গ্ৰাহকে ভৰিব লাগিব এই অতিৰিক্ত চাৰ্জ। উল্লেখ্য যে, বৰ্তমান বেংকৰ গ্ৰাহকে নিজৰ বেংকৰ এটিএমৰ পৰা প্ৰতিমাহে মুঠ ৫টা বিনামূলীয়া লেনদেন কৰিব পাৰে। এই লেনদেনত আৰ্থিক আৰু অবিত্তীয় দুয়োটা লেনদেন অন্তৰ্ভুক্ত। আন বেংকৰ এটিএম ব্যৱহাৰ কৰাৰ সময়তো কেইটামান লেনদেন বিনামূলীয়া হৈ থাকে, যেনে মেট্ৰ' চহৰত ৩টা আৰু নন-মেট্ৰ এলেকাত ৫টা বিনামূলীয়া লেনদেন লাভ কৰে গ্ৰাহকে। নতুন নিয়ম অনুসৰি এই সীমা অতিক্ৰম কৰিলে ২৩ টকা পৰ্যন্ত অতিৰিক্ত চাৰ্জ প্ৰযোজ্য হ'ব। মন কৰিবলগীয়া যে, ২০২২ চনৰ ১ জানুৱাৰীৰ পৰা এই চাৰ্জ আছিল ২১ টকা। এতিয়া ২ টকা বৃদ্ধি কৰি ২৩ টকা কৰা হৈছে। ৰিজাৰ্ভ বেংকে কয় যে এই নিৰ্দেশনা নগদ ধন জমাৰ উপৰিও কেচ ৰিচাইক্লাৰ মেচিনৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব। অৰ্থাৎ নগদ ধন উলিওৱা বা বেলেঞ্চ চেক আদি লেনদেনৰ ক্ষেত্ৰত এই চাৰ্জ প্ৰযোজ্য হ'ব। ইয়াৰ উপৰিও এতিয়া নিজ নিজ এটিএম নেটৱৰ্কক এটিএম আদান-প্ৰদানৰ মাচুল নিৰ্ধাৰণৰ দায়িত্ব দিয়া হৈছে। ইয়াৰ পূৰ্বে ২০২১ চনত আৰবিআইয়ে বিত্তীয় লেনদেনৰ বাবে ১৭ টকা আৰু অবিত্তীয় লেনদেনৰ বাবে ৬ টকা আদান-প্ৰদান মাচুল নিৰ্ধাৰণ কৰিছিল। মন কৰিবলগীয়া যে, শেহতীয়াকৈ কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে লোকসভাত অৱগত কৰিছিল যে, এটিএমৰ নগদ ধন উলিওৱাৰ সেৱাৰ বাবে বেছিভাগ ৰাজহুৱা খণ্ডৰ বেংক লোকচানৰ সন্মুখীন হৈছে। কেন্দ্ৰীয় চৰকাৰৰ সেই মন্তব্যৰ ঠিক পিছতে এতিয়া গ্ৰাহকৰ ওপৰত অতিৰিক্ত চাৰ্জৰ নামত পুনৰ শোধোৱা হ'ল এই ৰাম টাঙোন। ইয়াকে লৈ দেখা গৈছে প্ৰতিক্ৰিয়া।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ নামেৰে

বড়ো জনগোষ্ঠীৰ জনক হিচাপে পৰিচিত বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ৩৫তম মৃত্যুবাৰ্ষিকী। দিল্লীত এই উপলক্ষে বড়োফাৰ নামত এটা পথৰ নামকৰণ কৰাৰ লগতে কৈলাশ কলনীৰ ঘূৰণীয়া পথত তেওঁৰ এক প্ৰতিমূৰ্তিও উন্মোচন কৰা হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুখ্য অতিথি হিচাপে উপস্থিত থাকি এই ঐতিহাসিক অনুষ্ঠানত অংশ লয়। মন কৰিবলগীয়া যে, পূৰ্বে লালা লাজপত ৰায় পথৰ অংশ ৮৩৫ মিটাৰ দৈৰ্ঘ্যৰ এই পথছোৱা এতিয়া বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ নামেৰে নামকৰণ কৰা হৈছে। এই অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা, বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, বড়োলেণ্ডৰ কল্যাণ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম, এবছুৰ সভাপতি দীপেন বড়ো আৰু কেইবাজনো ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে, বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মই এনে এখন সমাজৰ সপোন দেখিছিল, য'ত পৰিচয় আৰু সততাৰ মিলন ঘটিছিল। তেওঁৰ উত্তৰাধিকাৰক দিল্লীত সন্মান জনোৱাটো বড়ো জনগোষ্ঠীৰ প্ৰতি তেওঁৰ অৱদানৰ স্বীকৃতি। তেওঁ লগতে কয়, এই পথ আৰু প্ৰতিমূৰ্তি কেৱল বড়োলেণ্ডৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নহয়, সমগ্ৰ দেশৰ সকলো সম্প্ৰদায়ৰ প্ৰতি সন্মানৰ প্ৰতীক। ইফালে, আজি কোকৰাঝাৰতো ৰাজ্যিক পৰ্যায়েৰে পালন কৰা হয় বড়োফাৰ ৩৫তম মৃত্যুবাৰ্ষিকী। দোতমাৰ থুলুংগাপুৰীত, অৰ্থাৎ বড়োফাৰ সমাধিস্থলত, এবছু, উপেন্দ্ৰনাথ ব্ৰহ্ম ট্ৰাষ্ট আৰু অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ সহযোগত এই কাৰ্যসূচী আয়োজন কৰা হয়। ৰাতিপুৱা এবছুৰ সহকাৰী শিক্ষা সম্পাদক ৰোমিঅ' কে বসুমতাৰীয়ে সংগঠনৰ পতাকা অৰ্ধনমিত কৰি বড়োফালৈ পুষ্পাঞ্জলী অৰ্পণ কৰে। ৰাজ্যৰ কেবিনেট মন্ত্ৰী নন্দিতা গৰ্লোছা, অতিৰিক্ত মুখ্য সচিব ড০ কল্যাণ চক্ৰৱৰ্তী, বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী গোবিন্দ বসুমতাৰী, বিটিচিৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্ম, ধনঞ্জয় বসুমতাৰী আৰু ইউএন একাডেমীৰ সঞ্চালক কৃষ্ণগোপাল বসুমতাৰীয়ে কাৰ্যসূচীত অংশ লৈ বড়োফালৈ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰে। বহু ছাত্ৰ-ছাত্ৰী, স্থানীয় বুদ্ধিজীৱী আৰু ৰাইজে থুলুংগাপুৰীত অনুষ্ঠিত এই অনুষ্ঠানত অংশগ্ৰহণ কৰি বড়োফাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। মন্ত্ৰী নন্দিতা গৰ্লোছাই এই দিনটোক ঐতিহাসিক বুলি অভিহিত কৰি কয় যে, বৰ্তমান চৰকাৰে বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মক ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি প্ৰদান কৰিছে। প্ৰথমবাৰৰ বাবে দোতমাত ৰাজ্যিক পৰ্যায়ত তেওঁৰ মৃত্যুবাৰ্ষিকী পালনৰ সুযোগ পাই তেওঁ নিজকে সৌভাগ্যৱান বুলি মন্তব্য কৰে। ইফালে, বিটিচি প্ৰশাসনৰ উদ্যোগতো কোকৰাঝাৰত বড়োফাৰ মৃত্যুবাৰ্ষিকী পালন কৰা হয়। বিটিচি সচিবালয়ৰ সন্মুখত থকা বড়োফাৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলী অৰ্পণ কৰা হয়। দিল্লীৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, বড়ো সম্প্ৰদায় অসমৰ বৈচিত্ৰময় সংস্কৃতিৰ অবিচ্ছেদ্য অংশ। বড়োফাৰ মূল্যবোধে আমাক পথ দেখুৱাইছে আৰু তেওঁৰ নেতৃত্বই যুৱ সমাজক শান্তিপূৰ্ণভাৱে পৰিৱৰ্তনৰ পথত আগবাঢ়িবলৈ উৎসাহিত কৰিছে। এই অনুষ্ঠান অসমৰ বাবে, বিশেষকৈ বড়োফাৰ আজীৱন সংগ্ৰামৰ বাবে এক গৌৰৱৰ মুহূৰ্ত। এবছুৰ সভাপতি দীপেন বড়োৱে কয়, এই ঐতিহাসিক মুহূৰ্ত চৰকাৰৰ মৰম আৰু সমৰ্থনৰ ফল। বড়োফাৰ শিক্ষা, ন্যায়পৰায়ণতা আৰু অহিংসাৰ বাৰ্তাই আমাক অনুপ্ৰাণিত কৰি আহিছে। এই শ্ৰদ্ধাঞ্জলি সম্ভৱ কৰা সকলোকে আমি ধন্যবাদ জনাইছো।

# তিনিচুকীয়াৰ ১,০৭৮ কেন্দ্ৰত হাজিৰ নিৰ্বাচনী বিষয়া-কৰ্মচাৰী

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১ মে' :** চলিত পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত কাইলৈ তিনিচুকীয়া জিলাতো অনুষ্ঠিত হ'ব পঞ্চায়ত নিৰ্বাচন। জিলাখনৰ মুঠ ১০৭৮ টা ভোটগ্ৰহণ কেন্দ্ৰত অনুষ্ঠিত হবলগীয়া এই নিৰ্বাচনৰ বাবে আজি ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰীৰ দল গৈ উপস্থিত হৈছে। আজি পুৱা তিনিচুকীয়া, মাকুম আৰু ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত ৪৫১ টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে তিনিচুকীয়া চহৰৰ সৰ্বানন্দ সিংহ ষ্টেডিয়াম চৌহদত স্থাপন কৰা ষ্ট্ৰংৰূমৰ পৰা, মাৰ্ঘেৰিটা সম-জিলাৰ অন্তৰ্গত ১৭৯ টা কেন্দ্ৰৰ বাবে মাৰ্ঘেৰিটা সম-জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদৰ পৰা, ডুমডুমা সম-জিলাৰ অন্তৰ্গত ১৭৩ টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ডুমডুমা মহাবিদ্যালয়ৰ চৌহদৰ পৰা আৰু শদিয়া সম-জিলাৰ অন্তৰ্গত ২৭৫ টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে শদিয়া সম-জিলা আয়ুক্ত কাৰ্যালয় চৌহদৰ পৰা বিষয়া-কৰ্মচাৰীৰ দল ৰাওনা হয়। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে এজন প্ৰিজাইডিং বিষয়া আৰু ৩ জনকৈ প'লিং বিষয়া নিযুক্তি দিয়া হৈছে। তেওঁলোকৰ উপৰি প্ৰতিটো কেন্দ্ৰৰ বাবে এজন বা ততোধিক নিৰাপত্তাৰক্ষীও নিয়োজিত কৰা হৈছে। কেন্দ্ৰসমূহৰ বাহিৰতো যথেষ্টসংখ্যক সশস্ত্ৰ নিৰাপত্তাৰক্ষী মোতায়েন কৰা হ'ব। কেন্দ্ৰসমূহৰ স্থিতিৰ ওপৰত নিৰ্ভৰ কৰি নিৰাপত্তাৰক্ষীৰ সংখ্যা কম-বেছি হ'ব পাৰে। এইবেলি জিলাখনৰ মুঠ প্ৰায় ৮.৩১ লাখ ভোটাৰে জিলা পৰিষদৰ ২২ টা সমষ্টিৰ বাবে অৱতীৰ্ণ হোৱা ৬৬ জন প্ৰাৰ্থী, আঞ্চলিক পঞ্চায়তৰ ৮৬ খন আসনৰ বাবে অৱতীৰ্ণ হোৱা ২০০ জন প্ৰাৰ্থী আৰু ৮৬০ টা গাঁও পঞ্চায়ত ৱাৰ্ডৰ বাবে অৱতীৰ্ণ হোৱা ২০৯২ জন প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। অৱশ্যে ইয়াৰে গাঁও পঞ্চায়তৰ ৯৪ টা ৱাৰ্ড আৰু আঞ্চলিক পঞ্চায়তৰ ১০ টা সমষ্টিত প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। আজি আবেলিৰ ভিতৰতে সকলো প'লিং আৰু প্ৰিজাইডিং বিষয়া গৈ উপস্থিত হৈছে বুলি জানিব পৰা গৈছে। কাইলৈ পুৱা ৭.৩০ বজাৰ পৰা আবেলি ৪.৩০ বজালৈ বেলট কাকত যোগে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই উপলক্ষে আজি আবেলিৰে পৰা কাইলৈ আবেলি ৫ বজালৈ জিলাখনত সুৰা নিষিদ্ধ দিন ঘোষণা কৰা হৈছে। তদুপৰি ভোটদানৰ সুবিধাৰ্থে কাইলৈ জিলাখনৰ পঞ্চায়ত এলেকাসমূহত ৰাজহুৱা বন্ধৰ দিন ঘোষণা কৰা হৈছে। জিলা আয়ুক্ত স্বপ্নীল পালে সকলো বৈধ ভোটাৰক শান্তিপূৰ্ণভাৱে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

## পাকিস্তানে ঘূৰাই নলয় নিজৰ মাতৃ-ভগ্নীক!

# আটাৰী-ৱাঘা সীমান্তত কান্দোনৰ ৰোল

**শ্ৰীনগৰ, ১ মে’:** ইছলামাবাদে ভাৰতৰ পৰা উভতি অহা নাগৰিকসকলক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি হঠাতে ইয়াৰ ৰিচিভিং কাউণ্টাৰ বন্ধ কৰাৰ পাছত মহিলা আৰু বৃদ্ধ ব্যক্তিসহ বহু পাকিস্তানী নাগৰিক আটাৰী-ৱাঘা সীমান্তত আৱদ্ধ হৈ পৰে। দুয়োখন দেশৰ মাজত উত্তেজনা বৃদ্ধি হোৱাৰ লগে লগে সীমাৰ দ্বাৰা পৃথক হোৱা পৰিয়ালবোৰে এতিয়া দয়াৰ বাবে অনুৰোধ কৰিছে আৰু কৈছে যে তেওঁলোকক অন্যায়ভাৱে ফান্দত পেলোৱা হৈছে। এক সংবাদ প্ৰতিবেদন অনুসৰি, পাকিস্তানী কৰ্তৃপক্ষই বৃহস্পতিবাৰে পুৱা ৮ বজাত তেওঁলোকৰ ৰিচিভিং কাউণ্টাৰ বন্ধ কৰি দিয়াৰ ফলত কাৰ্যকৰীভাৱে তেওঁলোকৰ শ শ নাগৰিক ভাৰত ভূমিত আৱদ্ধ হৈ পৰে। ভাৰতে ২২ এপ্ৰিলত পহেলগামত সংঘটিত ভয়ংকৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত নিৰাপত্তা বজাই ৰক্ষাৰ পৰিপ্ৰেক্ষিতত পাকিস্তানী নাগৰিকসকলক ৩০ এপ্ৰিলৰ ভিতৰত দেশ ত্যাগ কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছিল। ইয়াৰ পাছতে শ শ লোক সীমান্তত সমবেত হয়। ভাৰতে নিৰ্ধাৰিত তাৰিখত সীমান্ত বন্ধ হ’বই বুলি কৰা ঘোষণা কিছু শিথিল কৰি পাকিস্তানী নাগৰিকসকলক পৰৱৰ্তী জাননী নোপোৱালৈকে সময়সীমা উৰলি যোৱাৰ পাছতো ঘৰলৈ উভতি যাবলৈ অনুমতি দিছে যদিও পাকিস্তানে তেওঁলোকক গ্ৰহণ কৰা নাই। সীমান্ত পাৰ হৈ স্বামীগৃহলৈ যাবলৈ অপেক্ষাৰত ভুক্তভোগী শৰ্মিন ইৰফান নামৰ মহিলাগৰাকীয়ে নিজৰ হতাশা ব্যক্ত কৰি কয়: "আগতে মাটি বিভক্ত আছিল, এতিয়া মানুহ ভাগ হৈছে। সন্ত্ৰাসবাদীক আঁতৰ কৰিব লাগে। দুয়োখন চৰকাৰে বহি শান্তিপূৰ্ণ সমাধান বিচাৰি উলিয়াব লাগিব।" "অনুগ্ৰহ কৰি, কোনোবাই মোক সীমা অতিক্ৰম কৰাত সহায় কৰক। মই মোৰ সন্তানৰ সৈতে থাকিব লাগে। আমি কি ভুল কৰিছোঁ?" আন এগৰাকীয়ে বেদনাত চিঞৰি উঠে। তেওঁলোকৰ পুনৰমিলন প্ৰতিৰোধ কৰা সকলক গৰিহণা দি মহিলাগৰাকীয়ে কয় যে তেওঁলোকেও তেওঁলোকৰ সন্তানৰ পৰা পৃথক হোৱাৰ বেদনা অনুভৱ কৰিব লাগিব।



**সেনাৰ পোছাক পিন্ধি হাৱানাত মে’ দিৱসৰ পেৰেডত ভাগ লোৱা এটি শিশু, ফটো বৃহস্পতিবাৰৰ**

# ট্ৰাম্প কৰ্তৃপক্ষৰ ভাৰতৰ আত্মৰক্ষাৰ অধিকাৰলৈ সমৰ্থন

**নতুন দিল্লী, ১ মে’:** পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ভাৰত আৰু পাকিস্তানৰ মাজত তীব্ৰ উত্তেজনাৰ মাজতে ভাৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে নিৰন্তৰ যোগাযোগত আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ সচিব মাৰ্কো ৰুবিঅ’ৰ সৈতে কথা পতাৰ কেইঘণ্টামানৰ পাছতে আজি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰসংগত আমেৰিকাৰ প্ৰতিৰক্ষা সচিব পিট হেগছেথৰ সৈতে ফোনযোগে বাৰ্তালাপ কৰে। সিঙে প্ৰকাশ কৰিছে যে হেগছেথে পহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণত নিৰীহ নাগৰিকসকলৰ শোকাৱহ মৃত্যুৰ বাবে গভীৰ শোক প্ৰকাশ কৰে। তেওঁ ভাৰতৰ সৈতে সংহতিৰ হাত আগবঢ়ায় আৰু ভাৰতৰ আত্মৰক্ষাৰ অধিকাৰক সমৰ্থন কৰে।

## মধ্যাহ্ন ভোজনত মৰা সাপ! শতাধিক অসুস্থ

**পাটনা, ১ মে’:** বিহাৰৰ মোকামা চহৰৰ এখন চৰকাৰী বিদ্যালত এসপ্তাহ পূৰ্বে মধ্যাহ্ন ভোজন খাই শতাধিক ছাত্ৰ-ছাত্ৰী অসুস্থ হৈ পৰিছিল। এই ঘটনাৰ তদন্ত কৰিবলৈ গৈ মানৱ অধিকাৰ কৰ্তৃপক্ষই উদ্ধাৰ কৰিছে এক চাঞ্চল্যকৰ তথ্য। ভোজনৰ পাত্ৰত পৰি থকা এডাল মৰা সাপ উঠাই সেই একেখিনি আহাৰকে ছাত্ৰ-ছাত্ৰীসকলক খাবলৈ দিয়া হৈছিল, যাৰ ফলত তেওঁলোক অসুস্থ হৈ পৰে। সম্প্ৰতি বিদ্যালয় কৰ্তৃপক্ষৰ বিৰুদ্ধে তদন্ত কৰি থকা হৈছে।

# ঘৰুৱা কামৰ বাবে মাহে ৭ লাখ টকা দৰমহা

## মৰুৰ দেশত আচৰিত চাকৰি

**আবুধাবি, ১ মে’:** ঘৰুৱা সহায়কাৰী এজনৰ দৰমহা কিমান হ’ব পাৰে বাৰু? ভাৰতীয় মানুহে কল্পনা কৰিব নোৱাৰা এটা চাকৰি ওলাইছে ডুবাইত। ঘৰুৱা কামৰ তদাৰক কৰাৰ বাবে আগবঢ়োৱা হ’ব বছৰি ৮৪ লাখ টকা। আবুধাবিৰ এটা ব্যক্তিগত নিয়োগ কোম্পানী ৰয়েল মেছনে নিজৰ ৱেবছাইটত প’ষ্ট কৰা এই চাকৰিৰ সবিশেষ দেখি সকলোৰে চকু কপালত উঠিছে। ভাৰতত এতিয়াও অসংগঠিত ৰূপত থকা ঘৰুৱা সহায়কাৰীৰ কামৰ দৰে চাকৰিৰ বাবে ডুবায়ে আগবঢ়োৱা সন্মানীয় দৰমহা চৰ্চাৰ বিষয় হৈ পৰিছে। বিজ্ঞাপন অনুসৰি ঘৰুৱা সহায়কাৰীৰ কামৰ তদাৰক কৰাৰ বাবে প্ৰদান কৰা হ’ব মাহে ৩০ হাজাৰ এইডি অৰ্থাৎ প্ৰায় ৭ লাখ ভাৰতীয় টকা। আবুধাবিৰ ধনাঢ্য লোকৰ ঘৰত পূৰ্ণকালীন হাউছ মেনেজাৰ হিচাপে কাম কৰাৰ বাবদ প্ৰদান কৰা হ’ব এই পৰিমাণৰ দৰমহা।

# সম্পূৰ্ণৰূপে বন্ধ আটাৰী-ৱাঘা সীমান্ত




**শ্ৰীনগৰ, ১ মে’:** সম্পূৰ্ণৰূপে বন্ধ হ’ল আটাৰী-ৱাঘা সীমান্ত। বৃহস্পতিবাৰে সীমান্তৰ মাজেৰে ভাৰত আৰু পাকিস্তানী লোকৰ ইপাৰ-সিপাৰ হোৱা অংশটো সম্পূৰ্ণ বন্ধ কৰি দিয়া হয়। ২২ এপ্ৰিলত জম্মু-কাশ্মীৰত সংঘটিত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত হ্ৰস্বম্যাদী ভিছাৰে ভাৰতত প্ৰৱেশ কৰা সকলো পাকিস্তানী নাগৰিকক ভাৰত এৰি যাবলৈ ২৯ এপ্ৰিললৈকে সময়সীমা বান্ধি দিয়া হৈছিল। ইয়াৰ পাছত কালি অৰ্থাত্ ৩০ এপ্ৰিলত আটাৰী-ৱাঘা সীমান্তৰ পাৰ হোৱা ঠাইখিনি বন্ধ কৰি দিয়া হয়। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনাৰ পাছত বিগত এটা সপ্তাহত আটাৰী-ৱাঘা সীমান্তৰ পথেৰে ভাৰতত থকা ৯১১ জন পাকিস্তানী নাগৰিক স্বদেশলৈ উভতি যায়। লগতে পাকিস্তানী ভিছা থকা ২৩ জন ভাৰতীয়ও পাকিস্তানলৈ যায়। আনহাতে পাকিস্তানত থকা ১৬১৭ জন ভাৰতীয় নাগৰিক আৰু ভাৰতৰ দীৰ্ঘম্যাদী ভিছা থকা ২২৪ জন পাক নাগৰিক বিগত সপ্তাহত ভাৰতলৈ উভতি আহে।

# বনজুইৰ গ্ৰাসত জেৰুজালেম, সহস্ৰজনক স্থানান্তৰ

**জেৰুজালেম, ১ মে’:** জেৰুজালেমৰ উপকণ্ঠত বৃহৎ বনজুইৰ ফলত ২৪ ঘণ্টাৰ ভিতৰতে হাজাৰ হাজাৰ বাসিন্দাক স্থানান্তৰ কৰিবলগীয়া হৈছে। যিহেতু দেশখনে জুইৰ বিৰুদ্ধে যুঁজিবলৈ আন্তৰ্জাতিক সহায়ৰ বাবে আবেদন জনাইছে। এতিয়ালৈকে কমেও ১৩ জন লোক আহত হৈছে। অৱশ্যে কোনো লোকৰ মৃত্যু হোৱাৰ খবৰ পোৱা হোৱা নাই। ছহীদ সৈনিকসকলৰ বাবে ইজৰাইলৰ স্মাৰক দিৱসত এই প্ৰচণ্ড অগ্নিকাণ্ড সংঘটিত হৈছিল। ছচিয়েল মিডিয়াত ভিডিঅ’ আৰু ছবিবোৰত দেখা গৈছিল যে জেৰুজালেমৰ পৰা তেল আভিভ ঘাইপথত জুই জ্বলি আছে, চাৰিওফালৰ পাহাৰৰ ওপৰেৰে ডাঠ ধোঁৱা ওলাই আছে। বহুতো লোকক তেওঁলোকৰ গাড়ী এৰি জুইৰ পৰা পলাই যোৱা দেখা গৈছিল। ইজৰাইলী সংবাদ মাধ্যমৰ মতে, ১৬০ টাতকৈও অধিক উদ্ধাৰকাৰী আৰু অগ্নিনিৰ্বাপক দল অগ্নি নিৰ্বাপক অভিযানত নিয়োজিত হৈ আছে। বহুতো বিমান আৰু হেলিকপ্টাৰে জুই নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰি আছে আৰু সেনাই অভিযানত চলাই গৈছে।

# সত্ৰশালত সীমান্ত চেতনা মঞ্চৰ ভূমি পূজন সম্পন্ন

**ই-সংবাদ, গোলকগঞ্জ, ১ মে':** ধুবুৰী জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ সত্ৰশালত যোৱা ৩০ মে'ত দেশৰ অন্যতম সাংস্কৃতিক, সামাজিক, অৰাজনৈতিক সংগঠন সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ সত্ৰশাল ছেক্টৰৰ স্থায়ী কাৰ্যালয়ৰ ভূমি পূজনৰ লগতে আধাৰ শিলা স্থাপন কৰা হয়। এই উপলক্ষে পুৱা পতাকা উত্তোলন, ভাৰত মাতাৰ বন্তি প্ৰজ্বলনৰ পিছতে বৈদিক মন্ত্ৰ পাঠ কৰি ভূমি পূজন কৰা হয়। আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰে অসম সত্ৰ মহাসভাৰ সভাপতি জিতেন্দ্ৰ নাথ প্ৰধান, সীমা জাগৰণ মঞ্চৰ ৰাষ্ট্ৰীয় সহঃ সংযোজক প্ৰদীপ বিএছএফ কামাণ্ডেট কমল প্ৰসাদ আৰু কোচ ৰাজবংশী শিল্পী প্ৰবীৰ ৰায় সৰকাৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি স্থানীয় নামদলে নাগাৰা নাম পৰিৱেশন কৰে। অনুষ্ঠানত ৰাজ্যিক সাবলম্বন প্ৰমুখ ৰমেন্দ্ৰ নাথ দাস, ধুবুৰী জিলা সমিতিৰ উপদেষ্টা নিখিল সৰকাৰ, ৰাজ্যিক কাৰ্যনিৰ্বাহক বাবলু কুমাৰ ৰায়, জিলা সভাপতি বিশ্বজিত ৰায়, সত্ৰশাল ছেক্টৰৰ সভাপতি-সম্পাদককে ধৰি বিভিন্ন কৰ্মকৰ্তা উপস্থিত থাকে। সীমান্ত অঞ্চলৰ উন্নয়ন আৰু সুৰক্ষাই কাৰ্যালয়ৰ মূল লক্ষ্য, উদ্দেশ্য বুলি জানিব পৰা গৈছে।

# দুমুনিচকীত মুকলি অগপ প্ৰাৰ্থী চণ্ডীচৰণ চৌধুৰীৰ কাৰ্যালয়

**ই-সংবাদ, দুমুনিচকী, ১ মে':** পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। ইয়াৰ মাজতে ছিপাঝাৰ সমষ্টিৰ দুমুনিচকীত বৰদৌলগুৰি-দুমুনিচকী জিলা পৰিষদৰ বিজেপি-অগপ মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী চণ্ডীচৰণ চৌধুৰীৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা হয়। কাৰ্যালয়টো মুকলি কৰে স্থানীয় বিশিষ্ট সমাজকৰ্মী কিৰণ চন্দ্ৰ কাকতিয়ে। ইয়াৰ পিছতে অগপৰ জ্যেষ্ঠ নেতা মমতাজ আলীৰ সঞ্চালনাত অনুষ্ঠিত নিৰ্বাচনী সভাত ছিপাঝাৰৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়ে বৃহত্তৰ দুমুনিচকী অঞ্চলৰ কেইবাটাও সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। একেদৰে বিজেপি চৰকাৰে আগবঢ়োৱা বিভিন্ন আঁচনি আৰু সা-সুবিধাৰ কথা কৈ পঞ্চায়ত নিৰ্বাচনত বৰদৌলগুৰি-দুমুনিচকী জিলা পৰিষদৰ বিজেপি-অগপ মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী চণ্ডীচৰণ চৌধুৰীক ভোট দিবলৈ আহ্বান জনায়। প্ৰাক্তন ছাত্ৰ নেতা দায়েদামুল হক চৌধুৰীয়ে আঁত ধৰা নিৰ্বাচনী সভাত বিজেপি-অগপৰ কেইবাগৰাকী জ্যেষ্ঠ কাৰ্যকৰ্তা আৰু শতাধিক স্থানীয় লোক উপস্থিত থাকে।

## ধুবুৰী জিলা প্ৰশাসনৰ কাৰ্যক লৈ ক্ষোভিত বহু মহিলা কৰ্মচাৰী

# পঞ্চায়ত নিৰ্বাচনত মহিলা কৰ্মচাৰীৰ সুৰক্ষাক লৈ ল'ৰা-ধেমালি

**ই-সংবাদ, বিলাসীপাৰা, ১ মে':** কেইদিনমান পিছতে অনুষ্ঠিত হ'ব পঞ্চায়ত নিৰ্বাচন। নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ প্ৰচাৰ কাৰ্য তীব্ৰতৰ হৈ উঠিছে। ইপিনে, জিলা প্ৰশাসনে শান্তি-শৃংখলাৰে নিৰ্বাচনৰ বাবে পূৰ্ণ প্ৰস্তুতি সম্পন্ন কৰি তুলিছে। ইতিমধ্যে প্ৰিজাইডিং'-পলিং বিষয়া-কৰ্মচাৰী নিৰ্বাচনী প্ৰশিক্ষণ সম্পূৰ্ণ কৰি তুলিছে। আগতে প্ৰায়বোৰ নিৰ্বাচনত ভোট লোৱাৰ ক্ষেত্ৰত মহিলা কৰ্মচাৰী সমানেই আছিল। এইবেলি ধুবুৰী জিলাত মহিলা বিষয়া-কৰ্মচাৰীৰ সংখ্যা তাকৰ হোৱাত চাৰিজনৰ ভিতৰত এজনকৈ মহিলা কৰ্মচাৰী নিয়োগ কৰা হৈছে। তিনি-চাৰিজন কৰ্মচাৰীৰ লগতে এগৰাকীকৈ মহিলা কেনেকৈ সুৰক্ষিত হ'ব তাকলৈ মহিলাসকল শংকিত হৈছে। যদিও আৰক্ষী সুৰক্ষাৰ বাবে দিয়া হৈছে তথাপি শংকিত হৈছে মহিলা। এগৰাকী মহিলাক তিনিজন পুৰুষ কৰ্মচাৰীৰ লগত সংযোগ কৰাত অসুবিধা হৈছে, যিহেতু মূল্যৱান নথিপত্ৰলৈ ভোট কেন্দ্ৰলৈ গৈ নিশা কেন্দ্ৰত থাকিব লাগিব। এগৰাকী মহিলাই অকলে নিশা যাপন কৰাত দ্বিধাবোধ কৰিছে। চৰ এলেকাৰ শ শ বিদ্যালয়ত নাই পকী বেৰ থকা শৌচালয়। আনহাতে, স্থানীয় লোকৰ ঘৰতো থাকিব নোৱাৰিব মহিলাসকল। বহুত মহিলাক জিলাৰ ইমূৰৰ পৰা সিমূৰলৈ নিয়োগ কৰাত আন এটি সমস্যাৰ উদ্ৰেক হৈছে। চৰ এলেকাত উন্নত যাতায়াত ব্যৱস্থা নাই। মুখ্যমন্ত্ৰীয়ে অসমৰ নাৰীক সুৰক্ষা প্ৰদান কৰা, মহিলাক সবলীকৰণ কৰা আদিৰ বিষয়ে ঢাক-ঢোল বজাই আহিছে যদিও মহিলাৰ প্ৰতি অৱহেলাৰ চকুৰে চোৱা বুলি নাৰী সমাজে সমালোচনা কৰিছে। এই ক্ষেত্ৰত জিলা আয়ুক্তই কি পদক্ষেপ গ্ৰহণ কৰে, মহিলা কৰ্মচাৰীসকলে আশাৰে বাট চাইছে।



ভোটকেন্দ্ৰলৈ যোৱাৰ পূৰ্বে বিষয়াক এসাজ, কাছাৰত বৃহস্পতিবাৰে

# সাহিত্য সভাৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী প্ৰদীপ বৰাক বিদায় সম্বৰ্ধনা

**ই-সংবাদ, ১ মে':** নিস্বাৰ্থ সেৱাৰ বাবে প্ৰদীপ বৰাৰ নামটো সাহিত্য সভাৰ ইতিহাসত সদায় খোদিত হৈ থাকিব। আজি অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী প্ৰদীপ বৰাৰ চাকৰিৰ কাৰ্যকাল সমাপ্তি উপলক্ষে অনুষ্ঠিত সভাত সভাপতিত্ব কৰি অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে এইদৰে কয়। সভাখনত অংশ লৈ প্ৰধান সম্পাদক দেৱজিৎ বৰাই প্ৰদীপ বৰাৰ নিষ্ঠা আৰু সততাক সভাই সদায় স্মৰণ কৰিব বুলি মন্তব্য কৰে। অসম সাহিত্য কেন্দ্ৰীয় কাৰ্যালয়ত সভাৰ বিদ্যায়তনিক কেন্দ্ৰ প্ৰাচ্যবিদ্যাৰ্ণৱ ডঃ মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থানৰ সমন্বয়ক ডঃ ৰাজশ্ৰী হাজৰিকাই আঁত ধৰা সভাখনত কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ডঃ জ্যোতিৰেখা হাজৰিকাই বৰাৰ কৰ্মনিষ্ঠাৰ শলাগ লয় আৰু তেওঁৰ সুস্বাস্থ্য তথা সুখী ভৱিষ্যত জীৱনৰ কামনা কৰে। সভাৰ প্ৰধান সচিব অশোক কুমাৰ সেনাপতিয়ে সভাৰ এইগৰাকী মৃদুভাষী সেৱকৰ ব্যক্তিত্বৰ বিভিন্ন দিশত আলোকপাত কৰে। সভাত প্ৰদীপ বৰাক গামোচা, চেলেং, প্ৰশস্তি পত্ৰ, শৰাই আদিৰে অৱসৰকালীন সম্বৰ্ধনা জনোৱা হয়। কেন্দ্ৰীয় কাৰ্যালয়ৰ কৰ্মচাৰীবৃন্দৰ মাজৰ পৰা উচ্চবৰ্গৰ সহায়ক নৃপেন ভঁৰালী, গাণনিক ধ্ৰুৱজ্যোতি বৰদলৈ আৰু নিম্নবৰ্গৰ সহায়ক দিগন্ত কুমাৰ মহন্তই প্ৰদীপ বৰাৰ সান্নিধ্যৰ স্মৃতি ৰোমন্থন কৰি বক্তব্য আগবঢ়ায়। প্ৰদীপ বৰাইও সভাৰ সৈতে একাত্ম হৈ সুদীৰ্ঘ পঁচিশ বছৰ সেৱা আগবঢ়োৱাৰ কথা স্মৰণ কৰি আৱেগিক হৈ পৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে ডঃ জ্যোতিৰেখা হাজৰিকাই। ইফালে, বিয়লি ৫ বজাত অৱসৰপ্ৰাপ্ত কৰ্মচাৰী প্ৰদীপ বৰাক কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ডঃ জ্যোতিৰেখা হাজৰিকা, কেন্দ্ৰীয় প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথ, সভাৰ কৰ্মচাৰী প্ৰমুখ্যে বহু সংখ্যক সাহিত্যপ্ৰেমীয়ে চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ পৰা মূল প্ৰৱেশ দুৱাৰলৈকে আনুষ্ঠানিকভাৱে বিদায় দিয়ে।

# নলবাৰীৰ ব্ৰাইট ষ্টাৰ একাডেমীৰ ১০০ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ

**ই-সংবাদ, বাঁহজানী, ১ মে':** নলবাৰীৰ এখন আগশাৰীৰ ব্যক্তিগত শিক্ষানুষ্ঠান ব্ৰাইট ষ্টাৰ একাডেমী। ব্যক্তিগত শিক্ষানুষ্ঠানখনৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল সৰ্বমুঠ ৫৮ গৰাকী ছাত্ৰ-ছাত্ৰী। বুধবাৰে ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ফলাফলত একাডেমীখনৰ ৫৮ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৫৮ গৰাকীয়ে উত্তীৰ্ণ হৈ মহাবিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়। ব্ৰাইট ষ্টাৰ একাডেমীৰ অধ্যক্ষ কমল শৰ্মাই কয় যে আমাৰ বিদ্যালয়ত ২০২৪-২৫ বৰ্ষত প্ৰথম বিভাগত উত্তীৰ্ণ হয় ২৫ জন, দ্বিতীয় বিভাগত উত্তীৰ্ণ হয় ২৮ জন আৰু তৃতীয় বিভাগত উত্তীৰ্ণ হয় মাত্ৰ ৫ গৰাকী ছাত্ৰ-ছাত্ৰী। একাডেমীখনৰ প্ৰবক্তা জয়ন্ত শৰ্মাই কয় যে ২০০০ চনত নলবাৰীৰ কেইগৰাকীমান শিক্ষা অনুৰাগী ব্যক্তিৰ প্ৰচেষ্টাত কলা শাখাত ব্ৰাইট ষ্টাৰ একাডেমীৰ জন্ম হৈছিল। ২০০০ চনৰ পৰাই




আমি ধাৰাবাহিকভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ পৰাই এশ শতাংশই উত্তীৰ্ণ হাৰ পাবলৈ সক্ষম হৈ আহিছো। এইবাৰো কোনো ব্যতিক্ৰম নোহোৱাকৈ আমি ছাত্ৰ-ছাত্ৰীসকলৰ ফালৰ পৰাই এশ শতাংশ উত্তীৰ্ণ হাৰ পাবলৈ সক্ষম হৈছো। প্ৰতিবছৰে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে এনেকুৱা ফলাফল দেখুৱাই আমাক গৌৰৱান্বিত কৰি আহিছে। আমি ছাত্ৰ-ছাত্ৰীসকলক লৈ গৌৰৱান্বিত। আজিৰ এই শুভক্ষণত ছাত্ৰ-ছাত্ৰীসকলৰ লগত উপস্থিত থাকে অধ্যক্ষ কমল শৰ্মা, প্ৰবক্তা তথা সমন্বয়ক জয়ন্ত কুমাৰ শৰ্মা, আইনুল হক, দিম্পী কলিতা, দিপ্বিকা চৌধুৰীৰ লগতে বিদ্যালয়ৰ শুভাকাংক্ষীসকল।




উৰিয়ামঘাটত উপেন্দ্ৰনাথ ব্ৰহ্মৰ মৃত্যু বাৰ্ষিকী পালন, ফটোঃ ই-সংবাদ, সৰুপথাৰ

## প্ৰীতি শৰ্মাৰ ৯৬ শতাংশ নম্বৰ লাভেৰে বিশেষ গৌৰৱ অৰ্জন

# ৰঙিয়াৰ প্ৰেগমেটিক একাডেমী পুনৰ উজলিল, ১০০ শতাংশ উত্তীৰ্ণ

**ই-সংবাদ, ৰঙিয়া, ১ মে':** চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত পূৰ্বৰ সুনাম অক্ষুণ্ণ ৰাখি এশ শতাংশ উত্তীৰ্ণৰে পুনৰ জিলিকি উঠিল ৰঙিয়াৰ প্ৰেগমেটিক একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল। চলিত বৰ্ষত শিক্ষানুষ্ঠানখনৰ পৰা কলা শাখাত অৱতীৰ্ণ হোৱা ১১৭ গৰাকী পৰীক্ষাৰ্থীৰ ৬০ গৰাকীয়ে গৰাকীয়ে প্ৰথম, ৪৫ গৰাকীয়ে দ্বিতীয় আৰু ১২ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। আনহাতে, বিজ্ঞান শাখাত অৱতীৰ্ণ হোৱা ৭৮ গৰাকী পৰীক্ষাৰ্থীৰ প্ৰথম বিভাগত ৫৮ গৰাকী, দ্বিতীয় বিভাগত ২০ গৰাকী উত্তীৰ্ণ হয়। কলা শাখাত বিভিন্ন বিষয়ত ২১৭ টাকৈ আৰু বিজ্ঞান শাখাত ২৪ টাকৈ লেটাৰ মাৰ্ক লাভেৰে পূৰ্বৰ সফলতাৰ ধাৰা অক্ষুণ্ণ ৰাখে। ইফালে, বিদ্যালয়খনৰ কলা শাখাৰ ৬ গৰাকী আৰু বিজ্ঞান শাখাৰ এগাৰাকী পৰীক্ষাৰ্থীয়ে ৯০ শতাংশতকৈ অধিক নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। প্ৰীতি শৰ্মাই (৯৬)শতাংশ, বিভূৰঞ্জন দাসে ৯৫ শতাংশ, দিশা কলিতা, প্ৰেৰণা কলিতাই ৯৩ শতাংশ, অংকিতা কলিতা, ভাৰ্গৱ কলিতাই ৯২ শতাংশ আৰু বিদিশা বৰ্মনে ৯০ শতাংশ নম্বৰ লাভেৰে বিদ্যালয়খনলৈ বিশেষ কৃতিত্ব কঢ়িয়াই আনে। আজি ফলাফল লাভ কৰা মাত্ৰকে বিদ্যালয়খনত সৃষ্টি হয় উৎসৱমুখৰ পৰিৱেশৰ। অধ্যক্ষ দ্বীপজ্যোতি বৰুৱাৰ লগতে পৰিচালনা সমিতিৰ সভাপতি মহচেন আলী, পৰিচালন সঞ্চালক অনিল দত্ত প্ৰমুখ্যে বিষয়ববীয়াসকলে কৃতিত্ব অৰ্জনকৰা ছাত্ৰ-ছাত্ৰীসকলক ফুলাম জাপি, গামোচাৰে সম্বৰ্ধনা জনায়।আনহাতে, কামৰূপ জিলা সাংবাদিক সন্থাৰ সভাপতি প্ৰকাশ ডেকা সমন্বিতে শিক্ষানুৰাগী লোকসকল বিদ্যালয়খনত উপস্থিত হৈ গৌৰৱোজ্জ্বল কৃতিত্বৰে পূৰ্বৰ গৰিমা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হোৱা ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয় কৰ্তৃপক্ষক অভিনন্দন জ্ঞাপন কৰে।

# উচ্চতৰ মাধ্যমিকত তিনিচুকীয়া জিলাৰ সন্তোষজনক ফলাফল

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১ মে':** অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে বুধবাৰে ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল অনুসৰি তিনিচুকীয়া জিলাৰ ফলাফল সন্তোষজনক বুলিব পাৰি। কলা শাখাত অৱতীৰ্ণ হোৱা জিলাখনৰ ৬১১৮ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত প্ৰথম বিভাগত ২০০৬ গৰাকী, দ্বিতীয় বিভাগত ২২৮২ গৰাকী আৰু তৃতীয় বিভাগত ১০৫০ গৰাকী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৮৭.২৫ শতাংশ। বিজ্ঞান শাখাত অৱতীৰ্ণ হোৱা ৯৫৫ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত প্ৰথম বিভাগত ৪৭২ গৰাকী, দ্বিতীয় বিভাগত ২৫০ গৰাকী আৰু তৃতীয় বিভাগত ৫৯ গৰাকী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৮১.৭৮ শতাংশ। সেইদৰে বাণিজ্য শাখাত মুঠ ১৩৭৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে প্ৰথম বিভাগত ৩৬০ গৰাকী, দ্বিতীয় বিভাগত ৩০৮ গৰাকী আৰু তৃতীয় বিভাগত ২২৫ গৰাকী উত্তীৰ্ণ হ'য়। উত্তীৰ্ণৰ হাৰ ৬৪.৯৯ শতাংশ। আনহাতে বৃত্তিমুখী শাখাত তিনিচুকীয়া জিলাৰ পৰা ৩০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। উত্তীৰ্ণ হয় ২৬ গৰাকী। ১৯ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱাৰ বিপৰীতে ৭ গৰাকী উত্তীৰ্ণ হয় তৃতীয় বিভাগত। তিনিচুকীয়াৰ চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা কলা শাখাত ৫১ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে প্ৰথম বিভাগত উত্তীৰ্ণ হয় ৩৫ গৰাকী পৰীক্ষাৰ্থী। দ্বিতীয় বিভাগ পায় ১৬ গৰাকী পৰীক্ষাৰ্থীয়ে। উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ। ১ গৰাকী পৰীক্ষাৰ্থীয়ে ডিষ্টিংচন পোৱাৰ বিপৰীতে ৮ গৰাকীয়ে ষ্টাৰ পাবলৈ সক্ষম হয়। বিজ্ঞান শাখাত ২৯ জন পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে প্ৰথম বিভাগত ২১ গৰাকী আৰু দ্বিতীয় বিভাগত ৮ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ। বিদ্যালয়খনৰ ২ গৰাকীকৈ পৰীক্ষাৰ্থীয়ে ডিষ্টিংচন আৰু ষ্টাৰ পাবলৈ সক্ষম হয়। তিনিচুকীয়াৰ সাৰ্বজনীন বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এই বছৰৰ উত্তীৰ্ণ (কলা শাখা) ৰ শতকৰা হাৰ ৯৮.৬৬ শতাংশ। প্ৰথম বিভাগত ৪২ গৰাকী, দ্বিতীয় বিভাগত ৩০ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৯৮.৬৬ শতাংশ। তিনিচুকীয়াৰ মহিলা মহাবিদ্যালয়ৰ পৰা কলা শাখাত ১৪৮ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে প্ৰথম বিভাগত ১৪৫ গৰাকী, দ্বিতীয় বিভাগত ৩৫ গৰাকী আৰু তৃতীয় বিভাগত ৬ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হ'য়। উত্তীৰ্ণৰ শতকৰা হাৰ ৯৮ শতাংশ। মহাবিদ্যালয়খনৰ কেইবাগৰাকী ছাত্ৰীয়ে ৯০ শতাংশতকৈ অধিক নম্বৰ পাবলৈ সক্ষম হয়।




# প্ৰেছ ক্লাৱত 'ড০ গোহাঁই, প্ৰতিভাৰ পৰিক্ৰমা, সমসাময়িক মূল্যায়ন' উন্মোচন

**ই-সংবাদ, ১ মে':** বোধিদ্ৰুমৰ ছাঁত জিৰণি লোৱাসকলৰ লগতে প্ৰজ্ঞাৰ পৰ্যালোচনাৰে অসমৰ জাতীয় জীৱনক উজ্জীৱিত কৰা একাংশ প্ৰথিতযশা লোকে আজি অসমৰ জীৱন্ত কিংবদন্তি ড০ হীৰেন গোহাঁইক নতুনকৈ তুলি ধৰাৰ চেষ্টা চলায়। গুৱাহাটী প্ৰেছ ক্লাৱত ড০ গোহাঁইৰ জীৱনক লৈ চৰ্চা কৰা "ড০ গোহাঁই, প্ৰতিভাৰ পৰিক্ৰমা, সমসাময়িক মূল্যায়ন" শীৰ্ষক এখন গ্ৰন্থ আজি উন্মোচন কৰা হয় আৰু বিশিষ্ট লেখক, অধ্যাপক অপূৰ্ব শৰ্মাই ড০ গোহাঁইৰ হাতত গ্ৰন্থখন তুলি দিয়ে। লেখক, শিক্ষক উমেশ গোস্বামীয়ে সম্পাদনা কৰা গ্ৰন্থ উন্মোচনী সভাত লক্ষ্মীনাথ তামুলী, আব্দুল মান্নান, প্ৰভাত বৰা আৰু ৰাণী গোহাঁইক মঞ্চত দেখা গৈছে যদিও প্ৰেক্ষাগৃহত সমপৰ্যায়ৰ বহু লেখক, বিশিষ্ট চিন্তাবিদ উপস্থিত আছিল। ড০ দিলীপ বৰা, ময়ূৰ বৰা, মুকুল কলিতা, সবিতা লহকৰ, ৰবীন দত্ত, প্ৰণৱজ্যোতি ডেকা, ড০ দীনেশচন্দ্ৰ গোস্বামী প্ৰমুখ্যে শতাধিক লেখক, সাংবাদিক উপস্থিত থকা অনুষ্ঠানটোত অপূৰ্ব শৰ্মাই কয়, "ড০ গোহাঁই বিদেশতে থাকি যোৱা হ'লে আমি কোনেও কল্পনা কৰিব নোৱাৰা এগৰাকী পণ্ডিত হৈ থাকিলহেঁতেন। কিন্তু তেওঁ অসমলৈ ঘূৰি অহাটোৱেই আমাৰ বাবে সৌভাগ্যৰ কথা। আমি যেতিয়া লেখা-মেলা কৰিবলৈ আৰম্ভ কৰিছিলো তেতিয়া আমাৰ ভগৱান সদৃশ পূৰ্বৰ লেখকসকলৰ লেখাসমূহ ড০ গোহাঁইয়ে যিদৰে সমালোচনা কৰিছিল আমি ভয় খাই গৈছিলো আৰু আমি সচেতন হৈছিলো।" অনুষ্ঠানটোত আটাইকেইগৰাকী বক্তাই ড০ গোহাঁইৰ পূৰ্বৰ লেখাৰ লগতে তেওঁৰ বিশাল কৰ্মৰাজিৰ বিষয়ে উল্লেখ কৰে। বিভিন্ন প্ৰত্যাহ্বানৰ মাজতো গোহাঁইয়ে কৰি অহা কামক স্মৰণ কৰে। ড০ হীৰেন গোহাঁইয়েও ৰসিকতাৰ মাজেৰে নিজৰ জীৱনৰ বহু কথা ব্যক্ত কৰে। সৰুতে কেনেকৈ তেওঁ পঞ্জিকাৰ পৰা আদি কৰি যি কিতাপেই সন্মুখত পাইছিল তাকে পঢ়াৰ কথা কয়। তেওঁৰ লেখাসমূহত লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাৰ প্ৰভাৱ থকাৰ কয়, যিটো আজিলৈকে কোনো লেখক, সমালোচকে মন দিয়া নাই বুলি উল্লেখ কৰে। সম্পাদক-সংকলক উমেশ গোস্বামীয়ে এই গ্ৰন্থখন ইংৰাজীলৈ অনুবাদ কৰিব বুলিও প্ৰকাশ কৰে। অনুষ্ঠানটোৰ আঁত ধৰে সাংবাদিক নিভাৰানী ৰায় আৰু উৎপল বৰাই।

# কামপুৰৰ তেঁতেলীসৰা পঞ্চায়তত নিৰ্দলীয় প্ৰাৰ্থীৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, কামপুৰ, ১ মে':** ৰাজ্যৰ চুকে কোণে এতিয়া বলিছে পঞ্চায়ত নিৰ্বাচনৰ গৰম বতাহ। চলে-বলে কৌশলে শক্তি প্ৰদৰ্শনত নামিছে দলীয়-নিৰ্দলীয় প্ৰাৰ্থীসকল। নগাঁও জিলাৰ কঠীয়াতলী উন্নয়ন খণ্ডৰ অন্তৰ্গত ১৫ নং তেঁতেলীসৰা পঞ্চায়তটো পঞ্চায়ত নিৰ্বাচনৰ ৰণদুন্দুভি বাজি উঠিছে। পঞ্চায়তখনৰ আঞ্চলিক সদস্য পদৰ নিৰ্দলীয় প্ৰাৰ্থী হেমন্ত কুমাৰ দাসে ব্যতিক্ৰমী প্ৰচাৰেৰে ভোটাৰ ৰাইজৰ মাজত সোমাবলৈ চেষ্টা চলাইছে। হেমন্ত কুমাৰ দাসে জাকজমকীয়া প্ৰচাৰৰ লগতে সভা-সমিতি আয়োজন নকৰি ভোটাৰৰ ঘৰে ঘৰে গৈ প্ৰচাৰ কাৰ্য চলাইছে। বুধবাৰে হেমন্ত কুমাৰ দাসে ৪নং ৱাৰ্ডত প্ৰতিদ্বন্দ্বিতা কৰা আন এগৰাকী নিৰ্দলীয় প্ৰাৰ্থী ৰাখী বৰাক লগত লৈ ৱাৰ্ডটোত ঘৰে ঘৰে গৈ প্ৰচাৰ কাৰ্য চলায়। ৪নং ৱাৰ্ডৰ শতাধিক সৰ্মথকক লগত লৈ নানান শ্ল'গানেৰে এক শোভাযাত্ৰা উলিয়ায়। উল্লেখ্য যে, পঞ্চায়তটোত অনুসূচীত জাতিৰ বাবে সংৰক্ষিত থকা কাউঞ্চিলাৰ পদটোত হেমন্ত কুমাৰ দাসৰ




বিপৰীতে অগপ দলৰ ধীৰাজ মোহন দাসেও প্ৰতিদ্বন্দ্বিতাত নামিছে। তথ্য অনুসৰি তেঁতেলীসৰা পঞ্চায়তত মুঠ ভোটাৰৰ সংখ্যা ৬৮১১ টা। ইয়াৰে পুৰুষ ভোটাৰ ৩৩৭৬ আৰু মহিলা ভোটাৰ ৩৪৩৫ গৰাকী। পঞ্চায়তখনত সভাপতিৰ পদটো অনুসূচীত জাতিৰ মহিলাৰ বাবে আৰু কাউঞ্চিলাৰ পদটো অনুসূচিত জাতিৰ বাবে সংৰক্ষিত।

## দেওমৰনতৈ উন্নয়নৰ স্বৰূপ!

# জৰাজীৰ্ণ পঁজাত অকলশৰীয়াকৈ জীৱন কটাইছে বৃদ্ধাই

**ই-সংবাদ, দুনী, ১ মে':** ৰাজ্যৰ চৌদিশে বলিছে পঞ্চায়ত নিৰ্বাচনৰ গৰম বতাহ। সকলো ব্যস্ত নিৰ্বাচনী প্ৰচাৰত। চৌদিশে বৈছে শাসক-বিৰোধীৰ প্ৰতিশ্ৰুতিৰ বন্যা। তাৰ মাজতে ছিপাঝাৰ সমষ্টিৰ দেওমৰনৈ-কুমাৰপাৰাত দেখা গৈছে এক বিপৰীত ছবি। এটি ভগা-ছিগা জুপুৰিত ৰ'দে-বৰষুণে বাস কৰিব লগা হৈছে এগৰাকী আশী বছৰীয়া আইতাই। বৰ্তমানৰ ছিপাঝাৰৰ বিধায়কগৰাকীৰ ঘৰৰ নাতিদূৰত কুমাৰপাৰা গাঁৱৰ সৰলা দেৱী নামৰ আইতাগৰাকীয়ে আজিলৈকে নাপালে চৰকাৰী কোনো ধৰণৰ আঁচনি। লাভ কৰা নাই প্ৰধানমন্ত্ৰী আৱাস



যোজনাৰ ঘৰ। সমান্তৰালভাৱে পোৱা নাই অৰুণোদয় আঁচনিৰ সুবিধা, নাই অনাময় ব্যৱস্থা। মানসিক সন্তুলন হেৰুৱাই তিনি বছৰ আগতে নিৰুদ্দেশ হোৱা পুত্ৰৰ কথা মনত পেলাই ভগা-ছিগা জুপুৰিত বাস কৰি আহিছে আইতাগৰাকীয়ে। ভগৱানকে সাৰথি কৰি পাৰ কৰিছে দিন-ৰাতি। কাণসাৰ নাই স্থানীয় জনপ্ৰতিনিধিৰ। এয়াই হৈছে ছিপাঝাৰ সমষ্টিৰ উন্নয়নৰ ছবি!

# ১০০ শতাংশ উত্তীৰ্ণৰে উজলিল এমিতি একাডেমী

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১ মে':** ২০১৮ত স্থাপিত এমিতি একাডেমীয়ে ক্ৰমাগতভাৱে ষষ্ঠবাৰলৈ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ১০০% উত্তীৰ্ণৰে অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। একাডেমীখনৰ পৰা এইবেলি উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ মুঠ ৮১ গৰাকী শিক্ষাৰ্থীৰ ২০ গৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। দ্বিতীয় বিভাগত উত্তীৰ্ণ হয় ৬১ গৰাকী। কলা শাখাত অৱতীৰ্ণ ১১৯ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত প্ৰথম বিভাগত ২৫ গৰাকী, ২য় বিভাগত ৯০ গৰাকী, ৩য় বিভাগত ৪ গৰাকী উত্তীৰ্ণ হয়। কলা শাখাৰ কৃষ্ণা ডেকাই লাভ কৰে ৮৫% নম্বৰ। মুঠ ১৯ গৰাকী শিক্ষাৰ্থীয়ে লাভ কৰে লেটাৰ মাৰ্ক। একাডেমীখনৰ এই ফলাফলক লৈ উৎফুল্লিত হৈ পৰিছে একাডেমীখনৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী, শিক্ষক-অভিভাৱকৰ লগতে অঞ্চলবাসী ৰাইজ।

# দুৰ্যোধন-ৰাৱণ-ল'ৰাৰজাৰ পিছতে হিমন্ত! ৰহাৰ ফুলগুৰি ধেৱাত কংগ্ৰেছৰ শক্তি প্ৰদৰ্শন

**ই-সংবাদ, ১ মে':** উত্তৰ অসমৰ ৰহাৰ ঐতিহাসিক ফুলগুৰি ধেৱাত আজি কংগ্ৰেছে শক্তি প্ৰদৰ্শন কৰে। ৰহা সমষ্টিত ২০২১ চনৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী শশীকান্ত দাস জয়ী হৈছিল যদিও বিজেপি চৰকাৰক সমৰ্থন কৰি কংগ্ৰেছৰ পৰা বহিষ্কাৰ হৈছে। তেনে সময়তে কংগ্ৰেছে সমষ্টিটো পুনৰ নিজৰ হাততে ৰাখিবলৈ এতিয়াৰ পৰা জোৰ দি আজি কেইবাহাজাৰ লোকৰ উপস্থিতিত বিশাল জনসভা অনুষ্ঠিত হয়। আজি ফুলগুৰি ধেৱাত অসম প্ৰদেশ কংগ্ৰেছৰ উদ্যোগত সংবিধান বচাও ৰেলী অনুষ্ঠিত হয়। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে আজি উত্তৰ অসমৰ ৰহাত কেইবা হাজাৰ কংগ্ৰেছ নেতা-কৰ্মী আৰু সমৰ্থকৰ উপস্থিতিত অনুষ্ঠিত হয় সংবিধান বচাও ৰেলী। বিজেপি চৰকাৰে দেশৰ আদিবাসী, দলিত, অনুসূচিত জাতি-জনজাতি, মহিলা, সংখ্যালঘুৰ অধিকাৰ হনন কৰাৰ অভিযোগ উত্থাপন কৰাৰ লগতে সংবিধান সলনি কৰিব খোজাৰ অভিযোগ আনে। কংগ্ৰেছে দেশৰ সংবিধান ৰক্ষা আৰু অনুসূচিত জাতি-জনজাতি, মহিলা, সংখ্যালঘুৰ অধিকাৰ হনন কৰিব নিদিয়াৰ সংকল্প লয়। সংবিধান বচাও ৰেলীত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক তথা অসম কংগ্ৰেছৰ তত্বাৱধায়ক জিতেন্দ্ৰ সিঙে বিজেপিক তীব্ৰ আক্ৰমণ কৰে। জিতেন্দ্ৰ সিঙে কয় যে বিজেপিয়ে দেশৰ সংবিধান ধ্বংস কৰিব খুজিছে। বিজেপিয়ে তেওঁলোকৰ নিজা সংবিধান কাৰ্যকৰী কৰিব খোজে। হিমন্ত বিশ্ব শৰ্মা চৰকাৰে অসমত প্ৰতিগৰাকী শিশুৰ মূৰত এতিয়া ৫০ হাজাৰ টকাৰ ঋণ জাপি দিছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। অসমৰ মানুহৰ এক নিজস্ব চিন্তা, নিজস্ব বিচাৰ আছে। এই বিচাৰ ধ্বংস কৰিব খুজিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। বিজেপিয়ে সংৰক্ষণ ব্যৱস্থা ধ্বংস কৰিব বিচাৰিছে। ৰাজহুৱা খণ্ডক ব্যক্তিগত খণ্ডলৈ নি সংস্থাপন বিলুপ্ত কৰাৰ লগতে সংৰক্ষণ ব্যৱস্থা ধ্বংস কৰিব খোজাৰ গুৰুতৰ অভিযোগ আনে। আনহাতে সভাত ভাষণ প্ৰদান কৰি মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰে হিমন্ত বিশ্ব শৰ্মাই অসমৰ নাৰী সমাজক অপমান কৰাৰ গুৰুতৰ অভিযোগ আনি কয় যে এই অপমান অসমৰ নাৰী সমাজে সহ্য নকৰে। যেতিয়া কংগ্ৰেছ চৰকাৰ আহিব তেতিয়া ইয়াৰ বিচাৰ কৰা হ'ব। ইপিনে আজি আকৌ এবাৰ ভূপেন বৰাই ৰাইজৰ দলৰ সভাপতি অখিল গগৈক আক্ৰমণ কৰে। কংগ্ৰেছ সভাপতি ভূপেন বৰাই অখিল গগৈ পাগল হৈছে বুলি কটাক্ষ কৰে। এদিন পূৰ্বে অখিল গগৈয়ে ভূপেন বৰাই ক'ৰ পৰা নতুন গাড়ী কিনিলে বুলি প্ৰশ্ন কৰিছিল। অখিল গগৈয়ে গাড়ী ক'ৰ পৰা কিনিলে বুলি কৰা প্ৰশ্নৰ আজি উত্তৰ দি ভূপেন বৰাই অখিল গগৈক পাগল আখ্যা দিয়ে। ভূপেন বৰাই কয় যে মই যোৱা ৫-৬ বছৰে গাড়ীয়ে কিনা নাই। কাৰণ অহা বছৰ মই চৰকাৰী গাড়ী চলাম, চাই থাকিব আপোনালোকে। বিৰোধীৰ ভোট বিভাজন কৰি বিজেপিক সহায় কৰিবলৈ একাংশ লোক সাজু বুলি ইংগিত দি সভাপতি ভূপেন বৰাই কয় যে যিদৰে শিল ভাঙিবলৈ ষ্টোন ক্ৰেচাৰ আছে, তেনেদৰে ভোট ভাঙিবলৈ এতিয়া ভোট ক্ৰেচাৰ ওলাইছে। কংগ্ৰেছৰ ভোট ভাঙি বিজেপিয়ে ৰাস্তা বনাব। ইপিনে অখিল গগৈয়ে ভূপেন বৰাৰ সভাত ৯৭ টা মানুহ অহা বুলি কৰা মন্তব্যক উভতি ধৰে ভূপেন বৰাই কয় যে আমি ৯৭ টা, এনেধৰণৰ শব্দ ব্যৱহাৰ নকৰো। সেইবোৰ অখিল গগৈৰ ভাষ্য। আমি ৯৭ জন বুলি কওঁ। মোৰ সভাত ৭ জন মানুহো আহিব পাৰে। আধা বন্ধুত্ব আধা শত্ৰুতা নহ'ব। টিভি অন থাকিলে দোস্তী, অফ থাকিলে দুচমনি সেইবোৰ আমাৰ লগত নহ'ব। বৰছলাত পঞ্চায়তৰ নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰীয়ে অসম লোকসেৱা আয়োগৰ চাকৰি কেলেংকাৰীৰ তদন্তৰ প্ৰতিবেদনৰ দোহাই দি কংগ্ৰেছ চৰকাৰৰ দিনত অসমৰ বোৱাৰী-ছোৱালীয়ে চাকৰিৰ বাবে সতীত্ব হৰণ হেৰুৱাবলগীয়া বুলি কৈ কংগ্ৰেছক আক্ৰমণ কৰিছিল। তাৰ পিছকে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে সৰৱ হৈ আছে ভূপেন বৰাই। ভূপেন বৰাই আজি কয় যে হিমন্ত বিশ্ব শৰ্মাই অসমৰ মহিলাৰ মৰ্যাদা হ্ৰাস কৰিছে। শৰ্মাৰ মন্তব্যক গৰিহণা দি কয় যে এনে মন্তব্যই কেৱল হাজাৰ হাজাৰ পৰিশ্ৰমী মহিলাক অপমান কৰাই নহয়, তেওঁলোকৰ কৃতিত্ব আৰু সততাৰ ওপৰতো সন্দেহৰ ছাঁ পেলাইছে। হিমন্ত বিশ্ব শৰ্মাই সেই সময়ছোৱাত নিজে মন্ত্ৰী পদত অধিষ্ঠিত আছিল। তেতিয়া তেওঁ এনে কাৰ্য দেখি ধৃতৰাষ্ট্ৰৰ চৰিত্ৰত অভিনয় কৰিছিল নেকি? ১৫ বছৰে কংগ্ৰেছ চৰকাৰৰ দিনত চাকৰি লোৱা মহিলাই নিজৰ সতীত্ব বচাব পৰা নাছিলে। বিপ্লৱ শৰ্মাই তেনেকুৱা কথা কৈছে নেকি? হিমন্ত বিশ্ব শৰ্মাই অসমীয়া নাৰী সত্তাৰ প্ৰতি ভাবুকি আনিছে। মহাবিদ্যালয়, বিশ্ববিদ্যালয়, টেটৰ শিক্ষক, অংগনৱাডী কৰ্মী, আশা কৰ্মী, নাৰ্চসহ আমাৰ দিনত হাজাৰ হাজাৰ মহিলাক চাকৰি দিয়া হৈছে। ইয়াৰ মাজতে হিমন্ত বিশ্ব শৰ্মাই ১৫ বছৰ মন্ত্ৰী আছিল। তেওঁ ধৃতৰাষ্ট্ৰৰ ভূমিকাত আছিল নেকি? তেওঁ যিবিলাকক চাকৰি দিছিল সেইবিলাকৰ ফটো আছে। সেই মহিলাখিনিক আজি সন্দেহ আৰু অবিশ্বাসৰ আৱৰ্তলৈ ঠেলি দিছেনে নাই। এই কথা বিপ্লৱ কুমাৰ শৰ্মাই এই কথা কোৱা নাই। এই কথা হিমন্ত বিশ্ব শৰ্মাই কৈছে। হিমন্ত বিশ্ব শৰ্মাই অসমৰ মহিলাৰ শালীনতা হানি কৰিছে। ইয়াৰ প্ৰতিফলন তেওঁ দেখিবলৈ পাব। নাৰীৰ প্ৰতি অপমান সেয়া দুৰ্যোধনে কৰিছিল। ৰাৱণে কৰিছিল। ল'ৰাৰজাই কৰিছিল। চাৰি নম্বৰত নাৰীক অপমান কৰিছিল হিমন্ত বিশ্ব শৰ্মাই। তাৰ প্ৰতিফল ভুগিব লাগিব হিমন্ত বিশ্ব শৰ্মাই। সভাত লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈ, সাংসদ প্ৰদ্যুৎ বৰদলৈ, ৰকিবুল হুছেইন, নিখিল ভাৰত কংগ্ৰেছৰ সম্পাদক বিকাশ উপাধ্যায়, মনোজ চৌহান, প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ, বিধায়ক নুৰুল হুদা, শিৱামণি বৰা, মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা, ৰাতুল কলিতা, উৎপল বণিয়া উপস্থিত থাকে।

# উৰিয়ামঘাটত উপেন্দ্ৰনাথ ব্ৰহ্মৰ মৃত্যু বাৰ্ষিকী দিৱস উদযাপন

**ই-সংবাদ, সৰুপথাৰ, ১ মে':** উৰিয়ামঘাটত বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ৩৫ সংখ্যক মৃত্যু বাৰ্ষিকী উদযাপন কৰা হয়। গোলাঘাট জিলাৰ নিখিল বড়ো ছাত্ৰ সন্থাৰ উপদেষ্টা নীলেশ্বৰ ব্ৰহ্মৰ সভাপতিত্বত হোৱা সভাত নিৰ্দিষ্ট বক্তা হিচাপে বড়ো কছাৰী স্বায়ত্তশাসিত কল্যাণ পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰদীপ স্বৰ্গীয়াৰীয়ে বক্তব্য আগবঢ়ায়। ৰেংমা আঞ্চলিক আৰু নাম্বৰ আঞ্চলিক এবছুৰ উদ্যোগত হোৱা অনুষ্ঠানটোৰ আঁত ধৰে নিখিল বড়ো ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিৰ উপ-সভাপতি অবিৰাম খাকলাৰীয়ে। নিদিষ্ট বক্তা বড়ো কছাৰী স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰদীপ স্বৰ্গীয়াৰীয়ে বড়োফা উপেন্দ্ৰনাথ নাথ ব্ৰহ্মৰ জীৱন বৃত্তান্ত সন্দৰ্ভত বক্তব্য আগবঢ়ায়। বড়ো জাতিৰ কাৰণে ত্যাগ স্বীকাৰ কৰা উপেন্দ্ৰনাথ ব্ৰহ্মাই জাতিটোক আগবঢ়ায় নিয়ে। বড়ো জাতিটোক আগবঢ়াই নিয়া উপেন্দ্ৰনাথ ব্ৰহ্মৰ নামত দিল্লীত এটা প্ৰতিমূৰ্তি উন্মোচন কৰাৰ উপৰি বড়ো জাতীৰ পিতৃস্বৰূপ উপেন্দ্ৰনাথ ব্ৰহ্মৰ নামত এটা পথ নামকৰণ কৰাৰ বাবে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। উপেন্দ্ৰ চন্দ্ৰ ব্ৰহ্মৰ বাবেই বড়ো জাতিয়ে স্বায়ত্তশাসিত পৰিষদ লাভ কৰিবলৈ সক্ষম হয় বুলি জনায়। অসম চৰকাৰে ২০২৩ চনত জন্মদিনটো ছাত্ৰ দিৱস হিচাপে স্বীকৃতি দিয়ে বুলি বক্তব্যত প্ৰকাশ কৰে। সভাত অৱসৰপ্ৰাপ্ত শিক্ষক গুণীৰাম বড়ো,বড়ো, সাহিত্য সভাৰ ধনশিৰি জিলা সমিতিৰ সভাপতি বিবেকানন্দ বসুমতাৰী, বিশিষ্ট সাহিত্যিক মহেশ্বৰ বসুমতাৰীয়ে বক্তব্য আগবঢ়ায়। সভাত বড়ো সাহিত্য সভাৰ ধনশিৰি জিলা সমিতিৰ সভাপতি বিবেকানন্দ বসুমতাৰী, বড়ো কল্যাণ পৰিষদ গোলাঘাট জিলা সমিতিৰ সভাপতি দময়ন্তী খাকলাৰী, বড়ো গণ মঞ্চ কেন্দ্ৰীয় সমিতিৰ সাহিত্য সম্পাদক মহেশ্বৰ বসুমতাৰীকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

# কলা-বাণিজ্যত পীতাম্বৰ দেৱগোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ ভাল ফল

**ই-সংবাদ বিশেষ, মাজুলী, ১ মে':** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত কলা আৰু বাণিজ্য দুয়োটা শাখাতে মাজুলী শিক্ষা খণ্ডৰ অন্তৰ্গত গড়মূৰ পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সন্তোষজনক ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ পৰা কলা শাখাত এইবাৰ অৱতীৰ্ণ হোৱা মুঠ ১৯৪ পৰীক্ষাৰ্থীৰ ভিতৰত ১৭৩ গৰাকী উত্তীৰ্ণ হৈছে। কলা শাখাত ৩০ গৰাকীয়ে প্ৰথম বিভাগ, ৮০ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ৬৩ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। কলা শাখাত উত্তীৰ্ণৰ হাৰ হৈছে ৮৯.১৭ শতাংশ। বিদ্যালয়খনৰ পৰা বাণিজ্য বিভাগত অৱতীৰ্ণ হোৱা মুঠ ১২ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ১১ গৰাকী উত্তীৰ্ণ হৈছে। বাণিজ্য বিভাগত ২ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বিভাগ, ৭ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ২ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। বিদ্যালয়খনৰ বাণিজ্য শাখাত উত্তীৰ্ণৰ শতকৰা হাৰ হৈছে ৯১.৬৭। বিদ্যালয়খনৰ এই সফলতাত স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰিছে আৰু বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিত আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰিছে।

# মহিলাক আন্ধাৰত আলিংগনক লৈ বাঘমাৰা চৰত মাৰপিট, আহত ৩

## দুষ্কৃতিকাৰীক থানালৈ লৈ যোৱাত আৰক্ষীক বাধা প্ৰদান

**ই-সংবাদ, শিমলীতোলা, ১ মে':** বৰপেটা জিলাৰ চেংগা সমষ্টিৰ বাঘমাৰা চৰত যোৱানিশা সংঘটিত ভয়ানক মাৰপিটৰ ঘটনাক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। জানিব পৰা মতে ১ নং বাঘমাৰা চৰৰ আজাদ আলীৰ পুত্ৰ আশ্বাদুল ইছলামে তিনি চাৰি দিন আগতে ঘৰত পঞ্চায়ত নিৰ্বাচনৰ নিৰ্বাচনী সভা চলি থকা সময়ত বিদ্যুৎ নথকা অৱস্থাত আন্ধাৰৰ সুযোগ লৈ ছৈয়দ আলীৰ পত্নীক অসৎ উদ্দেশ্যৰে সাবটি ধৰাক লৈ হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়। লগে লগে আশ্বাদুলৰ অভিভাৱকে মীমাংসা কৰে যদিও কালি তেনে এক ঘটনা পুনৰ সংঘটিত কৰাত ছৈয়দ আলীৰ পৰিয়ালৰ মানুহে লম্পট আশ্বাদুলক লপাথপা দিয়ে। লম্পট আশ্বাদুলৰ পক্ষ লৈ আশ্বাদুলৰ পৰিয়ালৰ মানুহে ঘটনাৰ প্ৰতিশোধ ল'বলৈ ছৈয়দ আলীৰ পৰিয়ালৰ মানুহক মাৰিবলৈ ৰাস্তাৰ কাষৰ বহি থকা অৱস্থাত ছৈয়দ আলীৰ ককায়েক ৰাস্তা পাৰ হোৱাত আজাদ আলী শ্বহিদুল ইছলাম, মহিদুল শ্বাহজাহান আলী, বিল্লাল ছাইদুল ইছলাম, আশ্বাদুল ইছলাম, ওচমান গনিয়ে পিছফালৰ পৰা কাঠৰ কুণ্ডা, হাতুৰি চুৰি আদিৰে আঘাত কৰাত আবুল কালাম আৰু জয়দৰ আলী গুৰুতৰভাৱে আহত হয়। মাৰপিটত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত দুয়োকে ততাতৈয়াকৈ নিশাই উন্নত চিকিৎসাৰ বাবে গোৱালপাৰালৈ লৈ যোৱা হয়। উল্লেখযোগ্য যে লম্পট আশ্বাদুল ইছলাম পূৰ্বেও বহুবাৰ বিভিন্ন সময়ত বিভিন্ন অসামাজিক কাম-কাজত জড়িত আছিল বুলি স্থানীয় ৰাইজে দাবী উত্থাপন কৰাৰ লগতে ৰাইজে পৰিস্থিতি উত্তপ্ত কৰি তোলে। ইপিনে ঘটনাস্থলীত আলোপতি আৰক্ষী উপস্থিত হয় যদিও ৰাইজে দুষ্কাৰ্য সংঘটিত কৰা লোকসকলক লৈ যোৱাত বাধা প্ৰদান কৰে। প্ৰায় আধা ঘণ্টা চেষ্টাৰ অন্তত আৰক্ষীয়ে ৰাইজৰ সহযোগত দুষ্কৃতিকাৰীসকলকৰ ভিতৰত ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত চাৰিজন লোকক আটক কৰি থানালৈ লৈ যায়। পৰৱৰ্তী সময়ত উত্তপ্ত ৰাইজে আলোপতি থানাৰ সন্মুখত দুষ্কৃতিকাৰীক শাস্তিৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰে। অৱশেষত আলোপতি থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দেৱাসিশ ক্যাশপে আচামীক উপযুক্ত শাস্তি প্ৰদান কৰাৰ আশ্বাস প্ৰদান কৰাৰ পিছতহে প্ৰতিবাদী ৰাইজ শান্ত হৈ ঘৰমুৱা হয়।

# ধুবুৰী জিলাক বাল্য বিবাহ মুক্ত কৰিবলৈ 'ফুলকুমাৰী বাপুজী ক্লাব'ৰ বিশেষ সজাগতা অভিযান

**ই-সংবাদ, তামাৰহাট, ১ মে':** ধুবুৰী জিলাৰ শিশু অধিকাৰ সুৰক্ষা আৰু বাল্যবিবাহ প্ৰতিৰোধৰ বাবে দীৰ্ঘদিন ধৰি কাম কৰা সংস্থা "ফুলকুমাৰী বাপুজী ক্লাবে" বাল্যবিবাহ ৰোধৰ বাবে ধৰ্মগুৰুসকলৰ মাজত এক সজাগতামূলক অভিযান চলোৱা পৰিলক্ষিত হয়। ধৰ্মগুৰুসকলৰ পৰা লাভ কৰা সহযোগিতা আৰু সমৰ্থনৰ বাবে জিলাখনত বাল্য বিবাহৰ ঘটনা প্ৰচলিত হৈ আছিল। শিশু অধিকাৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে "জাষ্ট ৰাইটছ দুৱ চিলড্ৰেন" (জে আৰ চি), দেশৰ নাগৰিক সমাজৰ সংগঠনৰ সৰ্ববৃহৎ নেটৱৰ্ক। ধুবুৰী জিলাৰ ফুলকুমাৰী বাপুজী ক্লাবো এই সংস্থাৰ অংশীদাৰ হিচাপে বাল্য বিবাহ বিৰোধী অভিযান চলাই আছে। এই সংস্থাটোৱে বিয়াৰ বতৰত বাল্য বিবাহ ৰোধৰ বাবে বিভিন্ন ধৰ্মৰ বিবাহ অনুষ্ঠিত কৰা পুৰোহিত, ইমাম সকলক সজাগ কৰাৰ বাবে সজাগতা মূলক অভিযান অব্যাহত ৰাখিছে। লক্ষণীয় যে পণ্ডিত, মৌলবী দৰে পুৰোহিতৰ অনুমোদন অবিহনে কোনো বাল্যবিবাহ হ'ব নোৱাৰে বুলি বিবেচনা কৰি বাল্যবিবাহৰ বিৰুদ্ধে চলোৱা অভিযানৰ সৈতে এইসকল ধৰ্মগুৰুক সংযোগ কৰাৰ সিদ্ধান্ত লৈছে। জিলাখনৰ বহু মন্দিৰ, মছজিদৰ সন্মুখত বৰ্ড আছে য'ত স্পষ্টকৈ লিখা আছে যে ইয়াত বাল্য বিবাহৰ অনুমতি নাই। কিন্তু ভিতৰুৱা ভাবে দীৰ্ঘদিন ধৰি বাল্য বিবাহ দৰে ঘটনা সংঘটিত হৈ আহিছে যদিও এই পৰিস্থিতিৰ কিছু শাম কাটিছে। মন কৰিবলগীয়া যে ২০৩০ চনৰ ভিতৰত দেশৰ পৰা বাল্য বিবাহ নাইকিয়া কৰাৰ লক্ষ্যৰে জে আৰ চিয়ে 'বাল্যবিবাহ মুক্ত ভাৰত' অভিযান চলাই আছে। জে আৰ চি হৈছে দেশৰ ৪১৬খন জিলাত আইনী হস্তক্ষেপৰ জৰিয়তে শিশু অধিকাৰৰ সুৰক্ষা আৰু সুৰক্ষাৰ বাবে স্থলভাগত কাম কৰা ২৫০ টাতকৈও অধিক নাগৰিক সংগঠনৰ নেটৱৰ্কে বিগত বছৰবোৰত দুলাখতকৈও অধিক বাল্যবিবাহ বন্ধ কৰিবলৈ সক্ষম হৈয়ে বুলি ফুলকুমাৰী বাপুজী ক্লাৱে এক বিবৃত্তি যোগে প্ৰকাশ কৰে। ইয়াৰ অংশীদাৰ সংস্থা ফুলকুমাৰী বাপুজী ক্লাৱে স্থানীয় প্ৰশাসনৰ সহযোগিতাত আৰু সমন্বয়ত পৰিয়াল আৰু জনগোষ্ঠীৰ আইনী হস্তক্ষেপ, বুজাবুজিৰ জৰিয়তে কেৱল ২০২৩-২৪ চনত জিলাখনত ৪০০ৰো অধিক বাল্যবিবাহ বন্ধ কৰাৰ দাবী কৰে। নিষেধাজ্ঞা আইন (পিচিএমএ), ২০০৬ৰ অধীনত শাস্তিযোগ্য অপৰাধ এই কথা এতিয়াও বেছিভাগ মানুহেই নাজানে। ইয়াৰ লগত জড়িত লোকৰ দুবছৰ আৰু জৰিমনা বা দুয়োটাৰে শাস্তি হ'ব পাৰে বুলি আইনত উল্লেখ আছে। ইয়াত বৰযাত্ৰী আৰু ছোৱালীৰ ফালৰ পৰা অহা মানুহবোৰৰ বাহিৰেও কেটাৰ, ডেকোৰেটৰ, মিঠাই, মালিক, বেণ্ড বাজা ৰালা, বিবাহ হলৰ মালিক আনকি বিবাহ পৰিচালনা কৰা পণ্ডিত আৰু মৌলৱীকো অপৰাধৰ লগত জড়িত বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকক শাস্তি আৰু জৰিমনা বিহাৰ বিধান আইনত উল্লেখ আছে। সেয়ে ধৰ্মগুৰু আৰু পুৰোহিতৰ মাজত সজাগতা অভিযান চলোৱাৰ সিদ্ধান্ত লৈ সংস্থাটোৱে কাম কৰি আছে। এই অভিযানত পুৰোহিত, ইমামসকলে সহযোগিতা আগবঢ়াইছে বুলি জানিবলৈ দিয়ে। এই অভিযানে ধুবুৰী জিলাক বাল্য বিবাহ মুক্ত জিলা ৰূপে গঢ়ি তুলিবলৈ সক্ষম হ'ব বুলি সংস্থাটোৱে দাবী কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

# তামুলপুৰত দিল্লীৰ ইউ এন ব্ৰহ্মৰ অনুষ্ঠানৰ লাইভ টেলিকাষ্ট

**ই-সংবাদ, তামুলপুৰ, ১ মে':** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ লগতে অন্যান্য নেতা-কৰ্মীসকলৰ উপস্থিতিত দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহে দিল্লীৰ কৈলাশ ক'লনীত বিটিআৰৰ বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ৯ ফুট উচ্চতাৰ এটি প্ৰতিমূৰ্তি আৰু এটি পথ বডোফাৰ নামত আনুষ্ঠানিকভাৱে মুকলি কৰে। সমগ্ৰ অনুষ্ঠানটিৰ লাইভ টেলিকাষ্ট হয় বিটিআৰৰ পাঁচোখন জিলাৰ লগতে বিশ্বনাথ, শোণিতপুৰ, কাৰ্বিআংলং, ধেমাজি, গোৱালপাৰা আৰু কামৰূপ (মহানগৰ)ত। তদুপলক্ষে তামুলপুৰৰ দুৰ্গাপুজা মণ্ডপত তামুলপুৰৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী আৰু অঞ্চলটিৰ গণ্য মান্য ব্যক্তিৰ লগতে হাজাৰোধিক জনসাধাৰণ উপস্থিত থাকি দিল্লীৰ অনুষ্ঠানটি উপভোগ কৰে। লাইভ অনুষ্ঠানৰ শেষত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে স্বাস্থ্যক্ষেত্ৰখনৰ বাবে "পঞ্চামৃত" শীৰ্ষক এটি কাৰ্যসূচীৰ কথাও উল্লেখ কৰে। "পঞ্চামৃত" কাৰ্যসূচীৰ জৰিয়তে জিলাখনৰ চৰকাৰী হাস্পতালবোৰত জন্ম হোৱা নৱজাতকসকলক হাস্পতালখনৰ পৰা ৰিলীজ লোৱাৰ সময়ত জন্মৰ প্ৰমাণপত্ৰ, আধাৰ পঞ্জীয়ন, ভেকচিন কাৰ্ড, সংকল্প কিট্ আৰু ডাকঘৰৰ সুকন্যা আঁচনি প্ৰদান কৰা হ'ব। এই কাৰ্যসূচী এই মাহৰ পৰা কাৰ্যকৰী হ'ব বুলি জিলা আয়ুক্তগৰাকীয়ে ব্যক্ত কৰে। লগতে আয়ুষ্মান ভাৰত ডিজিটেল মিছন (এবিডিএম)ৰ অধীনত জিলাখনত চলি থকা আয়ুষ্মান ভাৰত হেলথ কাৰ্ড (এ বি এইচ এ)-ৰ সুবিধা গ্ৰহণ কৰিবলৈও তেওঁ ৰাইজক আহ্বান জনায়। যিকোনো চৰকাৰী হাস্পতালত এই কাৰ্যসূচী বৰ্তমান চলি আছে বুলিও তেওঁ উল্লেখ কৰে।

# নলবাৰীত জাতীয় শ্ৰমিক পৰিষদৰ উদ্যোগত মে' দিৱস

**ই-সংবাদ, বাঁহজানী, ১ মে':** আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ভাতৃ সংগঠন জাতীয় শ্ৰমিক পৰিষদ, নলবাৰী জিলা সমিতিৰ উদ্যোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে মে' দিৱস উদযাপন কৰা হয়। পুৱাৰ ভাগত পৰিষদৰ পতাকা উত্তোলন কৰে নলবাৰী জিলা সমিতিৰ সভাপতি ধৰণীধৰ ৰাজবংশীয়ে আৰু ছহিদ তৰ্পণ কৰে পৰিষদৰ সাধাৰণ সম্পাদক নৰেন কাকতিয়ে। দুপৰীয়া সময়ত, শতাধিক ই-ৰিক্সাৰে নলবাৰী চহৰত এটি বিশাল ৰেলী আয়োজন কৰা হয়। এই ৰেলীৰ জৰিয়তে শ্ৰমিকসকলৰ অধিকাৰ আৰু সামাজিক-আৰ্থিক ন্যায়ৰ দাবীত জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰাৰ চেষ্টা কৰা হয়। তাৰ পিছতেই দেৰীৰাম পাঠশালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা মুকলি সভাত বিভিন্ন ক্ষেত্ৰত নিয়োজিত তিনি শতাধিক শ্ৰমিকে অংশগ্ৰহণ কৰে। সভাখনত যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি বিশ্বজিৎ বৰুৱা, তথ্য আৰু যোগাযোগ সম্পাদক মৃণাল কুমাৰ বৰ্মন, নলবাৰী জিলা সমিতিৰ সভাপতি আচিক আহমেদ, উপদেষ্টা নিৰোদ দাস, ব্ৰজেন চৌধুৰী, মনোৰম কলিতা, কৌশিক বৰ্মন আৰু সাধাৰণ সম্পাদক প্ৰাঞ্জল কলিতাৰ লগতে পৰিষদৰ বহুতো বিষয়ববীয়া উপস্থিত থাকে। মে' দিৱসৰ ইতিবৃত্ত, শ্ৰমিকসকলৰ অধিকাৰ, ন্যায়পূৰ্ণ মজুৰি, সামাজিক সুৰক্ষা আৰু জাতীয় শ্ৰমিক পৰিষদৰ প্ৰাসংগিকতাৰ ওপৰত আলোচনা কৰে। সভা সমাপ্তিৰ পাছত অংশগ্ৰহণকাৰীসকলে জাতীয় শ্ৰমিক পৰিষদৰ লগতে যুৱ-ছাত্ৰ পৰিষদৰ আহ্বানত শ্ৰমিক ঐক্য আৰু অধিকাৰ ৰক্ষাৰ সংকল্প গ্ৰহণ কৰে। এইদৰে, আজিৰ মে' দিৱস নলবাৰীত এক সচেতনতা আৰু সংগঠনমূলক চেতনাৰে উদযাপন কৰা হয়।

# পঞ্চায়ত নিৰ্বাচন, ডিব্ৰুগড়ত নিষেধাজ্ঞা জাৰি

**ই-সংবাদ, ডিব্ৰুগড়, ১ মে':** পঞ্চায়ত নিৰ্বাচন ২০২৫ৰ ২ মে'ত হ'বলগীয়া ভোটগ্ৰহণ শান্তিপূৰ্ণ তথা কোনোধৰণৰ বাধা-বিঘিনি নোহোৱাকৈ অনুষ্ঠিত কৰিবৰ বাবে ডিব্ৰুগড়ৰ জিলা দণ্ডাধীশ বিক্ৰম কৈৰীয়ে এক আদেশযোগে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ২০২৩ ৰ ১৬৩ নং ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই নিষেধাজ্ঞা অনুসৰি উপযুক্ত কৰ্তৃপক্ষ/জিলা প্ৰশাসনৰ অনুমতি অবিহনে পাঁচজন বা তাতোকৈ অধিক ব্যক্তিৰ সমাগম কৰিব নোৱাৰিব। উপযুক্ত কৰ্তৃপক্ষ/জিলা প্ৰশাসনৰ অনুমতি অবিহনে ৰাজহুৱা সভা অনুষ্ঠিত কৰিব নোৱাৰিব। বিনা অনুমতিত ৰাজহুৱা স্থানত লাউড স্পীকাৰ, মাইক আদি ব্যৱহাৰ কৰিব নোৱাৰিব। উপযুক্ত কৰ্তৃপক্ষৰ অনুমতি অবিহনে যিকোনো শোভাযাত্ৰা/ধৰ্ণা/ৰেলীৰ আয়োজন কৰিব নোৱাৰিব। ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত অথবা আশে পাশে যিকোনো মাৰাত্মক অস্ত্ৰ, আগ্নেয়াস্ত্ৰ আদি কঢ়িয়াব নোৱাৰিব। এই নিষেধাজ্ঞা ৩০ এপ্ৰিল বিয়লি ৪.৩০ বজাৰ পৰা নিৰ্বাচনৰ শেষলৈকে অৰ্থাৎ ২ মে'লৈকে বলবৎ থাকিব। এই আদেশ উলংঘা কৰিলে ভাৰতীয় ন্যায় সংহিতা, ২০২৩ ৰ ধাৰা ২২৩ৰ অধীনত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## ভাগৰ শৰ্মাৰ ডক্টৰেট ডিগ্ৰী লাভ



**ই-সংবাদ, লখিমপুৰঃ** গুজৰাটৰ ৰাষ্ট্ৰীয় ৰক্ষা বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক আৰু বিভাগীয় ভাৰপ্ৰাপ্ত সহ সঞ্চালক ভাৰ্গৱ শৰ্মাই ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। পুণেৰ ভাৰতী বিদ্যাপীঠ দিমদ্ বিশ্ববিদ্যালয়ৰ ২৭ নং সমাৱৰ্তনত তেওঁক এই সন্মান প্ৰদান হ'ব। উল্লেখযোগ্য যে, তেওঁৰ গৱেষণাৰ বিষয় আছিল "An Effect of Functional Training on Active Adults and Geriatic Population to Enhance Cognitive Ability"। ভাৰতী বিদ্যাপীঠ দিমদ্ বিশ্ববিদ্যালয়ৰ শাৰীৰিক শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক ড০ স্বপ্নীল বিধাতেৰ তত্ত্বাৱধানত তেওঁ এই গৱেষণা সফলতাৰে সম্পন্ন কৰে। ভাৰ্গৱ শৰ্মাৰ ঘৰ লখিমপুৰ জিলাৰ নকাড়ীৰ ৩নং ৱাৰ্ডত। স্বৰ্গীয় সৰ্বানন্দ শৰ্মা আৰু মাতৃ শ্ৰীমতী কণমাই মহন্তৰ পুত্ৰ ভাৰ্গৱৰ এই সাফল্যই অঞ্চলটোত আনন্দৰ লহৰ তুলিছে।



তামুলপুৰত দিল্লীৰ ইউ এন ব্ৰহ্মৰ অনুষ্ঠানৰ লাইভ টেলিকাষ্ট, ফটোঃ ই-সংবাদ, তামুলপুৰ

# বৰপেটাৰোডলৈ গৌৰৱ কঢ়িয়াই আনিলে গাৰ্গী সৰকাৰে

**ই-সংবাদ, বৰপেটাৰোড, ১ মে':** উচ্চ মাধ্যমিক পৰীক্ষাৰ ফলাফল ঘোষণা হোৱাৰ পিছতেই বৰপেটাৰোডৰ দ্ৰোণাচাৰ্য একাডেমীত ছাত্ৰ-ছাত্ৰীসকলে ফটকা ফুটাই নাচি বাগী এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰে। প্ৰতি বছৰেই সুনাম অৰ্জন কৰা শিক্ষানুষ্ঠানখনে এইবেলিও সুনাম অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ফলাফলত উজলিল বৰপেটাৰোডৰ দ্ৰোণাচাৰ্য একাডেমীৰ ছাত্ৰী গাৰ্গী সৰকাৰ। বাণিজ্য শাখাত ৯৪.% নম্বৰে বৰপেটাৰোডৰ লগতে বৰপেটা জিলালৈ গৌৰৱ কঢ়িয়াই আনিলে মেধাৱী ছাত্ৰীগৰাকীয়ে। ফলাফল ঘোষণাৰ পিছতেই শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ মাজত আনন্দৰ বন্যা বয়।

এইবাৰ বাণিজ্য শাখাত আটাইকেইটা বিষয়ত লেটাৰ নম্বৰসহ ৪৭০ নম্বৰেৰে ৯৪% নম্বৰ লাভ কৰি বৰপেটাৰোডলৈ সুনাম কঢ়িয়াই আনে বৰপেটাৰোডৰ বাণিজ্য শাখাৰ ছাত্ৰী গাৰ্গী সৰকাৰে। তদুপৰি বৰপেটাৰোডৰ দ্ৰোণাচাৰ্য একাডেমীৰ ছাত্ৰী গাৰ্গী সৰকাৰে ব্যৱসায়ী অধ্যয়নত বিষয়ত ৯৯ নম্বৰ লাভ কৰি অসমৰ ভিতৰতেই সৰ্বোচ্চ নম্বৰ পাবলৈ সক্ষম হৈছে। তদুপৰি শিক্ষানুষ্ঠানখনৰ দিবা জৈন, দীপ সাহা, গাৰ্গী সৰকাৰে ব্যৱসায়ী অধ্যয়ন বিষয়ত ৯৯ নম্বৰ লাভ কৰি অসমৰ ভিতৰতেই সৰ্বোচ্চ নম্বৰ পাবলৈ সক্ষম হৈছে। শিক্ষানুষ্ঠানখনে ১০০% উত্তীৰ্ণৰে বৰপেটাৰোডলৈ সুনাম অৰ্জন কৰিবলৈ সক্ষম হয়।

# ডিফুত কাৰ্বি আংলং মহিলা কংগ্ৰেছৰ মুখ্যমন্ত্ৰীৰ পুত্তলিকা দাহ

**ই-সংবাদ, ডিফু, ১ মে':** বৃহস্পতিবাৰে দিনৰ ১২ বজাত কাৰ্বি আংলং মহিলা কংগ্ৰেছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ কৰে। উল্লেখ্য যে ২০০১ চনৰ পৰা ২০১৫ চনলৈ অসমত কংগ্ৰেছৰ শাসনৰ সময়ত মহিলাসকলে দেহৰ বিনিময়ত চাকৰি লোৱা বুলি মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যৰ বিৰোধিতাৰে ৰাজ্যৰ লগতে কাৰ্বি আংলং জিলা কংগ্ৰেছেও আজি ডিফু জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা সমদল কৰি ডিফু কাছা ষ্টেডিয়ামৰ সন্মুখত হিমন্ত বিশ্ব শৰ্মা হায় হায়, হিমন্ত বিশ্ব শৰ্মা গ'বেক, হিমন্ত বিশ্ব শৰ্মা লেই লেই ছেই আদি শ্ল'গান দি মুখ্যমন্ত্ৰীৰ পুত্তলিকা দাহ কৰে। জিলা মহিলা কংগ্ৰেছৰ সভানেত্ৰী পূৰ্ণিমা টেৰণপীয়ে সংবাদ মাধ্যমৰ ওচৰত কয় যে, অসমৰ মুখ্যমন্ত্ৰীয়ে এনে নিৰ্লজ্জ মন্তব্যৰে অসমৰ নাৰী সমাজক অপমানিত কৰিছে। এনে মন্তব্যক নাৰী সমাজে মানি নলয়। পূৰ্ণিমা টেৰণপীয়ে ২৪ ঘণ্টাৰ ভিতৰত মুখ্যমন্ত্ৰীক ক্ষমা খোজাৰ দাবী জনায়। কংগ্ৰেছ নেত্ৰী তথা মুখপাত্ৰ চেৰিশ্মা ৰংপিপিয়ে মুখ্যমন্ত্ৰীক তীব্ৰ ভাষাৰে সমালোচনা কৰি মুখ্যমন্ত্ৰীৰ এনে মন্তব্য কোনো কাৰণতে গ্ৰহণযোগ্য হ'ব নোৱাৰে বুলি কয়। মুখ্যমন্ত্ৰীগৰাকীক প্ৰত্যাক্ৰমণ কৰি নেত্ৰীগৰাকীয়ে কয় যে, সেই সময়ত হিমন্ত বিশ্ব শৰ্মা অসমৰ অন্যতম শক্তিশালী মন্ত্ৰী আছিল। অসমৰ মহিলাসকলৰ নিজৰ সক্ষমতাৰে চাকৰি পোৱাৰ যোগ্যতা নাছিল নেকি বুলি প্ৰশ্ন কৰি মুখ্যমন্ত্ৰীৰ জালুকবাৰী সমষ্টিত নিযুক্তি পোৱা মহিলাসকলৰ ক্ষেত্ৰত কি ক'ব বুলিও প্ৰশ্ন কৰে। অসমৰ মহিলাক কৰা এনে অপমান কংগ্ৰেছ দলে সহ্য নকৰে বুলি ৰংপিপীয়ে হুংকাৰ দিয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# লণ্ডন ইণ্টাৰনেচনেল ফিল্ম এৱাৰ্ডত ব্ৰঞ্জৰ পদক 'গমন'লৈ

**ই-সংবাদ, ৰঙিয়া, ১ মে':** সদ্য মুক্তিপ্ৰাপ্ত অসমীয়া কলাত্মক কথাছবি গমন দ্য লাষ্ট জাৰ্নিয়ে কঢ়িয়াই আনিছে আন এক সুখবৰ। লণ্ডন ইণ্টাৰনেচনেল ফিল্ম এৱাৰ্ডৰ প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে অসমীয়া কথাছবি গমন দ্য লাষ্ট জাৰ্নিয়ে। আজি ৰঙিয়াত সংবাদ মাধ্যমক সম্বোধন কৰি অন্যতম প্ৰযোজক যতীন্দ্ৰ নাথ খনিকৰে এই তথ্য সদৰি কৰে। বি কে ফিল্মচৰ বেনাৰত যতীন্দ্ৰ নাথ খনিকৰ আৰু বিপুল কলিতাৰ প্ৰযোজনাৰে নিৰ্মিত আৰু পৰিচালক চন্দ্ৰ মুদৈৰ পৰিচালনাত নিৰ্মিত গমন দ্য লাষ্ট জাৰ্নিয়ে ইতিপূৰ্বে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সুখ্যাতি লাভ কৰিছে। লছ এঞ্জেলছ আৰু আৰ্মষ্টাৰডামৰ ছেভেন কণ্টিনেণ্টেল এৱাৰ্ড প্ৰতিযোগিতাৰ লগতে আৰ্জেনটিনাত অনুষ্ঠিত বুয়েনচ্ আয়াৰ্ছ ইণ্টাৰনেচনেল ফিল্ম ফেষ্টিভেলত ছবিখন প্ৰদৰ্শনৰ বাবে মনোনীত হৈছিল। হায়দৰাবাদত অনুষ্ঠিত নৱম ইণ্ডিয়ান ৱাৰ্ল্ড ফিল্ম মহোৎসৱত শ্ৰেষ্ঠ চিত্ৰনাট্যৰ বঁটা অৰ্জন কৰা ছবিখনে শেহতীয়াকৈ লণ্ডন ইণ্টাৰনেচনেল ফিল্ম এৱাৰ্ড প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক বুটলি ৰাজ্যৰ ছবিজগতলৈ বিশেষ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

## কোকৰাঝাৰত বাল্যবিবাহ নিৰ্মূলৰ উদ্দেশ্যে সংকল্প গ্ৰহণ কাৰ্যসূচী

**ই-সংবাদ, পৰ্বতঝোৰা, ১ মে':** কোকৰাঝাৰ জিলাত বাল্যবিবাহ সম্পূৰ্ণভাৱে নিৰ্মূল কৰাৰ বাবে বুধবাৰে অক্ষয় তৃতীয়াৰ বিশেষ ক্ষণক সাক্ষী কৰি ছত্ৰ(SATRA) নামৰ সেচ্ছাসেৱী সংগঠনটোৱে বিভিন্ন ধৰ্মগুৰুৰ সহযোগত এক সংকল্প গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে ছত্ৰ(SATRA) নামৰ সেচ্ছাসেৱী সংগঠনটোৰ কোকৰাঝাৰ জিলা সমন্বয়ক প্ৰাঞ্জল বৰুৱা আৰু সেচ্ছাসেৱী সংগঠনটোৰ সহযোগী খানটাই ব্ৰহ্মই এক প্ৰেছ বিবৃতিযোগে উল্লেখ কৰে যে আগন্তুক বিবাহৰ বতৰত বিশেষকৈ অক্ষয় তৃতীয়াৰ পৰা যাতে কোনো ধৰণৰ বাল্যবিবাহ কাৰ্য সম্পূৰ্ণ হ'ব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি সকলো ধৰ্মৰ ধৰ্ম গুৰুসকলক লৈ এক সজাগতা অভিযান আৰম্ভ কৰিছে। তেওঁলোকে আনকি উল্লেখ কৰে যে বিভিন্ন ধৰ্ম গুৰুসকলৰ সহযোগ আৰু অভূতপূৰ্ব সমৰ্থনে কোকৰাঝাৰ জিলাত শূন্য বাল্যবিবাহ নিশ্চিত হ'ব। ইপিনে, সংগঠটোৱে উল্লেখ কৰে যে শিশুৰ অধিকাৰ সুৰক্ষিত কৰাৰ লগতে শিশুৰ প্ৰতি দায়বদ্ধতা নিশ্চিত কৰিব। আনকি ধৰ্মীয় গুৰুসকল আৰু ছত্ৰ(SATRA)-ই একেলগে ঘোষণা কৰিছে যে বাল্যবিবাহ এটা জঘন্য অপৰাধ আৰু ইয়াৰ লগত জড়িতসকল আইন অনুসাৰে শাস্তি পোৱাৰ যোগ্য। আনকি সেচ্ছাসেৱী সংগঠনটোৰ কাৰ্যবাহী সঞ্চালক ননী কুমাৰ শইকীয়াই কৈছে যে বাল্যবিবাহ এক জঘন্য অপৰাধ, ইয়াক অন্ত পেলোৱাৰ বাবে এইটোৱেই এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। সেচ্ছাসেৱী সংঠনটোৱে সামাজিক ব্যাধি স্বৰূপ বাল্যবিবাহ ৰোধ কৰাৰ বাবে লোৱা পদক্ষেপে সচেতন মহলৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে।



ডিফুত কাৰ্বি আংলং মহিলা কংগ্ৰেছৰ মুখ্যমন্ত্ৰীৰ পুত্তলিকা দাহ, ফটোঃ ই-সংবাদ, ডিফু

# বৰদৌলগুৰি-দুমুনীচকীত আকৰ্ষণীয় পৰ্যায়ত অগপ-কংগ্ৰেছৰ নিৰ্বাচনী যুঁজ!

**ই-সংবাদ, দুনী, ১ মে':** ৰাজ্যত ক্ৰমাৎ আকৰ্ষণীয় হৈ পৰিছে পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযান। দ্বিতীয় পৰ্যায়ৰ ভোট গ্ৰহণ ৭ মে'ত অনুষ্ঠিত হ'ব। দৰঙত পিছ পৰি ৰোৱা নাই শাসক-বিৰোধী। ইতিমধ্যে ভোটাৰক আকৰ্ষিত কৰি তৃণমূল পৰ্যায়ৰ ক্ষমতা দখল কৰিবলৈ উঠিপৰি লাগিছে শাসক-বিৰোধী। জিলাখনৰ ৩ নং বৰদৌলগুৰি-দুমুনীচকী জিলা পৰিষদৰ সমষ্টি দখলৰ মৰণপণ যুঁজত নামি পৰিছে ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু অসম গণ পৰিষদ। ছিপাঝাৰ সমষ্টিৰ অধীনস্থ সমষ্টিটো বিজেপি মিত্ৰজোঁটৰ হৈ অগপই প্ৰতিদ্বন্দ্বিতা কৰিছে। অগপ প্ৰাৰ্থী চণ্ডী চৰণ চৌধুৰীয়ে তীব্ৰতৰ কৰি তুলিছে প্ৰচাৰ অভিযান। সমান্তৰালভাৱে কংগ্ৰেছ প্ৰাৰ্থী-অধিবক্তা বাহাৰুল ইছলামে ঘৰে ঘৰে গৈ ভোট বিচাৰি ৰাইজৰ কাষ চপা পৰিলক্ষিত হৈছে। যোৱাটো কাৰ্যকালত দুমুনীচকী-কুৰুৱা জিলা পৰিষদৰ সদস্য হিচাপে ৰাইজৰ মাজত সুপৰিচিত কংগ্ৰেছ প্ৰাৰ্থীগৰাকী নিজস্ব ৰণকৌশলেৰে জঁপিয়াই পৰিছে নিৰ্বাচনী যুঁজত। মাৰৈ, দুমুনীচকী, লোক্ৰাই, ব্যাসপাৰা, তুৰাই, বৰদৌলগুৰি পঞ্চায়তেৰে গঠিত সমষ্টিটো অগপ-কংগ্ৰেছৰ বাবে হৈ পৰিছে সন্মান ৰক্ষাৰ প্ৰশ্ন। বিজয়ৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাৰ বাবে উঠিপৰি লাগিছে উচ্চ শিক্ষিত, অধিবক্তা, একালৰ সাংবাদিক কংগ্ৰেছ প্ৰাৰ্থী বাহাৰুল ইছলাম। আনহাতে প্ৰাক্তন মন্ত্ৰী, অগপ নেতা জয়নাথ শৰ্মাৰ বাবে পঞ্চায়ত নিৰ্বাচনটো সন্মান ৰক্ষাৰ যুঁজ হৈ পৰিছে ছিপাঝাৰত। বৰদৌলগুৰি-দুমুনীচকী জিলা পৰিষদৰ আসনখন দখল কৰিবলৈ সদলবলে সমষ্টিটোত নামি পৰা পৰিলক্ষিত হৈছে প্ৰাক্তন মন্ত্ৰীজনক। অৱশ্যে বৰদৌলগুৰি-দুমুনীচকী সমষ্টিত ভোটাৰ ৰাইজে কাৰ পক্ষত ভোটদান কৰে সেয়া হ'ব লক্ষণীয়। উল্লেখ্য, ছিপাঝাৰ সমষ্টিৰ চাৰিটা জিলা পৰিষদ সমষ্টিৰ এটাত বিজেপি বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ বিপৰীতে বৰদৌলগুৰি-দুমুনীচকী, পথৰুঘাট-দুনী, দেওমৰনৈ-টেঙাবাৰী সমষ্টিত কংগ্ৰেছ আৰু বিজেপি মিত্ৰজোঁটৰ মাজতে হ'ব প্ৰতিদ্বন্দ্বিতা। এনেদৰে আকৰ্ষণীয় হৈ পৰিছে জিলাখনৰ পঞ্চায়ত নিৰ্বাচন।

# পাপৰি বৰ্মনলৈ ভাৰতীয় ভাষা পৰিষদৰ যুৱ পুৰস্কাৰ সন্মান

**ই-সংবাদ, চামতা, ১ মে':** কলকাতাৰ ৩৬ এ শ্বেইক্সপিয়াৰ চাৰানিত আজি ভাৰতীয় ভাষা পৰিষদৰ ২০২৫ বৰ্ষৰ সাহিত্য বঁটা প্ৰদান অনুষ্ঠানত যুৱ সাহিত্যিক শাখাৰ বাবে নিৰ্বাচিত নলবাৰী জিলাৰ চামতাৰ পাপৰি বৰ্মনে অসমৰ একমাত্ৰ যুৱ সাহিত্যিকৰ বঁটা গ্ৰহণ কৰে। আজি আবেলি অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানত যুৱ পুৰস্কাৰ ২০২৫ সন্মান পাপৰি বৰ্মনক অসমীয়া সাহিত্যৰ প্ৰতি আগবঢ়োৱা সৃষ্টিশীল লেখাৰ (গল্প) বাবে অংগবস্ত্ৰ, ফলক, অৰ্থমূল্য নগদ ৫১০০০-/ টকা প্ৰদান কৰে। 'ভাৰতীয় ভাষা পৰিষদ'ৰ ৫০ বছৰীয়া সোণালী জয়ন্তী উপলক্ষে পুৰস্কাৰ প্ৰাপ্তক যুৱ আৰু জ্যেষ্ঠ সৰ্বমুঠ আঠগৰাকী লেখকৰ লগতে বিদগ্ধ সমাজে 'ভাৰতীয়তাৰ অন্তৰ্দৃষ্টি'ৰ ওপৰত ব্যক্তব্য ৰাখে। পাপৰি বৰ্মনক অসমীয়া ভাষাত গল্প-সাহিত্যৰ সৃজনীমূলক আৰু ৰাজনৈতিক দৃষ্টিকোণৰ পৰা সমাজৰ নিম্নশ্ৰেণীৰ চৰিত্ৰ অংকনৰ স্বীকৃতি হিচাপে 'ভাৰতীয় ভাষা পৰিষদ'-এ এই সন্মান প্ৰদান কৰিছে।

# সুখ্যাতিৰে উত্তীৰ্ণ বেতবাৰীৰ গায়ত্ৰী ফুকনক বিপুল অভিনন্দন ভাৰতীয় ষ্টেট বেংকৰ

**ই-সংবাদ, শিৱসাগৰ, ১ মে':** অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ডে কালি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কলা শাখাৰ ফলাফলত ৯৬.৮০ শতাংশ নম্বৰ লাভেৰে সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিৱসাগৰ বেতবাৰীৰ গায়ত্ৰী ফুকনক আজি ভাৰতীয় ষ্টেট বেংকৰ তৰফৰ পৰা বিপুল অভিনন্দন জ্ঞাপন কৰা হয়। আজি বিয়লি এছ বি আইৰ উচ্চপদস্থ বিষয়া, কৰ্মচাৰীৰ এটি দল গায়ত্ৰী ফুকনৰ বেতবাৰী দুই নং দ-গাঁৱৰ বাসগৃহত উপস্থিত হৈ অভিনন্দন-পত্ৰ, ফুলাম গামোচা, শৈক্ষিক সামগ্ৰীৰ টোপোলাসহ অভিনন্দন জ্ঞাপন কৰাৰ লগতে কিছু পৰিমাণে আৰ্থিক সাহায্য প্ৰদান কৰে। এছ বি আইৰ ডেপুটি মেনেজাৰ ৰাতুল কোঁৱৰে আঁত ধৰা অনুষ্ঠানত গায়ত্ৰী ফুকনক অভিনন্দন-পত্ৰ প্ৰদান কৰে বেংকটোৰ যোৰহাট ৰিজঅ'নেল অফিচৰ এছিছটেন্ট জেনেৰেল মেনেজাৰ অনুৰাগ অৰ্পণে। অনুৰাগ অৰ্পণে ভাষণ প্ৰদান কৰি বিদ্যাভৱন ডিমুৱালৰ পৰা পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা



গায়ত্ৰী ফুকনে দৰিদ্ৰতা নেওচি নিজৰ একাগ্ৰতা, অধ্যয়নশীলতাৰ বলত শিৱসাগৰবাসীৰ বাবে যি গৌৰৱ কঢ়িয়ালে সেয়া বহুতৰে বাবে প্ৰেৰণাদায়ক বুলি মন্তব্য কৰে। তেওঁ লগতে আৰু কয় যে"সমাজত আৰু গায়ত্ৰী ফুকনৰ জন্ম হওক। শিক্ষাই জীৱন সুন্দৰ কৰে, সমাজখনক, দেশখনক আগুৱাই যোৱাত সহায় কৰে শিক্ষাই। দেশখনৰ দ্ৰুত উন্নয়ন, প্ৰগতি হ'বলৈ হ'লে ছোৱালীসকলো শিক্ষা-দীক্ষাৰে আগুৱাই যাব লাগিব। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও নাৰী শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব দিছে। গায়ত্ৰী ফুকনে লাভ কৰা ফলাফলে গ্ৰামাঞ্চলৰ আৰু বহু কন্যাক ভালদৰে পঢ়িবলৈ প্ৰেৰণা দিব।" অনাগত দিনত সহায়-সহযোগিতাৰ প্ৰয়োজন হ'লে সহায় কৰিব বুলিও আশ্বাস দিয়ে অনুৰাগ অৰ্পণে। অনুষ্ঠানত উপস্থিত থাকি এছ বি আই শিৱসাগৰৰ মুখ্য প্ৰবন্ধক প্ৰশান্ত কুমাৰে গায়ত্ৰী ফুকনে অনাগত দিনতো যাতে ভালদৰে অধ্যয়ন কৰি দেশৰ বাবে কাম কৰে, সমাজৰ বাবে কাম কৰে তাকে কামনা কৰে। আনহাতে কৃতী ছাত্ৰী গায়ত্ৰী ফুকনে ফলাফল ঘোষণা কৰাৰ পিছদিনাই ভাৰতীয় ষ্টেট বেংকৰ বিষয়ববীয়াসকলে তেওঁৰ ঘৰলৈ আহি যিদৰে উৎসাহিত কৰিলে তাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। অতি ব্যস্ততাৰ মাজতো ভাৰতীয় ষ্টেট বেংকে যি পদক্ষেপ লৈছে তাৰ পৰা যথেষ্ট সাহস লাভ কৰা বুলি দোহাৰে। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক নৱ মহন, হিতনাথ চেতিয়া, স্থানীয় একাংশ নাগৰিকসহ এছ বি আইৰ কেইবাগৰাকী কৰ্মচাৰী উপস্থিত থাকে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# ঘৰত বিজুলী ব্যৱস্থা নথকা ৰক্তিম গগৈৰ সফলতা

**ই-সংবাদ, মথুৰাপুৰ, ১ মে':** আৰ্থিক অনাটনৰ মাজতে ঘৰত বিজুলীৰ ব্যৱস্থা নথকা ৰক্তিম গগৈয়ে নিশা আনৰ ঘৰত অধ্যয়ন কৰি প্ৰমাণ কৰি দেখুৱালে সফলতাৰ পথত দৰিদ্ৰতা কেতিয়াও হেঙাৰ হ'ব নোৱাৰে। সদ্য ঘোষিত দ্বাদশ শ্ৰেণীৰ শিক্ষান্ত পৰীক্ষাৰ ফলাফলত মথুৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ তথা মথুৰাপুৰ মাইবেলা কৃষিপাম নিবাসী নীলমণি গগৈৰ পুত্ৰ ৰক্তিম গগৈয়ে কলা বিভাগত ৫ টা বিষয়ত লেটাৰসহ ৮৪.৮% শতাংশ নম্বৰ লাভ কৰি প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনে। বিদ্যালয়খনৰ অধ্যক্ষ তথা শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰজনক শিক্ষাৰ ক্ষেত্ৰত আৰ্থিক দিশত সহায় কৰিছিল।

# বৰপেটাৰোড সাৰ্বজনীন ৰঙালী বিহু সন্মিলনৰ বিহুৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, বৰপেটাৰোড, ১ মে':** বৰপেটাৰোড সাৰ্বজনীন ৰঙালী বিহু উদযাপন সমিতিয়ে ব্যাপক পৰিকল্পনা আৰু প্ৰস্তুতিৰে আয়োজন কৰিছে ৪৯ সংখ্যক সাৰ্বজনীন ৰঙালী বিহু সন্মিলনৰ। আজি ৪৯ সংখ্যক সাৰ্বজনীন ৰঙালী বিহু সন্মিলনখনিৰ ধৰ্মীয় পৰম্পৰাৰে লাইখুঁটা স্থাপন কৰা হয়। ১৯৭৭ চনৰ বসন্তৰ এটি শুভক্ষণত আঠিয়াবাৰীৰ বুকুত জন্ম লাভ কৰা সাৰ্বজনীন ৰঙালী বিহু সন্মিলনে বৰপেটাৰোড চহৰত বিগত ৪৮ টি বসন্তত উলহ-মালহেৰে ৰঙালী বিহু উৎসৱ পালন কৰি আহিছে। এইবেলি ৪৯ সংখ্যক সাৰ্বজনীন ৰঙালী বিহু সন্মিলনখনি অহা ২৮, ২৯ আৰু ৩০ ব'হাগ তথা ১২, ১৩ আৰু ১৪ মে'ত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে বৰপেটাৰোড ষ্টেডিয়াম খেলপথাৰত আয়োজন কৰা হৈছে। সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ হিচাপে থাকিব কমলিকা কাশ্যপ, কুমাৰ ধীৰাজ আৰু তৃষ্ণা দেৱী।ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে বৰপেটাৰোড সাৰ্বজনীন ৰঙালী বিহু সন্মিলনীয়ে।



**কবি-সাহিত্যিক সুৰেন্দ্ৰ নাথ ডেকাৰ সোঁৱৰণী সভাৰ এটি মুহূৰ্ত, ফটোঃ ই-সংবাদ, জাগীৰোড**

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# পাখিমৰীয়া-কাছমাৰী জিলা পৰিষদত নিৰ্বাচনৰ গৰম বতাহ

**ই-সংবাদ, বেবেজীয়া, ১ মে':** দ্বিতীয় পৰ্যায়ত অহা ৭ মে'ত অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাতো ৰাজনৈতিক দলে নিজ নিজ প্ৰক্ষেপিত প্ৰাৰ্থীৰ হৈ ব্যাপক প্ৰচাৰ অভিযানত নামি পৰিছে। বিশেষকৈ জিলাখনৰ অন্যতম গুৰুত্বপূৰ্ণ পাখিমৰীয়া আৰু কাছমাৰী জিলা পৰিষদৰ আসন দুখন পুনৰবাৰ নিজৰ দখলত ৰাখিবৰ বাবে শাসকীয় বিজেপি দলে প্ৰচাৰ অভিযান জোৰদাৰ কৰি তুলিছে। ইয়াৰে পাখিমৰীয়া জিলা পৰিষদৰ বাবে বিজেপিয়ে যুৱ নেতা অৰ্ণৱ দাসক প্ৰাৰ্থিত্ব প্ৰদান কৰাৰ বিপৰীতে বিৰোধী দল কংগ্ৰেছৰ পৰা প্ৰণৱ শইকীয়া আৰু আম আদমী পাৰ্টিৰ পৰা শ্ৰৱন সিঙে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ঠিক সেইদৰে কাছমাৰী জিলা পৰিষদত বিজেপিৰ প্ৰাঞ্জল দাস, কংগ্ৰেছৰ ধ্ৰুৱজ্যোতি ৰাজা আৰু নিৰ্দলীয়ভাৱে দীপাংকৰ ৰাজা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। এইবাৰ এই জিলা পৰিষদৰ আসন দুখনৰ বাবে সকলোৰে পৰিচিত অৰ্ণৱ দাস আৰু প্ৰাঞ্জল দাসৰ দৰে দুগৰাকী উদ্যমী যুৱ সমাজকৰ্মীক বিজেপিয়ে প্ৰাৰ্থিত্ব প্ৰদান কৰাত বিৰোধী কংগ্ৰেছ দলৰ নেতা-কৰ্মী বা আন প্ৰাৰ্থীৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে। আনকি শেহতীয়া লোকসভা নিৰ্বাচনৰ সময়ত অহা প্ৰতিষ্ঠান বিৰোধী ঢৌয়ে সাধাৰণ জনতাক চুই যোৱাৰ দৰে সমাগত পঞ্চায়ত নিৰ্বাচনৰ এই মুহূৰ্তলৈকে কংগ্ৰেছ দলৰ কোনো চকুত লগা বতাহ পৰিলক্ষিত হোৱা নাই। তদুপৰি শাসকীয় দলৰ প্ৰাৰ্থী দুগৰাকীয়ে চৰকাৰী আঁচনিৰ সুবাদত সাধাৰণ ৰাইজৰ মাজলৈ যাবলৈ বহুখিনি সহায়ক হৈ পৰিছে। ইয়াৰে দক্ষিণপাট, তুলসী দেউৰী, দেওধৰ, জামুগুৰি-কুজিদাঁহ, ঘাঁহী, বেবেজীয়া-ডিমৌ-বাংঠাই আৰু কাকমাৰী পঞ্চায়তক লৈ গঠিত পাখিমৰীয়া জিলা পৰিষদৰ আসনখন দখলৰ বাবে বিজেপিৰ প্ৰাৰ্থী অৰ্ণৱ দাসৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। বিগত সময়ছোৱাত স্থানীয় অঞ্চলৰ সামাজিক ক্ষেত্ৰখনৰ লগত সক্ৰিয়ভাৱে জড়িত থাকি সমাজ সেৱাত ব্ৰতী হৈ এক সুকীয়া পৰিচয় দাঙি ধৰিবলৈ সক্ষম বিজেপিৰ প্ৰাৰ্থীগৰাকীয়ে দিনে-নিশাই ৰাইজৰ মাজত সোমাই পৰি মাৰাথন প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। ঘাইকৈ যুৱ সমাজকৰ্মী হিচাপে দৰিদ্ৰ, পীড়িত আৰু আৰ্তজনৰ কাষত সততে থিয় দি সাধ্যানুসৰি সহায়ৰ হাত আগবঢ়াই অহা অৰ্ণৱ দাসে ৰাইজৰ পৰা আস্থা আদায় কৰিবলৈ সক্ষম হৈছে। পিছে বিজেপিৰ প্ৰাৰ্থীগৰাকীৰ তুলনাত তেওঁৰ প্ৰতিদ্বন্দ্বী কংগ্ৰেছ আৰু আম আদমী পাৰ্টীৰ প্ৰাৰ্থী দুগৰাকীৰ প্ৰচাৰ অভিযান বৰ্তমানলৈকে চালুকীয়া অৱস্থাতে থকা দৃষ্টিগোচৰ হৈছে। ইয়াৰ বিপৰীতে শেনচোৱা, মাজ জাজৰি-দৰঙীয়াল, কাছমাৰী, ৰাইদঙীয়া-বটদ্ৰৱা আৰু আইভেটী পঞ্চায়তক লৈ গঠিত কাছমাৰী জিলা পৰিষদত তিনিও গৰাকী প্ৰাৰ্থীয়ে সৱল ৰূপত ভোটাৰৰ মন আকৰ্ষণ কৰিবলৈ চেষ্টা চলোৱাৰ সমান্তৰালকৈ নিজৰ নিজৰ নিৰ্বাচনী প্ৰচাৰ অভিযানো জোৰদাৰ কৰি তুলিছে। প্ৰাৰ্থীসকলে ভোটাৰৰ মন আকৃষ্ট কৰিবলৈ ঘৰে ঘৰে যোৱাৰ লগতে চোতাল সভা আদিৰো আয়োজন কৰা দেখা গৈছে। ইয়াৰে এক সামাজিকভাৱে সৱল স্থিতি থকা বিজেপিৰ প্ৰাৰ্থী প্ৰাঞ্জল দাস আৰু নিৰ্দলীয় প্ৰাৰ্থী দীপাংকৰ ৰাজাই নিজাববীয়াকৈ ঘৰে ঘৰে গৈ জ্যেষ্ঠসকলক গামোচা পিন্ধাই ভৰি চুই আশীষ বিচাৰি ব্যতিক্ৰমী প্ৰচাৰ চলাই থকাৰ বিপৰীতে বিজেপিৰ প্ৰাৰ্থীগৰাকীৰ হৈ পঞ্চায়তে পঞ্চায়তে অহৰহ মাৰাথন প্ৰচাৰত ব্যস্ত হৈ পৰিছে বিধায়ক ৰূপক শৰ্মা। ইয়াৰ বিপৰীতে কংগ্ৰেছৰ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি ৰাজাৰ হৈ কেইদিনমান পূৰ্বে সাংসদ প্ৰদ্যুত বৰদলৈয়ে পঞ্চায়তসমূহত সভা অনুষ্ঠিত কৰি প্ৰচাৰ চলাই যায় যদিও বাকী দুগৰাকী প্ৰাৰ্থীৰ তুলনাত কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকী প্ৰচাৰ অভিযানত বহুখিনি পিছ পৰি থকা দেখা গৈছে। সেয়ে বৰ্তমানৰ প্ৰচাৰ অভিযানৰ ছবিখন চাই পাখিমৰীয়া আৰু কাছমাৰী জিলা পৰিষদৰ আসন দুখনত শাসকীয় বিজেপিৰ প্ৰাৰ্থীয়ে বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰাৰ পূৰ্ণ সম্ভাৱনা আছে।

# ডিব্ৰুগড়ৰ বিশিষ্ট অভিনেত্ৰী মফিদা শ্বাহৰ দেহাৱসান

ই-সংবাদ, ডিব্ৰুগড়, ১ মে': ডিব্ৰুগড়ৰ খালিহামাৰি জেইলৰোড নিবাসী চলচ্চিত্ৰ অভিনেত্ৰী মফিদা শ্বাহৰ আজি পুৱা হৃদৰোগত আক্ৰান্ত হৈ ৭৭ বছৰ বয়সত মৃত্যু হয়। ১৯৪৮ চনৰ ১৫ মাৰ্চত জন্ম গ্ৰহণ কৰা মফিদা শ্বাহ আছিল ডিব্ৰুগড়ৰ প্ৰখ্যাত আওৰংগ শ্বাহ পৰিয়ালৰ বোৱাৰী। ১৯৬৩ চনত মুক্তিলাভ কৰা অসমীয়া কথছবি 'তেজীমলা'ত অভিনয় কৰি মফিদা শ্বাহে সফলতা লাভ কৰে। 'তেজীমলা' ছবিখনৰ প্ৰযোজক-পৰিচালক আছিল আনোৱাৰ হুছেইন আৰু সংগীত পৰিচালক আছিল ৰাজেশ্বৰ বৰদলৈ। ছবিখনত মফিদা শ্বাহৰ লগতে অন্যান্য শিল্পীসকল আছিল বীনা বৰুৱা, ইন্দিৰা বৰুৱা, ৰোহিনী বৰুৱা, অনুৰাধা দেৱী, জিতেন্দ্ৰ কুমাৰ, এ মজিদ, নৱ কুমাৰ, ভোলা কাকতি, এছ ৰহমান, জাহানুদ্দিন আৰু নৰেশ বিশ্বাস। এগৰাকী অভিনেত্ৰী হিচাপে স্বীকৃতি লাভ কৰা মফিদা শ্বাহে ২০১৪ চনত ডিব্ৰুগড় অনুষ্ঠিত প্ৰাগ চিনে এৱাৰ্ড সন্মান লাভ কৰে। এগৰাকী ধৰ্মপ্ৰাণ সহজ সৰল মহিলা হিচাপে পৰিচিতি লাভ কৰা মফিদা শ্বাহৰ স্বামী আছিল মৰহুম ৰিজুৱান শ্বাহ আৰু মৃত্যুৰ সময়ত জীয়ৰী নাইদা হাছিন শ্বাহ, পুত্ৰ নৱাজ শ্বাহৰ লগতে বোৱাৰী আৰু নাতি-নাতিনীসহ পৰিয়ালৰ অনেক আত্মীয়ক ইহ সংসাৰত এৰি থৈ যায়। আজি স্থানীয় নালিয়াপুল কবৰস্থানত অনেক গুণমুগ্ধৰ উপস্থিতিত তেওঁৰ জানাজা নামাজ সম্পন্ন কৰা হয়।

# মুকালমুৱাত ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ মুখ্য নিৰ্বাচনী কাৰ্যালয় মুকলি

ই-সংবাদ, মুকালমুৱা, ১ মে': মুকালমুৱাত ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ মুখ্য নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা হয়। কাৰ্যালয় আনুষ্ঠানিকভাৱে মুকলি কৰে বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনে। মুকালমুৱা জাগাৰা জিলা পৰিষদৰ সদস্য পদৰ প্ৰাৰ্থী দিপালী ডেকা আৰু মুকালমুৱা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যপদৰ প্ৰাৰ্থী মনিজা তালুকদাৰ আৰু সহস্ৰাধিক কংগ্ৰেছ কৰ্মীৰ উপস্থিতিত কাৰ্যালয়টোৰ শুভ উদ্বোধন কৰা হয়। জ্যেষ্ঠ কংগ্ৰেছ কৰ্মী চাদুল্লা আলীয়ে আঁত ধৰা সভাখনত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক আয়ুব আলীয়ে। কংগ্ৰেছ দলৰ মনোনীত জিলা পৰিষদৰ সদস্য পদৰ প্ৰাৰ্থী আৰু পঞ্চায়তখনৰ আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী দুগৰাকীয়ে উপস্থিত ৰাইজক নিজৰ পৰিচয় ব্যক্ত কৰি হাতৰ ছবিত ভোটদান কৰিবলৈ আহ্বান জনায়। বিধায়ক দিগন্ত বৰ্মনে বিজেপি চৰকাৰৰ লগতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰে। বিধায়কগৰাকীয়ে সমষ্টি পুনৰ নিৰ্ধাৰণৰ হঠকাৰী সিদ্ধান্তৰ দ্বাৰা বিজেপিয়ে সাধাৰণ ৰাইজক মাধমাৰ শোধাইছে বুলি ব্যক্ত কৰে। বিধায়কগৰাকীয়ে কংগ্ৰেছ দলৰ জিলা পৰিষদৰ লগতে আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থীগৰাকী জয়ী হ'ব বুলি ব্যক্ত কৰে। বিধায়কগৰাকীয়ে লগতে তেওঁৰ বাকী থকা সময়খিনি দুৰ্নীতি নোহোৱাকৈ ৰাইজৰ হকে কাম কৰিব বুলিও ব্যক্ত কৰে।








# তুলুঙীয়াৰ পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ সাফল্য

**ই-সংবাদ, অভয়াপুৰী, ১ মে':** কালি ঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত নামনি অসমৰ অন্যতম চৰকাৰী মহাবিদ্যালয় বঙাইগাঁও জিলাৰ তুলুঙীয়াস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে আশাপ্ৰদ সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়খনৰ মুঠ ৮৪ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান আৰু বাণিজ্য শাখাত প্ৰথম বিভাগত উত্তীৰ্ণ হ'বলৈ সক্ষম হোৱাৰ লগতে ভালে সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিষয়ত লেটাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। ঘোষিত ফলাফল অনুসৰি বাণিজ্য শাখাত প্ৰথম বিভাগত ৪৩ গৰাকী, দ্বিতীয় বিভাগত ৫৬ গৰাকী আৰু তৃতীয় বিভাগত ২২ গৰাকী ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱাৰ বিপৰীতে বিজ্ঞান শাখাত প্ৰথম বিভাগত ৪১ গৰাকী, দ্বিতীয় বিভাগৰ ৩৫ গৰাকী আৰু তৃতীয় বিভাগত ৪ গৰাকী ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। মহাবিদ্যালয়খনৰ এইবৰ্ষৰ উত্তীৰ্ণৰ হাৰ পূৰ্বতকৈ যথেষ্ট আশাপ্ৰদ হোৱাক লৈ মহাবিদ্যালয় কৰ্তৃপক্ষ, অধ্যক্ষ ডঃ ফটিক চন্দ্ৰ কলিতাৰ লগতে শিক্ষক-কৰ্মচাৰীসকলে সন্তুষ্টি প্ৰকাশ কৰে। সুখ্যাতিৰে উত্তীৰ্ণ হোৱা তথা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক প্ৰতি বছৰৰ দৰে এইবাৰো বিশেষ জলপানি প্ৰদান কৰাৰ কথা মহাবিদ্যালয়খনিৰ বেষ্ট প্ৰেক্টিচেছ কোষৰ ফালৰ পৰা জানিবলৈ দিয়ে। মহাবিদ্যালয়খনত স্নাতক কলা, বিজ্ঞান আৰু বাণিজ্য তিনিওটা শাখা উপলব্ধ হোৱাৰ বিপৰীতে নামভৰ্তিৰ বাবে অতি সোনকালে অসম চৰকাৰৰ স্মাৰ্ট প'ৰ্টেলৰ জৰিয়তে ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে আবেদন কৰিব পাৰিব বুলি মহাবিদ্যালয়ৰ অধ্যক্ষই জানিবলৈ দিয়ে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# আদালতত মুখ থেকেচা বটদ্ৰৱা থান

অনুৰোধক গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ বিতৰ্কিত বটদ্ৰৱা থান পৰিচালনা সমিতিৰ বিৰুদ্ধে। এনে পৰিস্থিতিত ন্যায়ালয়ৰ নিৰ্দেশ লৈ আৰক্ষীৰ সহায় বিচাৰি তদৰ্থ থান পৰিচালনা সমিতি কাষ চাপিল বটদ্ৰৱা আৰক্ষীৰ। থান পৰিচালনা সমিতিৰ সভাপতিয়ে অকৰ্তিত্বশীলভাৱে নিজৰ হাতত কাৰ্যালয়ৰ চাবি ৰখাৰ অভিযোগ তদৰ্থ সমিতিৰ। উল্লেখ্য যে, দুৰ্নীতি আৰু অনিয়মৰ অভিযোগত বিগত বৰ্ষৰ ৯ জুনত ৰাইজে অনাস্থা প্ৰস্তাৱ গৃহীত কৰি ভংগ কৰিছিল বটদ্ৰৱা থান পৰিচালনা সমিতি।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# পথ নিৰ্মাণক লৈ ৰূপজ্যোতি কুৰ্মীৰ

আৰম্ভ নহ'ল। পথ নিৰ্মাণৰ শুভাৰম্ভ কৰি বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত এফডিআৰ প্ৰযুক্তিৰে নিৰ্মাণ হ'ব বুলি ঘোষণা কৰি পথটোৰ বাবে প্ৰায় ৪.৮ কোটি টকা আৱণ্টন কৰা বুলি সদৰি কৰিছিল। লোকনিৰ্মাণ বিভাগৰ মৰিয়নি আৰু টীয়ক ক্ষেত্ৰীয় পথ সংমণ্ডলৰ তদাৰকত এই পথ নিৰ্মাণ কৰা হ'ব বুলি সদৰি কৰিছিল বিধায়কগৰাকীয়ে। এফডিআৰ প্ৰযুক্তিৰে নিৰ্মাণ হ'ব লগা বৈছাহাবি পথটো মৰিয়নি সমষ্টিৰ একমাত্ৰ পথ বুলিও দাবী কৰিছিল। পথটোৰ নিৰ্মাণৰ কাম বাহিৰৰ কোম্পানীয়ে লাভ কৰা বুলি প্ৰকাশ কৰি বিধায়কগৰাকীয়ে পথটো চেপনৰ মৃদুল ফুকনৰ আত্মীয় জনৈক দয়াই কৰিব বুলি অনুষ্ঠানত সদৰি কৰি উক্ত দয়াৰ লগত বিধায়কগৰাকীৰ ভাল সম্পৰ্কৰ কথাও সদৰি কৰিছিল। পথটোৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰাৰ বাবে বৈছাহাবি পথৰ দুয়োকাষৰ শতাধিক গাঁৱৰ লক্ষাধিক জনসাধাৰণ উৎফুল্লিত হৈ পৰিছিল যদিও আজি পাঁচটা মাহেও পথটোৰ নিৰ্মাণৰ নামত এচপৰা মাটিও নপৰাত আশাহত হোৱা অঞ্চলবাসীৰ ক্ষোভৰ উমান পাই টেঙৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে শেহতীয়াকৈ যোৱা ১৯ এপ্ৰিলত কোনো লোকৰ হতুৱাই পথটো ইমূৰৰ পৰা সিমূৰলৈ জেচিবি লগাই সমান কৰাই দ্বিতীয়বাৰৰ বাবে অঞ্চলবাসীক আঁভুৱা-ভৰাৰ অভিযোগ উঠিছে। উল্লেখ্য যে, বিগত লোকসভা নিৰ্বাচনৰ আগমুহূৰ্তত বিধায়কগৰাকীয়ে বৈছাহাবি পথটো নিৰ্মাণৰ কথা ঘোষণা কৰি এখন তদাৰক সমিতিও গঠন কৰিছিল। কিন্তু নিৰ্বাচনৰ পিছত সকলো ফুটুকাৰ ফেন হৈ পৰিল। আনকি এইক্ষেত্ৰত তদাৰক সমিতিয়েও তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। শেহতীয়াভাৱে বিধায়কগৰাকীয়ে দুমাহৰ পূৰ্বে গুৰুত্বপূৰ্ণ পথটো নিৰ্মাণৰ শুভাৰম্ভ কৰিছিল যদিও আজি দুটা মাহে পথৰ কাষত শুভাৰম্ভণি ফলকখনহে পৰি থকা পৰিলক্ষিত হৈছে। ইয়াৰ বিপৰীতে পথটোৰ নিৰ্মাণৰ কাম কিন্তু আৰম্ভই নকৰিলে নিৰ্মাণকাৰী সংস্থাই। ইপিনে, বাৰিষা সমাগত। কাজেই আগন্তুক বাৰিষাৰ আগত পথটোৰ নিৰ্মাণৰ কাম আৰম্ভ হ'বনে নহয় সেয়াও সন্দেহৰ বিষয়। ৰাইজৰ প্ৰশ্ন বহুবক্কী বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে চমক সৃষ্টিৰ বাবেই নাৰিকল ভাঙি পথ নিৰ্মাণৰ শুভাৰম্ভৰ নামত সমষ্টিবাসীক আঁভুৱা-ভাৰিছে নেকি? বৈছাহাবি পথৰ দুয়োকাষৰ ৰাইজে ইয়াৰ প্ৰত্যুত্তৰ পঞ্চায়ত নিৰ্বাচনত বেলট যোগে দিব বুলিও প্ৰকাশ কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কলগাছিয়াত টুলুঙা নাৱেৰে শিক্ষাৰ্থীৰ

ঠাইত টুলুঙা নাৱেৰে যাতায়াত কৰিব লগা হৈছে। গাঁওখনৰ ৮০৬ নং খাৰবাল্লী প্ৰাথমিক বিদ্যালয়, সুঁতিৰ পাথাৰ প্ৰাথমিক বিদ্যালয় আৰু চৰ খাৰবাল্লী প্ৰাথমিক বিদ্যালয়ৰ পাঁচ শতাধিক কণ কণ ছাত্ৰ-ছাত্ৰীয়ে দৈনিক অহা-যোৱা কৰে টুলুঙা নাৱেৰে। তদুপৰি খাৰবাল্লী, সুঁতিৰ পাথাৰ, কাচুকাটি, বলাইপাথাৰ আদি গাঁৱৰ ৰাইজে কলগাছিয়াৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ উপৰি বজাৰলৈ অহা-যোৱা কৰে। এনে পৰিস্থিতিত বেকী নৈৰ সুঁতিত কোনো দলঙৰ ব্যৱস্থা নথকাত চৰম দুৰ্ভোগ ভুগিব লগা হৈছে ৰাইজে। যাতায়াতৰ ক্ষেত্ৰত স্থানীয় ৰাইজে যমৰ যাতনা ভুগিছে যদিও কোনো জনপ্ৰতিনিধি তথা চৰকাৰে খাৰবাল্লীত দলং নিৰ্মাণৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। সেয়ে এইবেলি আগন্তুক পঞ্চায়ত নিৰ্বাচনত যিজন প্ৰাৰ্থীয়ে উক্ত স্থানত দলং নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিব তেওঁকেই স্থানীয় ৰাইজে ভোটদান কৰিব বুলি সিদ্ধান্ত গ্ৰহণ কৰিছে। তদুপৰি যিয়ে ৰাইজৰ সমস্যা সমাধান কৰিব, যাতায়াত ব্যৱস্থা সুচল কৰিব, তেনে প্ৰাৰ্থীকহে ভোটাৰ ৰাইজে অগ্ৰাধিকাৰ প্ৰদান কৰিব বুলি জানিবলৈ দিছে। মুঠতে এশ এবুৰি সমস্যাৰে জৰ্জৰিত খাৰবাল্লী গাঁৱৰ ৰাইজে মৰণত শৰণ দি বিপদসংকুলভাৱে টুলুঙা নাৱেৰে কৰা যাতায়াত ব্যৱস্থাৰ অৱসান ঘটাই বেকী নৈৰ সুঁতিত এখন পকী দলং নিৰ্মাণ কৰিবলৈ অসম চৰকাৰক দাবী জনাইছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ঢকুৱাখনা-মাজুলী সংযোগী পথত

স্থানীয় সূত্ৰৰ মতে, যুৱকজনে সোণাৰি চাপৰিত অনুষ্ঠিত মৰ্মিতা মিত্ৰৰ বিহু অনুষ্ঠান চাই ঘৰলৈ উভতি আহি থকা সময়তে এই দুৰ্ঘটনাটো ঘটে। পথৰ কাষত যুৱকজনৰ মূৰৰ অংশ ছিটিকি পৰা অৱস্থাত পোৱা যায়, যাৰ ভিত্তিত আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে যে কোনো এখন বাহনে খুন্দিয়াই থৈ পলায়ন কৰিছে। ঘটনাস্থলীৰ ওচৰতে পোৱা দুৰ্ঘটনাগ্ৰস্ত বাইকখনৰ নম্বৰ AS-07 P-9041 বুলি জানিবলৈ দিয়ে আৰক্ষীয়ে। ইতিমধ্যে তদন্ত আৰম্ভ হৈছে আৰু আৰক্ষীয়ে সংশ্লিষ্ট সকলো তথ্য সংগ্ৰহৰ চেষ্টা কৰি আছে। সংশ্লিষ্ট প্ৰশাসনে অনুৰোধ জনাইছে ঘটনাটোৰ বিষয়ে যিকোনো তথ্য থাকিলে লোকসকলে নিকটৱৰ্তী থানাত অৱগত কৰাবলৈ।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# চুঙাজানত বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ

বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰে আৰক্ষীয়ে। গোলাঘাট জিলাৰ অপৰাধ অনুসন্ধান শাখাৰ অতিৰিক্ত আৰক্ষী বিষয়া জন দাস, সৰুপথাৰ সম-জিলা আৰক্ষী বিষয়া দীপেন পাতৰ, বোকাজান মহকুমা আৰক্ষী বিষয়া ৰুস্তমৰাজ ব্ৰহ্মা, চুঙাজান আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনোজ হাতীমূৰীয়া আৰু ১৫৫ নং চিআৰপিৰ এটা বৃহৎ দলে যুটীয়া অভিযান চলাই এই বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। এখন বলেৰ' বাহনত মণিপুৰৰ পৰা অসম-নাগালেণ্ড সীমান্ত হৈ বোকাজান অভিমুখে আনি থকা অৱস্থাত আৰক্ষীয়ে যুটীয়াভাৱে অভিযান চলাই জব্দ কৰে উক্ত ড্ৰাগছখিনি। বলেৰ' বাহনখনৰ নম্বৰ হৈছে AS 09 J 4268। বাহনখনৰ লগতে লোকজনৰ পৰা এটা মোবাইল ফোন, আধাৰ কাৰ্ড, পান কাৰ্ড আদি জব্দ কৰি আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। গাড়ীখনৰ ছীটৰ তলত গোপন চেম্বাৰ বনাই চাবোনৰ বাকচত পলিথিনেৰে মেৰিয়াই লুকুৱাই আনিছিল ড্ৰাগছখিনি। মুঠ ৪৯ টা চাবোনৰ বাকচত ৬৭১.৯২ গ্ৰাম ড্ৰাগছ জব্দ কৰে আৰক্ষীয়ে। ইয়াৰ বজাৰ মূল্য প্ৰায় চাৰি কোটি টকা। উক্ত লোকজনৰ নাম আছিদুল আলী, পিতৃৰ নাম মহম্মদ আলী বুলি জানিব পৰা গৈছে। সীমান্ত অঞ্চলটোৰে এনেদৰে সঘনাই ড্ৰাগছ সৰবৰাহ কৰাত চিন্তিত হৈ পৰিছে সচেতন ৰাইজ।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# হেমাংগ ঠাকুৰীয়াৰ নিজ পঞ্চায়তৰ

উপৰহালী গাঁও পঞ্চায়তৰ নিৰ্বাচনক কেন্দ্ৰ কৰি। উল্লেখ্য যে বিধায়ক হেমাংগ ঠাকুৰীয়াই পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থী বাছনি কৰা, দলীয় একাধিক প্ৰাৰ্থী একেটা ৱাৰ্ডত অৱতীৰ্ণ হোৱ আদি ঘটনাপ্ৰবাহে বিধায়কগৰাকীৰ নিয়ন্ত্ৰণ নথকা কথা স্পষ্টভাৱে প্ৰকট হৈ পৰিছে। আনহাতে বিধায়ক হেমাংগ ঠাকুৰীয়াই পৃষ্ঠপোষকতা ৰি তেওঁৰ সুবিধাৰ বাবে বিগত ২০২৪ চনৰ ৮ ছেপ্টেম্বৰত উপৰহালী চিলাৰায় ভৱনত সদৌ অসম কোচ-ৰাজবংশী ছাত্ৰ সন্থা চমুকৈ আক্ৰাছুৰ কেন্দ্ৰীয় সভাপতি বলোৰাম বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত এক সভাত দক্ষিণ কামৰূপ জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থা গঠন কৰিছিল। কিন্তু লক্ষণীয়ভাৱে এই দক্ষিণ কামৰূপ জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থা অৰ্থাৎ আক্ৰাছুৰ সভাপতি বিমল দাস বিধায়ক হেমাংগ ঠাকুৰীয়াৰ সমৰ্থনত পঞ্চায়তৰ ৱাৰ্ড সদস্য ৰূপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ বিপৰীতে সম্পাদক ৰন্টু ঠাকুৰীয়াই কংগ্ৰেছ দলৰ প্ৰাৰ্থী হিচাপে উপৰহালী গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য হিচাপে নিৰ্বাচনৰ প্ৰাৰ্থী ৰূপে থিয় দিছে। সেইদৰে বিজেপিৰ উপৰহালী গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী বেণুধৰ তালুকদাৰ এগৰাকী নতুন প্ৰাৰ্থী যদিও তেওঁ এগৰাকী প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডৰ অৱসৰপ্ৰাপ্ত সহকাৰী কাৰ্যবাহী অভিযন্তা। তেওঁ ইতিমধ্যে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি বৰ্তমান অৱস্থাত পঞ্চায়তখনত সকলোতকৈ আগত থকা পৰিলক্ষিত হৈছে। কিন্তু এই আঞ্চলিক সদস্যৰ এগৰাকী প্ৰবল দাবীদাৰ তথা উপৰহালী ৰাইজ গয়হৰ বৰ্তমানৰ সভাপতি অজিত ঠাকুৰীয়াই টিকট বঞ্চিত হৈ ৱাৰ্ডৰ সদস্য ৰূপে নিৰ্বাচনত অৱতীৰ্ণ হৈছে। উল্লেখ্য যে উপৰহালী ৰাইজ গয়হৰ দৰে এটি সন্মানীয় পদত কাৰ্যনিৰ্বাহ কৰা এগৰাকী ষাঠি ঊৰ্ধ্বৰ ব্যক্তিয়ে একমাত্ৰ নিজ স্বাৰ্থৰ বাবে সদস্য পদত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে তেওঁক বহুতে ভাল পোৱা নাই। উল্লেখ্য যে বিধায়ক হেমাংগ ঠাকুৰীয়াই হেনো অজিত ঠাকুৰীয়া, ৱাৰ্ড সদস্য বিমল দাস, প্ৰাক্তন আঞ্চলিক সদস্যা তথা বৰ্তমানৰ ৱাৰ্ড সদস্য ৰূপে নিৰ্বাচনত উঠা কবিতাৰাণী দাস তালুকদাৰ আৰু প্ৰাক্তন পঞ্চায়তখনৰ সভাপতি তথা এই নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা জগদীশ ঠাকুৰীয়াক সভাপতি পাতিব বুলি আশ্বাস দিয়া বাবেহে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা বুলি প্ৰচাৰ চলাই থকা পৰিলক্ষিত হৈছে। অৰ্থাৎ উপৰহালী গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি তথা বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা জগদীশ ঠাকুৰীয়াৰ লগতে যদিহে বিজেপি দলৰ সমৰ্থিত প্ৰাৰ্থী বিমল দাস, কবিতাৰাণী দাস তালুকদাৰ আৰু অজিত ঠাকুৰীয়া জয়ী হ'লেও সভাপতিকেন্দ্ৰিক সংঘাত তীব্ৰ হৈ উঠাৰ সম্ভাৱনা অধিক। অৱশ্যে আজিৰ তাৰিখত অজিত ঠাকুৰীয়াৰ ৱাৰ্ডৰ এগৰাকী বিজেপিৰে সমৰ্থিত যুৱ কাৰ্যকৰ্তা নৰ কুমাৰ তালুকদাৰৰ গণ ভিত্তি শীৰ্ষত থকাৰ বিপৰীতে কংগ্ৰেছ প্ৰাৰ্থী নিকুঞ্জ ঠাকুৰীয়া দ্বিতীয় স্থানত থকা বুলি চৰ্চিত হৈছে। সেইদৰে কবিতাৰাণী দাস তালুকদাৰৰ বিপৰীতে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা বিজেপিৰ কাৰ্যকৰ্তা গোলক দাসৰ প্ৰতি ৱাৰ্ডৰ প্ৰায় ভাগ লোকৰ আস্থা বৃদ্ধি পোৱাত চিন্তিত হৈ পৰিছে প্ৰাক্তন আঞ্চলিক সদস্যা কবিতা। অৱশ্যে বিজেপিৰ আঞ্চলিক পদৰ প্ৰাৰ্থী বেণুধৰ তালুকদাৰৰ বিপৰীতে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা কংগ্ৰেছ দলৰ প্ৰাৰ্থী ৰন্টু ঠাকুৰীয়া জনবল তথা অৰ্থবলৰ পৰা কিছু দুৰ্বল হোৱা বাবে তেওঁৰ প্ৰচাৰ অভিযান তুলনামূলকভাৱে সীমিত হৈ আছে। আনহাতে দক্ষিণ কামৰূপ জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থা অৰ্থাৎ আক্ৰাছু গঠন কৰা সময়ত ৰন্টু ঠাকুৰীয়াক সম্পাদক হিচাপে নিৰ্বাচিত কৰাত বিধায়ক হেমাংগ ঠাকুৰীয়াই পৃষ্ঠপোষকতা আগবঢ়াইছিল। তৎসত্ত্বেও তেওঁ বিধায়কৰ বিপৰীতে বিৰোধী কংগ্ৰেছ দলৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা কথাত ভিতৰি ভিতৰি বিধায়কগৰাকী অসন্তুষ্ট হৈ পৰিছে। সেয়ে ৰন্টু ঠাকুৰীয়াৰ বাবে এই নিৰ্বাচনত জয়ী হোৱাৰ পথ সহজ হৈ থকা নাই। ইয়াৰ বিপৰীতে আঞ্চলিক সদস্য বেণুধৰ তালুকদাৰৰ হৈ প্ৰচাৰ অভিযানত পুৰুষ আৰু মহিলা গোটে সুকীয়াভাৱে ওলাই অহাটো ইতিবাচক বুলি চৰ্চিত হৈছে। সেয়া হ'লেও বিধায়ক ঠাকুৰীয়াৰ জন্ম গাঁৱৰ পঞ্চায়তত বিজেপিৰ সংঘাত বৃদ্ধি পাইছে সেয়া প্ৰায় স্পষ্ট।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# পাকিস্তানক সমৰ্থন সনাতনী মঞ্চৰ

গ্ৰেপ্তাৰৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। আকাইপুৰ ৰে'ল ষ্টেচনত পাকিস্তানৰ পতাকাৰ ছবি আৰু হিন্দুস্থান মুৰ্দাবাদ লিখা ঘটনাক লৈ তীব্ৰ উত্তেজনাৰ সৃষ্টি হোৱাৰ সময়তে পশ্চিমবংগ আৰক্ষীয়ে দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। ঘটনাটো সাম্প্ৰদায়িক উত্তেজনা সৃষ্টি কৰাৰ উদ্দেশ্যে কৰা হৈছিল বুলি আৰক্ষীয়ে মন্তব্য কৰিছে। গ্ৰেপ্তাৰ কৰা ব্যক্তি দুজন হৈছে চন্দন মালাকাৰ (৩০) আৰু প্ৰজ্ঞাজিত মণ্ডল (৪৫)। দুয়োকে বঙাইচিল অঞ্চলৰ বাসিন্দা বুলি পৰিচয় উদ্ধাৰ হৈছে। তেওঁলোকে এটা ৰাজনৈতিক দলৰ সক্ৰিয় সদস্য হোৱাৰ লগতে সনাতনী একতা মঞ্চ নামৰ এক সংগঠনৰ সৈতে জড়িত আছিল বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে জানিবলৈ দিছে যে দুয়ো অভিযুক্তই আকাইপুৰ ৰে'ল ষ্টেচনৰ এটা শৌচালয়ত পাকিস্তানৰ পতাকাৰ ছবি লগাই হিন্দুস্থান মুৰ্দাবাদ আৰু পাকিস্তান জিন্দাবাদ বুলি লিখিছিল। তেওঁলোকৰ উদ্দেশ্য আছিল সমাজত সাম্প্ৰদায়িক বিভেদ সৃষ্টি কৰি আন এটা সম্প্ৰদায়ৰ ওপৰত দোষ আৰোপ কৰা। ঘটনাটোৰ সময়মতে তদন্ত কৰি আৰক্ষীয়ে তৎক্ষণাৎ ব্যৱস্থা গ্ৰহণ কৰাৰ ফলত সম্ভাব্য সাম্প্ৰদায়িক উত্তেজনা ৰোধ কৰিব পাৰিছে। বঙাইচিল আৰক্ষীয়ে টুইটাৰ কৰা এটা পোষ্টত কয় যে এই ষড়যন্ত্ৰৰে সাম্প্ৰদায়িক অশান্তি সৃষ্টি কৰাৰ প্ৰয়াসৰ সৈতে জড়িত সকলোকে কঠোৰভাৱে শাস্তি দিয়াৰ বাবে কোনো আপোচ নকৰা হ'ব। উল্লেখযোগ্য যে ২২ এপ্ৰিলত কাশ্মীৰৰ পেহেলগামত হোৱা এক জংগী আক্ৰমণত ২৬ জন, যাৰ ভিতৰত ২৫ জন পৰ্যটক নিহত হৈছিল। এই ঘটনাৰ পিছত দেশজুৰি তীব্ৰ প্ৰতিক্ৰিয়া পৰিলক্ষিত হয়। এই পৰিপ্ৰেক্ষিতত পশ্চিমবংগৰ শাসক দল তৃণমূল কংগ্ৰেছে সতৰ্কবাণী জাৰি কৰি কয় যে কোনো গোটে কাশ্মীৰ আক্ৰমণক বাহনা কৰি আইন-শৃংখলা ভংগ কৰাৰ বা হিংসাক উচটনি দিয়াৰ যিকোনো চেষ্টা কৰিলে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

# বিহালীত মে' দিৱসৰ দিনটোত ছুটী নাপালে শ্ৰমিকে

**ই-সংবাদ, ১ মে':** আজি হৈছে বিশ্বৰ মেহনতী মানুহৰ দিন। আজি শ্ৰমিক, খাটিখোৱা, দিন-মজদুৰৰ দিন। যুগে যুগে সামন্তবাদী পুঁজিপতিয়ে বিশ্বৰ শ্ৰমিকক কৰি অহা শোষণ-বঞ্চনাৰ বিৰুদ্ধে আজিৰ দিনটোৰ পৰাই সংগ্ৰাম আৰম্ভ হৈছিল। এই দিনটো চৰকাৰীভাৱে ছুটীৰ দিন হিচাপে পালন কৰা হয়। আজিৰ দিনটোত শ্ৰমিকৰ বাবে আছে ব্যাপক মহত্ত্ব। কিন্তু এইখন অসমতে আজিৰ দিনটোত শ্ৰমিকক কাম কৰিবলৈ বাধ্য কৰা হ'ল। উত্তৰ অসমৰ এখন বিদ্যালয়ত শ্ৰেণীকোঠা নিৰ্মাণত ব্যস্ত হৈ থাকিল পুৰুষ-মহিলা শ্ৰমিক। উত্তৰ অসমৰ বিহালীত দুগৰাকী মহিলা শ্ৰমিক আৰু তিনিগৰাকী পুৰুষ শ্ৰমিকক পুৱাৰে পৰা শ্ৰেণীকোঠা নিৰ্মাণৰ কামত ব্যস্ত হ'বলৈ বাধ্য কৰিলে ঠিকাদাৰ, প্ৰধান শিক্ষক আৰু মিস্ত্ৰীৰ চৰ্দাৰে। যাক লৈ বিহালীত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এনে ভয়ংকৰ কাণ্ড সংঘটিত হৈছে বিহালী প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত ২ নং ৰতোৱা প্ৰাথমিক বিদ্যালয়ত। ৰতোৱা প্ৰাথমিক বিদ্যালয়ক সৰ্বশিক্ষা অভিযানৰ অধীনৰ আৰডিএফ আঁচনিৰ ১০ লাখ ৪ হাজাৰ টকা আবণ্টন দিয়া হৈছে। সেই ধনেৰে এটা অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণ কৰি থকা হৈছে। আন দিনকেইটাত শ্ৰেণীকোঠা নিৰ্মাণৰ কাম চলি থকাৰ দৰে আজি বিশ্ব শ্ৰমিক দিৱসৰ দিনটোত ৰতোৱা প্ৰাথমিক বিদ্যালয়ত পুৱাৰে পৰা পুৰুষ আৰু মহিলা শ্ৰমিকে কাম কৰি আছে। সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ স্থানীয় সমিতিয়ে শ্ৰমিক দিৱসৰ দিনটোত শ্ৰমিকক কাম কৰিবলৈ বাধ্য কৰোৱা ঘটনাক তীব্ৰ নিন্দা কৰিছে। আজিৰ দিনটোত শ্ৰমিকক কামত লগাই শ্ৰমিক আইন আৰু মৰ্যাদা হানি কৰা বিষয়টোৰ তদন্ত ঘোষণা কৰিবলৈ দাবী জনাইছে আদিবাসী ছাত্ৰ সন্থাই।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# নলবাৰীৰ ঘোগাত নিৰ্বাচনী সভাত

হাজৰীকাই ধাৰাবাহিকভাৱে অব্যাহত ৰাখিছে প্ৰচাৰ অভিযান। মন্ত্ৰীগৰাকীয়ে লাহৰীঘাট, জাগীৰোড বিধানসভা সমষ্টিত ননষ্টপ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি ভোটাৰ ৰাইজক বিজেপি-মিত্ৰজোঁটৰ প্ৰতি আকৃষ্ট কৰিবলৈ সক্ষম হৈছে। মন্ত্ৰীগৰাকীয়ে আজি লাহৰীঘাট বিধানসভা সমষ্টিৰ ৰালিমাৰি বজাৰত এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি ৰাইজক সম্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে লাহৰীঘাটৰ প্ৰধান সমস্যা বানপানী, গৰাখহনীয়াৰ কথা উল্লেখ কৰি এই সমস্যা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰে সমাধান কৰা বুলি কয়। সমষ্টিটোত কংগ্ৰেছ দলে ৭০ বছৰ শাসন কৰিও যি সমস্যা সমাধান কৰা নাছিল, সেই সমস্যা বিজেপি চৰকাৰে সমাধান কৰা বুলি ভাষণত উল্লেখ কৰে। এটা পৰিয়ালে লাহৰীঘাটত ৪০-৪৫ বছৰে শাসন কৰিও বানপানী সমস্যা, মথাউৰিৰ সমস্যা সমাধান কৰা নাছিল বুলি উল্লেখ কৰি এই সমস্যা মন্ত্ৰীগৰাকীয়ে সমাধান কৰা বুলি উল্লেখ কৰে। আনহাতে, লাহৰীঘাটত ৬০ কোটি টকা ব্যয় কৰি মথাউৰি নিৰ্মাণ কৰাৰ লগতে লাহৰীঘাটৰ গৰাখহনীয়া সমস্যা সমাধান কৰাৰ কাৰণে ৪০০ কোটি টকা অনা বুলি তেওঁ ভাষণত উল্লেখ কৰে। ইমানৰ পিছতো অঞ্চলটোৰ ৰাইজে বিজেপিক ভোট নিদিয়াৰ বাবে মন্ত্ৰীগৰাকীয়ে দুখ প্ৰকাশ কৰে। তেওঁ কয় যে মোৰ ইয়ালৈ আহিবলৈ মন নাছিল, আপোনালোকে বেয়া নাপাব, মই কষ্টৰে কথাকেইটা কৈছো। ইমান পৰিৱৰ্তন কৰাৰ পিছতো আপোনালোকে লাখ লাখ ভোট কংগ্ৰেছক দি দিলে। এনেকুৱা হ'লে আমাৰ মনটোত দুখ লাগিবনে নাই বুলি তেওঁ প্ৰশ্ন কৰে। সভাত মন্ত্ৰীগৰাকীয়ে এনেদৰে লাহৰীঘাটৰ উন্নয়নৰ কাৰণে কি কি কাম কৰিছে তাৰ খতিয়ান দাঙি ধৰাৰ লগতে চৰকাৰী বিভিন্ন আঁচনি যেনে অৰুণোদয়, ৰেচন কাৰ্ড আদিৰ বিষয়ে ব্যাখ্যা দাঙি ধৰে। ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰজোঁটৰ প্ৰতি ৰাইজৰ অভূতপূৰ্ব সঁহাৰি, সমৰ্থন তথা আস্থা-বিশ্বাস দেখি মন্ত্ৰীগৰাকী অভিভূত হৈ পৰে। মন্ত্ৰীগৰাকীয়ে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক ভোটদানেৰে ৰাজ্যৰ তৃণমূল পৰ্যায়ৰ পৰা উন্নয়ন সুনিশ্চিত কৰিবলৈ সকলোকে আহ্বান জনায়। সভাত ভাৰতীয় জনতা পাৰ্টিৰ পঞ্চায়ত নিৰ্বাচনৰ মৰিগাঁও জিলাৰ সহঃ তত্ত্বাৱধায়ক ৰাতুল শৰ্মা, মৰিগাঁও জিলা বিজেপিৰ সভাপতি ৰামপ্ৰসাদ সৰকাৰসহ যথেষ্টসংখ্যক ব্যক্তি উপস্থিত থাকে। ইয়াৰ পিছত মন্ত্ৰীগৰাকীয়ে সমষ্টিটোৰ গাগলমাৰি পঞ্চায়তৰ কৰতিপাম চাৰিআলিত আন এখন নিৰ্বাচন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। এইখন সভাতো ৰাইজৰ বিপুল সমৰ্থন দেখি মন্ত্ৰীগৰাকী অভিভূত হৈ পৰে। সভাত ৰাইজক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে বিজেপি আৰু মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক আগন্তুক নিৰ্বাচনত ভোট দি জয়যুক্ত কৰিবলৈ সকলোকে আহ্বান জনায়। ইপিনে, সংবাদ মাধ্যমৰ আগত মন্ত্ৰীগৰাকীয়ে লাহৰীঘাট সমষ্টিত বান-খহনীয়া সমস্যা সমাধানকে ধৰি যাতায়াত আৰু অন্যান্য দিশত আমি যথেষ্ট কাম কৰি আহিছো বুলি উল্লেখ কৰে। তেওঁ কয় যে এই সমষ্টিৰ ৰাইজে এইবাৰ পঞ্চায়ত নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টি মিত্ৰজোঁটক মৰম-আশীৰ্বাদ দিব। উল্লেখ্য যে মন্ত্ৰীগৰাকীয়ে আজি জাগীৰোড সমষ্টিতো বিজেপিৰ মনহা গাঁও পঞ্চায়তৰ অন্তৰ্গত ২ আৰু ৩নং ৱাৰ্ডৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি এখন প্ৰচাৰ সভাত অংশ লয়। ইপিনে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপিৰ ডাবল ইঞ্জিন চৰকাৰখনে প্ৰতিখন গাঁৱৰ উন্নয়ন সুনিশ্চিত কৰা বুলি আজি জাগীৰোডত সংবাদ মাধ্যমৰ আগত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰি ৰাইজে সেয়ে বিজেপিক সমৰ্থন কৰাৰ লগতে আশীৰ্বাদেৰে আৱৰি ৰাখিছে বুলি মন্তব্য কৰে। পঞ্চায়ত নিৰ্বাচনৰ বিজেপি-মিত্ৰজোঁটৰ ফলাফল সন্দৰ্ভত তেওঁ কয় যে পঞ্চায়ত নিৰ্বাচনৰ ফলাফল খুব ভাল হ'ব। কংগ্ৰেছ দলৰ অস্তিত্ব প্ৰায় নাইকিয়াই হৈছে। বাকী দলবিলাকো ৰাইজৰ মাজত নাই বুলি তেওঁ মন্তব্য কৰে। একেদিনাই মন্ত্ৰীগৰাকীয়ে সন্ধিয়া বিজেপিৰ গুৱাহাটী মহানগৰ জিলাৰ উদ্যোগত বোন্দাত আয়োজিত 'বিজয় সংকল্প সমাৱেশ'ত অংশগ্ৰহণ কৰি কংগ্ৰেছ দলক চোকা সমালোচনা কৰে। তেওঁ কয় যে কংগ্ৰেছ দলে মিছাৰ আশ্ৰয় লৈ বিজেপিক বদনাম কৰিবলৈ বিচাৰে। তেওঁলোকৰ এজন সাংসদক বিজেপিয়ে আক্ৰমণ কৰা বুলি অপপ্ৰচাৰ চলোৱা সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে টকা লৈ টিকট নিদিয়া তেওঁলোকৰে এজন প্ৰাৰ্থীয়ে সাংসদজনক আক্ৰমণ কৰা বুলি পিছত ওলাই পৰে। কংগ্ৰেছ টকা লৈ টিকট দি দুৰ্নীতিৰ লাইচেন্সখন দি দিয়ে বুলি মন্তব্য কৰি কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰে। সভাত মন্ত্ৰীগৰাকীয়ে চৰকাৰী বিভিন্ন উন্নয়নমূলক আঁচনিৰ বিষয়ে ভাষণ দাঙি ধৰি ৰাইজক বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দি জয়যুক্ত কৰিবলৈ আহ্বান জনায়।

# নদলাৰ কেঁচাইখাইতী মন্দিৰত ১২৫ সংখ্যক বাৰ্ষিক 'চৌ' পূজা

**ই-সংবাদ, চামতা, ১ মে':** চামতাৰ সমীপৰ নদলা গাঁৱৰ আই কেঁচাইখাইতী মন্দিৰত চলি অহা "চৌ" পূজা এইবেলিও ২ আৰু ৩ মে'ত পালনৰ আয়োজন কৰা হৈছে। উৎসৱটি সাফল্যমণ্ডিত কৰি তোলাৰ বাবে প্ৰণৱ বৰ্মনক সভাপতি, তৰণী বৰ্মনক কাৰ্যকৰী সভাপতি, ৰবেন কাকতিক উপ-সভাপতি, মনোৰঞ্জণ বৰ্মনক সম্পাদক হিচাপে লৈ এখন উদযাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ২ মে'ৰ পুৱা ৬ বজাত মন্দিৰ চৌহদ পৰিষ্কাৰকৰণ, ৬.৩০ বজাত 'চৌ' নিৰ্মাণৰ কাম আৰম্ভ। পুৱা ৭ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব ১২৫ সংখ্যক চৌ পূজা মহোৎসৱৰ সভাপতি প্ৰণৱ বৰ্মনে। স্মৃতি তৰ্পণ কৰিব চৌ পূজা উৎসৱৰ কাৰ্যকৰী সভাপতি তৰণী কুমাৰ বৰ্মনে। তাৰপিছত বন্তি প্ৰজ্বলন আৰু বৃক্ষ ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। পুৱা ১১ বজাত ঢুলীয়া প্ৰদৰ্শন, ১১.৩০ বজাত 'চৌ ' স্থাপন আৰু পূজা আৰম্ভ। উল্লেখ্য যে কলগছৰ দোনাৰে বৃহৎ এটি "চৌ" সাজি তাৰ সন্মুখত পূজা কৰি ভক্তসকলে আগবঢ়োৱা পাৰচৰাই, হাঁহ, পঠা ছাগলী আদি বলিৰ বাবে অৰ্পণ কৰা হয়। তাৰপিছতে ওজাপালি পৰিবেশন, পুষ্পাঞ্জলি প্ৰদান, দেৱীৰ ওচৰত বলি উৎসৰ্গা, সমূহীয়া প্ৰসাদ আৰু ভোগ বিতৰণ। আবেলি ৪.৩০ বজাত বুঢ়াদিয়া নৈত 'চৌ' বিসৰ্জন। সন্ধিয়া ৫ বজাত ৰাইজৰ সমূহীয়া নাম পৰিবেশন। ৫.৩০ বজাত আতচবাজী প্ৰদৰ্শন, ৬ বজাত সহস্ৰ বন্তি প্ৰজ্বলন, মুখ্য প্ৰজ্বলক হিচাপে থাকিব বন, পৰিবেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি। নিশা ৭ বজাত নাগাৰা নাম পৰিবেশন হ'ব। ৩ মে'ৰ পুৱা মন্দিৰ চৌহদ পৰিষ্কাৰকৰণ, খেল-ধেমালি প্ৰতিযোগিতা, ভেশচন প্ৰতিযোগিতা, পুৱা ১১ বজাত মাধৱ ভূঞা সোঁৱৰণী কুইজ প্ৰতিযোগিতা, ভাগৱত পাঠ, সন্ধিয়া ৫ সাংস্কৃতিক মঞ্চত বন্তি প্ৰজ্বলন তথা মঞ্চ উদ্বোধন কৰিব বিশিষ্ট নাট্যকাৰ নৰৰত্ন পাটোৱাৰীয়ে। সাংস্কৃতিক মঞ্চ উদ্বোধন কৰিব মধুপুৰ মণ্ডল বিজেপিৰ সভাপতি ভাস্কৰ শৰ্মাই। সন্ধিয়া ৫.৩০ বজাত অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা। নিশা ৮ বজাত সম্বৰ্ধনা তথা বঁটা বিতৰণী অনুষ্ঠান। নিশা ৮.৩০ বজাত আমন্ত্ৰিত বিহুৱা দল ক্ৰমে প্ৰগতিশীল বিহুৱা দল, চামতা, ককয়াৰ পাটমাদৈ বিহুৱা দলৰ বিহু হুঁচৰি পৰিবেশন। নিশা ১০.৩০ বজাত সাংস্কৃতিক সন্ধিয়া গীতেৰে সজাব মেঘনা ভূঞা আৰু নিয়ৰ পৰশে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# পঞ্চায়ত নিৰ্বাচনৰ দায়িত্বপ্ৰাপ্তসকল যোৰহাট জিলাৰ ৯২৩ টা ভোট গ্ৰহণ কেন্দ্ৰলৈ ৰাওনা

**ই-সংবাদ, পশ্চিম যোৰহাট, ১ মে':** প্ৰথম পৰ্যায়ত ২ মে'ত অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে যোৰহাট জিলাৰ ৯২৩ টা ভোট গ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হৈছে দায়িত্বপ্ৰাপ্তসকল। যোৰহাট জিলা প্ৰশাসনে যোৰহাট আৰু তিতাবৰৰ পৰা নিৰ্দিষ্ট ভোট গ্ৰহণ কেন্দ্ৰত দায়িত্বপ্ৰাপ্তসকলক গাড়ীৰে নমাই থৈ আহে। পঞ্চায়ত নিৰ্বাচনৰ সা-সামগ্ৰী লৈ দায়িত্বপ্ৰাপ্তসকল ভোট গ্ৰহণ কেন্দ্ৰতে বাহৰ পাতি আছে আৰু ২ মে'ৰ পুৱা ৭.৩০ বজাৰ পৰা ৪.৩০ বজালৈ ভোট গ্ৰহণ কেন্দ্ৰৰ নিৰ্দিষ্ট এলেকাৰ ভোটাৰসকলে বেলট পেপাৰত ভোট গ্ৰহণ কৰিব। যোৰহাট জিলাৰ জিলা পৰিষদ সমষ্টিৰ ১৬ খন আসনৰ বাবে ১৯৪ গৰাকীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। জিলাখনৰ ৮৬ খন গাঁও পঞ্চায়তত আঞ্চলিক সদস্য পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰাৰ লগতে প্ৰতিখন পঞ্চায়তত ১০ খনকৈ আসনৰ বাবে সদস্য পদৰ উদ্দেশ্যে ২,০১৭ গৰাকীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। জিলাখনৰ ৯২৩ টা ভোটগ্ৰহণ কেন্দ্ৰত ভোট গ্ৰহণৰ বাবে ৪,১৪৪ গৰাকীৰ উপৰি অন্যান্য দায়িত্বপ্ৰাপ্তসকলক জিলা প্ৰশাসনে দায়িত্ব অৰ্পণ কৰিছে। জিলাখনৰ ৪৪ টা ভোট গ্ৰহণ কেন্দ্ৰত ভোট গ্ৰহণৰ বাবে কেৱল মহিলাক যোৰহাট জিলা প্ৰশাসনে দায়িত্ব দিছে। সেইসকল দায়িত্বপ্ৰাপ্ত মহিলাকো যোৰহাট জিলা প্ৰশাসনে সা-সামগ্ৰীসহ নিৰ্দিষ্ট ভোট গ্ৰহণ কেন্দ্ৰত গাড়ীৰে থৈ আহে। দায়িত্বপ্ৰাপ্ত মহিলাসকলো ৪০ টা ভোট গ্ৰহণ কেন্দ্ৰতে নিশাটো থাকি ২ মে'ৰ পুৱা ৭.৩০ বজাৰ পৰা ৪.৩০ বজালৈ ভোটগ্ৰহণ কেন্দ্ৰটোৰ নিৰ্দিষ্ট এলেকাৰ ভোটাৰসকলৰ ভোট গ্ৰহণ কৰিব। তদুপৰি, জিলা প্ৰশাসনে প্ৰতিগৰাকী ভোটাৰক বি এল অ'ৰ জৰিয়তে ভোটাৰ তালিকাত থকা ফটোযুক্ত ভোটাৰৰ নাম, বয়স, উন্নয়ন খণ্ডৰ নাম, ভোট গ্ৰহণ কেন্দ্ৰৰ নাম, নম্বৰ, মৌজাৰ ৰাজহ গাঁও, পঞ্চায়তৰ নাম উল্লেখ থকা একোখনকৈ শ্লিপ দিয়াৰ লগতে ভোট গ্ৰহণৰ সময় উল্লেখ কৰি প্ৰদান কৰিছে আৰু সেই কাৰ্ড ভোট প্ৰদানৰ বাবে ভোটাৰসকলক কেন্দ্ৰলৈ লৈ যাবলৈও আহ্বান জনাইছে।

# কবি-সাহিত্যিক সুৰেন্দ্ৰনাথ ডেকাৰ সোঁৱৰণী সভা সম্পন্ন

**ই-সংবাদ, জাগীৰোড, ১ মে':** আজি জাগীৰোডৰ সমীপৰ টোপাতলীৰ ডিমৰীয়া উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অসম সন্মিলিত মহাসংঘৰ প্ৰাক্তন সহকাৰী সচিব সুৰেন্দ্ৰনাথ ডেকাৰ সোঁৱৰণী সভা অনুষ্ঠিত হয়। আৰম্ভণিতে ডেকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে তিৱা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা সাহিত্যিক তুলসী বৰদলৈয়ে। মহাসংঘৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত সভাত নখোলা সাহিত্য চ'ৰাৰ সভানেত্ৰী-সাহিত্যিক অৰুণ দেৱীয়ে বিশিষ্ট অতিথি হিচাপে দিয়া ভাষণত এগৰাকী কবি-শিশু সাহিত্যিক ডেকাৰ সাধনা আৰু সৃষ্টিৰাজিৰ কথা গৌৰৱেৰে সোঁৱৰণ কৰে। সভাত ডিমৰীয়াৰ পূবেৰুণ সাহিত্য সভাৰ সম্পাদক হেমেন্দ্ৰ তহবিলদাৰ, জাগীৰোড শাখা সাহিত্য সভাৰ সম্পাদক স্তুতি প্ৰসাদ বৰা, সাংবাদিক তুলসী মান্তা, সদৌ অসম খিলঞ্জীয়া নাথ পৰিষদৰ সাধাৰণ সম্পাদক উজ্জ্বল নাথ, সমাজকৰ্মী মোজাম্মিল হক, সাংবাদিক মন্টু মেধি আদিয়ে ডেকাৰ কৰ্মৰাজি সোঁৱৰণ কৰে। সভাপতি মতিউৰ ৰহমানে কয় যে সুৰেন্দ্ৰনাথ ডেকাই অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ সুৰক্ষা আৰু হেৰুওৱা অধিকাৰ পুনৰ প্ৰতিষ্ঠাৰ বাবে খিলঞ্জীয়া জনগোষ্ঠীসমূহক জাগ্ৰত কৰি শুদ্ধ পথেৰে যাবলৈ আহ্বান জনাইছিল। অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত ৰাজহুৱা সভাৰ জৰিয়তে লগতে খিলঞ্জীয়াৰ সুৰক্ষা সংগ্ৰাম শক্তিশালী কৰিবলৈ ডেকাই আপ্ৰাণ চেষ্টা কৰিছিল। উক্ত সভাত প্ৰয়াত ডেকাৰ পৰিয়ালৰ সদস্য ক্ৰমে পত্নী বুলুবালা ডেকা, বোৱাৰী লিপি শইকীয়া ডেকায়ো অংশগ্ৰহণ কৰি স্মৰণ কৰে।

# ৯৩.৬ শতাংশ নম্বৰেৰে উজলিল হাজৰিকাপাৰাৰ বৰষা শৰ্মা

**ই-সংবাদ, ছিপাঝাৰ, ১ মে':** কালি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত দৰং জিলাৰ বৃহত্তৰ হাজৰিকাপাৰা অঞ্চলৰ ভাগৰতী সত্ৰ নিবাসী মন্টু শৰ্মা আৰু দুলুমণি দেৱীৰ কন্যা বৰষা শৰ্মাই ইংৰাজীত ৮৮, অসমীয়াত ৯৩, শিক্ষাত ৯৩, ভূগোল ৯৬, নৃতত্ত্ব বিষয়ত ৯৮ আৰু অৰ্থনীতি বিজ্ঞানত ৭৭ নম্বৰ লাভ কৰি সৰ্বমুঠ ৯৩.৬ শতাংশ নম্বৰেৰে উজলি উঠে। ছিপাঝাৰৰ ব্যক্তিগত খণ্ডৰ শৈক্ষিক প্ৰতিষ্ঠান পশ্চিম দৰং একাডেমিৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হৈ এই সফলতা অৰ্জন কৰা বৰষাক লৈ উৎফুল্লিত বৃহত্তৰ হাজৰিকাপাৰা অঞ্চলৰ ৰাইজ। উল্লেখ্য যে পিতৃ মন্টু শৰ্মাই ঘৰুৱা টিউচন কৰি নিজৰ পৰিয়াল পোহপাল দিয়াৰ লগতে সন্তানকো পঢ়াৰ ক্ষেত্ৰত আগুৱাই লৈ যাবলৈ সক্ষম হৈছে। ভৱিষ্যতে সমাজৰ প্ৰতি এগৰাকী দায়িত্বশীল নাগৰিক হোৱাৰ লগতে শিক্ষক বা প্ৰশাসনীয় বিষয়া হোৱাৰ লক্ষ্য থকা বৰষাৰ সফলতাৰ আঁৰত আছে পিতৃ-মাতৃৰ লগতে শিক্ষকসকল।

# কলগাছিয়াত ভয়ংকৰ অগ্নিকাণ্ডঃ ২ লক্ষাধিক টকাৰ ক্ষতি

**ই-সংবাদ, কলগাছিয়া, ১ মে':** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত জনতা গাঁও পঞ্চায়তৰ বালিকুৰি এন চি গাঁৱৰ চাৰি নং খণ্ডৰ বাসিন্দা নুৰুল ইছলামৰ পুত্ৰ হাছেম আলীৰ ঘৰত বুধবাৰে সন্ধিয়া অগ্নিকাণ্ড সংঘটিত হৈ এটি আৱাস সম্পূৰ্ণৰূপে ভস্মীভূত হয়। অগ্নিকাণ্ডৰ ফলত পৰিয়ালটোৰ প্ৰায় দুই লক্ষাধিক টকাৰ সম্পত্তিৰ ক্ষতি হয়। জানিব পৰা মতে, বিদ্যুতৰ শ্বৰ্ট চাৰ্কিটৰ বাবে হঠাতে সংঘটিত অগ্নিকাণ্ডৰ ফলত হাছেম আলীৰ থকা ঘৰটো দাউদাউকৈ জ্বলি উঠে। মুহূৰ্তৰ ভিতৰতে জুইৰ শিখা চাৰিওফালে বিয়পি পৰাত আৱাসটো সম্পূৰ্ণৰূপে ভস্মীভূত হয়। ঘৰত থকা কাপোৰ, মূল্যৱান আচবাব-পত্ৰ, ক্ৰয় কৰি ঘৰতে মজুত কৰি ৰখা কেইবাবস্তা কপাহ, ভোটাৰ আই ডি, এন আৰ চিৰ নথি, মাটিৰ নথি-পত্ৰ আদি মূল্যৱান কাগজ-পত্ৰ পুৰি ছাই হয়। দিন-হাজিৰা আৰু কৃষিকৰ্ম কৰি পৰিয়াল পোহপাল দিয়া দৰিদ্ৰ হাছেম আলীয়ে অতি কষ্টেৰে আৱাসটো সাজিছিল যদিও অগ্নিকাণ্ডত পুৰি ছাই হোৱাত কান্দোনত ভাগি পৰিছে পৰিয়ালটো। সম্প্ৰতি অগ্নিকাণ্ডৰ ফলত ক্ষতি হোৱা হাছেম আলীৰ পৰিয়াললৈ চৰকাৰক ক্ষতিপূৰণ দিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।

# গেলেকীৰ প্ৰাক্তন শিক্ষক-সমাজকৰ্মী হেম গগৈৰ দেহাৱসান

**ই-সংবাদ, গেলেকী, ১ মে':** গেলেকীৰ কলিয়াপানী নিবাসী সমাজকৰ্মী, বিনোৱাজী এম ই স্কুলৰ প্ৰতিষ্ঠাপক হেম গগৈৰ দেহাৱসান ঘটে। বাৰ্ধক্যজনিত কাৰণত নিজ গৃহতে শেষ নিশ্বাস ত্যাগ কৰে হেম গগৈয়ে। কলিয়াপানী গাঁৱত জন্ম লাভ কৰা হেম গগৈৰ মৃত্যুৰ সময়ত বয়স আছিল প্ৰায় ৮৫ বছৰ। তেওঁ দুজন পুত্ৰ, এগৰাকী কন্যা আৰু দুটি নাতিক এৰি যায়। প্ৰাপ্ত তথ্য অনুসৰি ১৯৭০ চনৰ ১৬ জানুৱাৰীত গেলেকী অঞ্চলৰ অন্যতম চৰকাৰী বিদ্যালয় বিনোৱাজী বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল প্ৰয়াত হেম গগৈয়ে। বিগত সময়ছোৱাত স্থানীয় ভালেসংখ্যক সামাজিক অনুষ্ঠানৰ লগত জড়িত আছিল প্ৰয়াত হেম গগৈ। তেওঁৰ বিয়োগত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে।

# অধিক মুনাফাৰ স্বাৰ্থত গোৰেশ্বৰত পালমৰা ধৰণে শ্লেব কালভাৰ্ট মেৰামতিৰ অভিযোগঃ ভয়াৱহ দুৰ্ঘটনাৰ আশংকা

**ই-সংবাদ, গোৰেশ্বৰ, ১ মে':** শুক্লাই-চেৰফাং জলসিঞ্চন সংমণ্ডল কাৰ্যালয়ৰ জৰিয়তে ২০২১-২২ বৰ্ষৰ পিএম কেএছ ৱাই-এ আই বি পিৰ অধীনত ই আৰ এম আঁচনিত ২৫৯ কোটি টকা ব্যয় সাপেক্ষে ১৭৯০০ হেক্টৰ মাটিকালিৰ খেতিপথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ বাবেই শুক্লাই জলসিঞ্চন প্ৰকল্প আধুনীকৰণৰ কাৰ্য চলাই থকা হৈছে। উক্ত জলসিঞ্চন প্ৰকল্প আধুনিকীৰণৰ নামত কোনো কোনো স্থানত বিভাগটোৰ একাংশ বিষয়া-কৰ্মচাৰী আৰু ঠিকাদাৰে অধিক মুনাফাৰ স্বাৰ্থত পালমৰা ধৰণে অভিলাসী আঁচনিখন ৰূপায়ণ কৰাত অনিয়ম সংঘটিত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে কৃষক সমাজে। স্থানীয় কৃষকৰ অভিযোগত প্ৰকাশ যে শুক্লাই জলসিঞ্চন প্ৰকল্পৰ ডি-২ মুখ্য নলাৰ দুহাজাৰ মিটাৰৰ এম-৩ ত শ্লেব কালভাৰ্ট এটা সত্তৰ দশকতেনিৰ্মাণ কৰা হৈছিল। এই কালভাৰ্টটোৰ সংলগ্নকৈ শাখা নলালৈ পানী বোৱাই নিয়াৰ বাবেই শ্লুইচ গেটৰ ব্যৱস্থা কৰা হৈছিল। উক্ত ৰেলিংবিহীন শ্লেব কালভাৰ্টৰ ওপৰেৰে ছিলকিঝাৰ বড়ো চুবা, কৰৰা চুবা, কলিতা চুবা আদি গাঁৱৰ ৰাইজে বিভিন্ন ঠাইলৈ যোৱা চমু পথ হিচাপে আহ-যাহ কৰে। বিশেষকৈ বিদ্যালয়-মহাবিদ্যালয়লৈ আহ-যাহ কৰা ছাত্ৰ-ছাত্ৰীয়েও উক্ত শ্লেব কালভাৰ্টৰ ওপৰেৰে বিপদসংকুলভাবে আহ-যাহ কৰে। ইয়াৰ উপৰি কালভাৰ্টটোৰ নিচেই ওচৰতে ১৯৮৫ চনতে স্থাপিত ছিলকিঝাৰ প্ৰাথমিক বিদ্যালয়খন অৱস্থিত। অভিযোগত প্ৰকাশ যে শুক্লাই জলসিঞ্চন প্ৰকল্প আধুনিকীকৰণৰ বাবেই গ্ৰহণ কৰা আঁচনিতেই শ্লেব কালভাৰ্টটো একেবাৰে পালমৰা ধৰণে মেৰামতি কৰা হয়। ৰেলিংবিহীন শ্লেবখনৰ ওপৰ ভাগত চিমেণ্ট-বালিৰে মচি দায়িত্ব সামৰিছে। পুৰণিকলীয়া শ্লেবখনৰ তলৰ ফালে মামৰে ধৰা ৰ'ডবোৰ ওলাই আছে। ফলত শ্লেবখনৰ ওপৰেৰে বোজাই ট্ৰেক্টৰ পাৰাপাৰ হ'লেই ভাঙি যোৱাৰ আশংকা কৰা হৈছে। ইপিনে ৰেলিং নথকাৰ ফলত চাইকেল-বাইক আৰোহীও দুৰ্ঘটনাত পতিত হোৱাৰ আশংকা কৰা হৈছে। সেয়েহে স্থানীয় ৰাইজে উক্ত শ্লেব কালভাৰ্টটো ৰেলিংসহ নতুনকৈ নিৰ্মাণ কৰাৰ দাবী উত্থাপন কৰিছে। অনাগত দিনত কিবা দুৰ্ঘটনা সংঘটিত হ'লে বিভাগটোৰ বিষয়া-কৰ্মচাৰী জগৰীয়া হ'ব বুলি সকীয়নি প্ৰদান কৰাৰ লগতে জলসিঞ্চন বিভাগৰ উচ্চপদস্থ বিষয়াৰ দ্বাৰা ৰূপায়ণ হৈ থকা কামবোৰ পুংখানুপুংখভাৱে চৰজমিন তদন্তৰ দাবী উত্থাপন কৰিছে কৃষক ৰাইজে।

# যোৰহাটৰ পুলিবৰৰ সমাজকৰ্মী জীৱন শৰ্মাৰ আকস্মিক বিয়োগ

**ই-সংবাদ, পশ্চিম যোৰহাট, ১ মে':** যোৰহাট পুলিবৰ চিৰতীয়া গাঁও নিৱাসী, সমাজকৰ্মী জীৱন শৰ্মা (৭২) ৰ আজি আকস্মিকভাৱে মৃত্যু হয়। তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ পৰা অৱসৰ গ্ৰহণ কৰা জীৱন শৰ্মাই ২০১৪ চনৰ বিধানসভা নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থীৰূপে যোৰহাট বিধানসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও বিজয়ী নহ'ল। তেওঁ স্থানীয় অনুষ্ঠানৰ সৈতে জড়িত হৈ আছিল। আজি পত্নীক পুলিবৰ নৰোদয় মন্দিৰত থৈ ঘৰলৈ ঘূৰি যাওঁতেই পথতে আকস্মিকভাৱে অসুস্থ হৈ পৰে। স্থানীয় আৰু পৰিয়ালৰ লোকে তেওঁক যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ নিছিল যদিও চিকিৎসকে মৃত ঘোষণা কৰে। পত্নী, তিনিজন পুত্ৰ-বোৱাৰী, জীয়াৰী-জোঁৱাই, নাতি-নাতিনী, আত্মীয়-স্বজনক এৰি আজি বিয়লি ৩.৪৫ বজাত স্বৰ্গগামী হোৱাত শুভাকাংক্ষীসকলে শোক প্ৰকাশ কৰিছে।

# এশ শতাংশ উত্তীৰ্ণৰে উজলিল বৰক'লা উঃমাধ্যমিক বিদ্যালয়

**ই-সংবাদ, বেবেজীয়া, ১ মে':** নগাঁও জিলাৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ে এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উন্নত ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। বুধবাৰে ঘোষিত ফলাফলত বিদ্যালয়খনৰ এশ শতাংশ পৰীক্ষাৰ্থীয়ে কৃতকাৰ্যতা লাভ কৰি বিদ্যালয়ৰ লগতে স্থানীয় অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। এইবাৰ শিক্ষানুষ্ঠানখনৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হোৱা কলা শাখাৰ মুঠ ২৪ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত আটাইকেইগৰাকী সুখ্যাতিৰে উত্তীৰ্ণ হৈছে । উত্তীৰ্ণ পৰীক্ষাৰ্থীসকলৰ ভিতৰত দহগৰাকীয়ে প্ৰথম, ৯ গৰাকীয়ে দ্বিতীয় আৰু পাঁচ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। ইয়াৰে ষ্টাৰ লাভ কৰা দুলুমণি হীৰা নামৰ অতি দৰিদ্ৰ পৰিয়ালৰ মেধাৱী ছাত্ৰীগৰাকীয়ে 'স্বদেশ অধ্যয়ন' বিষয়ত ৯৯ নম্বৰসহ চাৰিটা বিষয়ত লেটাৰ নম্বৰ অৰ্জন কৰিছে। ছাত্ৰীগৰাকীয়ে পোৱা নম্বৰৰ শতকৰা হাৰ হৈছে ৮০.৮। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে এনে ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱাত বিদ্যালয়ৰ শিক্ষক আৰু স্থানীয় ৰাইজে সন্তুষ্টি লাভ কৰিছে। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ উচ্চস্তৰীয় ফলাফলৰ সময়ত চৰকাৰী খণ্ডৰ বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এনে সফলতাক সকলোৰে প্ৰশংসা কৰাৰ বিপৰীতে বিদ্যালয়খনৰ অধ্যক্ষ প্ৰতাপ সিংকে প্ৰমুখ্য কৰি সমূহ শিক্ষক-শিক্ষয়িত্ৰীক কৃতজ্ঞতা জনাইছে।

# কুলবিল শিৱালয়ত মে' দিৱস উপলক্ষে বিনামূলীয়া চিকিৎসা শিবিৰ

**ই-সংবাদ, চামতা, ১ মে':** ঐতিহ্যমণ্ডিত কুলবিলঘাট ৰাজহুৱা শিৱালয়ত আজি শ্ৰমিক দিৱস উপলক্ষে চামতা স্কিল ইনষ্টিউট, চামতা মেডিচাইল্ড ডাইগ'নষ্টিক এণ্ড মাল্টিস্পেচিয়েলিষ্ট ক্লিনিক, গুৱাহাটী, অটল অমৃত জন ঔষধৰ উদ্যোগত, কুলবিলঘাট ৰাজহুৱা শিৱালয়ৰ সহযোগত এটি বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। শিবিৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে কুলবিলঘাট ৰাজহুৱা শিৱালয় পৰিচালনা সমিতিৰ সভাপতি তথা চামতা উচ্চতৰ মাধ্যমটক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ বলেন কুমাৰ গোস্বামীয়ে। স্বাস্থ্য শিবিৰটোত ডাঃ ধ্ৰুৱজ্যোতি ডেকা, ডাঃ সুভাষ শৰ্মা আৰু সামুহিক চিকিৎসা বিষয়া ডাঃ মধুস্মিতা দাসে ৭৫ গৰাকী ৰোগীক চিকিৎসা প্ৰদান কৰে। শিবিৰত ৰোগীসকলৰ তেজ পৰীক্ষাকে ধৰি বিভিন্ন পৰীক্ষা আৰু বিনামূলীয়া দৰবপাতি প্ৰদান কৰা হয়। শিবিৰটোত সহযোগিতা আগবঢ়ায় ডাঃ নৱজ্যোতি শৰ্মা, পৰেশ বৰ্মন, জয়ন্ত তালুকদাৰ, ৰাজেন বৈশ্য, প্ৰণব কুমাৰ দাস, নৱজ্যোতি বৰ্মনে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# আধুনিক যুগৰ 'মিছইনফৰমেশ্যন'

প্ৰতিটো মুহূৰ্তত সৃষ্টি হোৱা খবৰবোৰৰ ৰূপ প্ৰতিটো উৎসত সলনি হৈ থাকে। ৰাজনীতিকৰ ভাষ্যত যদি বাকপটুতাৰ জৰিয়তে খবৰ সৃষ্টি হয় তেন্তে সংবাদ মাধ্যমতো খবৰৰ চৰিত্ৰ সলনি হোৱাৰ যুগ আহি পৰিছে। মুঠতে খবৰৰ শুদ্ধ ৰূপ এতিয়া ঘনাই ঘনাই সলনি হোৱাৰ সময় আহি পৰিছে।

ডিজিটেল বিশ্বৰ এই পৃথিৱীত বাতৰিৰ সৈতে জড়িত হৈ পৰা দুটা শব্দ হৈছে Fact Checking আৰু Misinformation অৰ্থাৎ বাতৰিৰ সত্যতা প্ৰমাণিত কৰিবলৈ তথ্যৰ সন্ধান আৰু ভুল বাখ্যাৰে এটা ভুৱা বাতৰিক সঁচা প্ৰমাণিত কৰা চেষ্টা অব্যাহত থকাৰ পৰিপ্ৰেক্ষিটত সংবাদ মাধ্যম পূৰ্বতকৈ দুগুণ সজাগ হোৱাৰ সময় আহি পৰিছে।

অলপতে পঞ্চায়ত নিৰ্বাচনৰ ৰাজনৈতিক প্ৰচাৰত এক বাতৰি বনজুইৰ দৰে বিয়পি পৰিল যে পূৰ্বৰ শাসকীয় কংগ্ৰেছ দলৰ শাসনকালত চাকৰি লোৱাৰ নামত মহিলা প্ৰাৰ্থীয়ে 'অন্য ৰাস্তা' লোৱাৰ ব্যৱস্থা আছিল। কংগ্ৰেছ দলৰ শাসনৰ সময়ত ৰাজ্যিক লোকসেৱা আয়োগৰ দুৰ্নীতিৰ কথাটো ৰাজ্য হৈ পৰাৰ সময়তে সেই দুৰ্নীতিত কেৱল ধনৰ লেনেদেনেই নহয়, অন্য পন্থাৰেও চাকৰি প্ৰদান কৰা বৰমুৰীয়াক সন্তুষ্ট কৰিবলগীয়া পৰিস্থিতি আছিল।

জ্যেষ্ঠ ৰাজনৈতিক নেতা এজনে যেতিয়া ৰাজহুৱা সভাত পোনপটীয়াকৈ কংগ্ৰেছ দলৰ শাসনক লক্ষ্য কৰি এনে গুৰুতৰ অভিযোগ আনে তেতিয়া সাধাৰণ জনতা তেনে বাতৰিত ভোল যোৱাটো অস্বাভাৱিক নহয়। কংগ্ৰেছ শাসনকালত মহিলা প্ৰাৰ্থীয়ে অন্য পন্থাৰে চাকৰি লোৱাৰ কথাটো ৰাজহুৱাকৈ কৈ দিয়াৰ লগতে ১৫ বছৰীয়া শাসনকালত সকলো মহিলা চাকৰি প্ৰাৰ্থীয়ে অন্য পন্থাৰে চাকৰি গ্ৰহণ কৰিছে বুলি জনমানসত এক চৰ্চা চলাৰ বাট সুগম হৈছিল। কিন্তু যদিহে কথাটোৰ উৎসলৈ যোৱা হয় তেন্তে দেখা যায় যে ৰাজহুৱা সভাত ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে অসম লোকসেৱা আয়োগৰ দুৰ্নীতি আৰু এই দুৰ্নীতিৰ বিচাৰ কৰিবলৈ প্ৰতিষ্ঠা হোৱা ন্যায়াধীন বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনৰ কথা ৰাজহুৱাকৈ উল্লেখ কৰিছিল। তেওঁ লগতে কৈছিল যে এই প্ৰতিবেদন ভালকৈ পঢ়ি তেওঁ আচৰিত হৈ পৰিছিল। তেওঁ এই ন্যায়াধীশৰ প্ৰতিবেদনৰ ওপৰত ভেজা দি কৈছিল যে লোকসেৱা আয়োগৰ চাকৰিৰ বাবে মহিলা প্ৰাৰ্থীয়ে অন্য পন্থা হাতত ল'বলৈ বাধ্য হৈছিল।

উল্লেখ্য যে, ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনত ২০১৩ আৰু ২০১৪ চনৰ লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ ক্ষেত্ৰত দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ লগতে আৰু এটা অভিযোগ উল্লেখ আছে যে তেতিয়াৰ আয়োগৰ অধ্যক্ষ ৰাকেশ পালৰ লগত একাংশ মহিলা প্ৰাৰ্থীৰ অবৈধ সম্পৰ্ক আছিল।

এই কথাটোক বিজেপিৰ নিৰ্বাচনী সভাত বিজেপি নেতাই কংগ্ৰেছৰ বিৰুদ্ধে ব্যৱহাৰ কৰি ৰাজহুৱা সভা গৰম কৰি তুলিছিল আৰু ভোট যুদ্ধত আগবাঢ়ি যাবলৈ সমল বিচাৰি পাইছিল। ডিজিটেল বিশ্বত এতিয়া ৰাজনৈতিক নেতাৰ এনে অভিযোগ গৰম খবৰ হোৱাৰ লগতে অত্যন্ত মছলাৰ খবৰ।

অৱশ্যে বিজেপি নেতাৰ ভাষ্যৰ বিৰুদ্ধাচৰণ কৰি প্ৰদেশ কংগ্ৰেছৰ নেতৃবৃন্দই স্পষ্টীকৰণ বিচৰা বা থানাত গোচৰ তৰাৰ লগতে ঠায়ে ঠায়ে প্ৰতিবাদী কাৰ্য্যসূচীও গ্ৰহণ কৰিছে। ৰাইজে অৱশ্যে স্পষ্টীকৰণতকৈ মছলাধৰ্মী খবৰ বেছি ভাল পায়। শাসকীয় দলৰ উপৰ্য্যুপৰি খবৰৰ প্ৰচাৰে আৰু এটা বিষয়ক অধিক চৰ্চিত কৰি তোলা দেখা গৈছে। সেয়া হৈছে কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ পাকিস্তান ভ্ৰমণ কিম্বা গগৈ তথা তেওঁৰ পত্নীৰ দেশ বিৰোধী চক্ৰৰ সৈতে সংযোগ থকাৰ অভিযোগৰ বাতৰিটো। এই বাতৰিটোৰ আলমত অৱশ্যে ইতিমধ্যে ৰাজ্যিক আৰক্ষীৰ বিশেষ বাহিনীয়ে তদন্ত অব্যাহত ৰাখিছে।

কিন্তু এই খবৰটোৰ আলমত সামাজিক মাধ্যমত দুটা ৰাজনৈতিক মতাদৰ্শৰ মাজত যি হাৰত বোকা ছটিওৱাৰ খেল আৰম্ভ হৈছে তাক লৈ অনেক ভুল বাখ্যা বা ভুল তথ্যও সাধাৰণ জনতাৰ মাজলৈ বিয়পি পৰিছে।

একেদৰে অলপতে কাশ্মীৰৰ অনন্তনাগ জিলাৰ পহলগামত সংঘটিত সন্ত্ৰাসবাদীৰ কাৰ্য্যকলাপত পৰ্য্যটক নিহত হোৱা বাতৰিটোৰ আলমত এতিয়া ভাৰতে পাকিস্তান আক্ৰমণ কৰিব নে নকৰে বা এই ক্ষেত্ৰত কি কি ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে তাক লৈও সামাজিক মাধ্যমত বিভিন্ন মতামত পিয়াপি দি ফুৰিছে। এই বনজুইৰ দৰে বাতৰিবোৰে একাংশ সামাজিক মাধ্যম কেন্দ্ৰিক জনতাক বিভ্ৰান্ত কৰাৰ সম্ভাৱনা ১০০ শতাংশ আছে।

গতিকে এনে প্ৰেক্ষাপটত ভুল বাখ্যা বা ভুল তথ্য বিয়পি ফুৰা Mis-Information সম্পৰ্কত আমাৰ সকলোৰে কৰণীয় আছে। ভুল তথ্য বা মিছা বাতৰিয়ে সমাজক ক্ষতি কৰাৰ, ভুল পথে পৰিচালিত কৰাৰ পূৰ্ণ সম্ভাৱনা থাকে। সেয়েহে এনে ধৰণৰ খবৰবোৰৰ সত্যানুসন্ধান বিচাৰ কৰাৰ দায়িত্ব সমাজৰ সচেতন মহলৰ, এই ক্ষেত্ৰত সকলো সজাগ হোৱাৰ আৱশ্যকীয়তাক সকলোৱে উপলব্ধি কৰা উচিত।

**(লেখকৰ ঠিকনাঃ গুৱাহাটী)**

# চানমাৰিত পানীৰ পাইপ ফুটি হাহাকাৰ, জলমগ্ন ৰাজপথ

**ই-সংবাদ, গুৱাহাটী, ১ মে':** গেমন কোম্পানীয়ে গুৱাহাটীবাসীক বিশুদ্ধ খোৱাপানী যোগানৰ বাবে বহুওৱা পানীৰ পাইপ এতিয়া যেতিয়াই-তেতিয়াই য'তে-ত'তে ফুটে। মাহেকে-পষেকে গুৱাহাটীত গেমনে বহুওৱা পানীৰ পাইপ ফুটি মানুহৰ জীৱন-সম্পত্তিৰ ক্ষতি হৈ আহিছে। পুনৰ পাইপ ফুটি হাহাকাৰ লাগিছে গুৱাহাটীৰ এটা এলেকাত। আজি নিশা মহানগৰীৰ চানমাৰিত হঠাতে পানীৰ পাইপ ফাটি প্ৰচণ্ড গতিত পানী ওলাবলৈ ধৰাত হাহাকাৰ লাগে। পথৰ দাঁতিত পানীৰ পাইপ ফাটি দীৰ্ঘ সময় আহ-যাহত সমস্যাৰ সৃষ্টি হয়। জানিব পৰা মতে, চানমাৰিৰ 'ষ্ট্ৰিট জা' নামৰ জনপ্ৰিয় ফাষ্ট ফুড ষ্টলৰ ওচৰত থকা ইউ-টাৰ্নৰ তলেৰে যোৱা গেমনৰ পানী যোগান আঁচনিৰ পাইপ ফুটি জলামগ্ন হৈ পৰে সমগ্ৰ এলেকা। প্ৰায় দুঘণ্টা ধৰি অহৰহ পানী ওলাই থকাত পথ পানীৰে ভৰি পৰাত অঞ্চলটোত ভয়ংকৰ যান-জঁট লাগে। পানী ফুটি যোৱাৰ ফলত পথ ভাঙি যায়। পথ ভাঙি যোৱাৰ বাবে গাড়ী চলাচল সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। যাতায়াতৰ বাবে মূল পথখন বন্ধ কৰি দিয়া হৈছে, যাতে অঘটন সংঘটিত নহয়। স্থানীয় ৰাইজে কয় যে দুঘণ্টাৰ পিছতো প্ৰশাসনৰ লোক উপস্থিত হোৱা নাই। ক্ষোভ প্ৰকাশ কৰি ৰাইজে দাবী জনাইছে যাতে শীঘ্ৰে পথ মেৰামতি, পানী যোগান পুনঃস্থাপন আৰু যান-বাহনৰ চলাচল স্বাভাৱিক কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। উল্লেখ্য, পাইপ ফুটি গুৱাহাটীত এতিয়া যেতিয়াই-তেতিয়াই হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। ২৩ ফেব্ৰুৱাৰীত মহানগৰীৰ বৰবাৰীত, ২৭ ফেব্ৰুৱাৰীত মালিগাঁৱৰ পাণ্ডুত অৱৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি হৈছিল। তাৰ পূৰ্বে ২ জানুৱাৰীত গুৱাহাটীৰ খাৰঘুলিত পানীৰ পাইপ ফুটি হাহাকাৰ লাগিছিল। ফলত বৃহৎ ক্ষতি হৈছিল। বিগত দুটা বছৰত গুৱাহাটীত বাৰে বাৰে পানীৰ ফাইপ ফুটি আতংকৰ সৃষ্টি কৰি আহিছে। কিন্তু চৰকাৰে এই দুৰ্ঘটনা ৰোধ কৰিবলৈ কোনো ব্যৱস্থা লোৱা নাই বুলি অভিযোগ উত্থাপন হৈ আহিছে। কিন্তু চলিত বিধানসভাৰ বাজেট অধিৱেশনত ১৯ ফেব্ৰুৱাৰীত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী বৰুৱাই গুৱাহাটীৰ পানীৰ পাইপ ফুটা বিষয়টোক লৈ উত্তৰ দি কয় যে গুৱাহাটী আইআইটিৰ পৰামৰ্শ মতে ট্ৰেন্সমিছন লাইনত ৰ'বটিক ছাৰ্ভে পৰ্যন্ত কৰিছো। ক'ত ক'ত পানীৰ পাইপৰ জইনত খেলিমেলি আছে, ক'ত লিকেজ হ'ব পাৰে, জইনিং হোলবিলাকত ৱেল্ডিং কম আছিল ৰিপ'ৰ্ট সাজু হৈছে। তেনে জইন ১২ টা ধৰা পৰা বুলি কয়। উইক থকাখিনিত ৰিপিয়েৰিং কৰিব দিছো বুলিও কয় মন্ত্ৰী বৰুৱাই। ৰাজ্য চৰকাৰ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, গেমন আৰু গুৱাহাটী জলবৰ্ডৰ গাফিলতিৰ বাবে বাৰে বাৰে পানীৰ পাইপ ফাটি ধন-জনৰ ক্ষতি হৈ আহিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# জাগীৰোড-লাহৰীঘাটত পীযুষ

হাজৰীকাই ধাৰাবাহিকভাৱে অব্যাহত ৰাখিছে প্ৰচাৰ অভিযান। মন্ত্ৰীগৰাকীয়ে লাহৰীঘাট, জাগীৰোড বিধানসভা সমষ্টিত ননষ্টপ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি ভোটাৰ ৰাইজক বিজেপি-মিত্ৰজোঁটৰ প্ৰতি আকৃষ্ট কৰিবলৈ সক্ষম হৈছে। মন্ত্ৰীগৰাকীয়ে আজি লাহৰীঘাট বিধানসভা সমষ্টিৰ ৰালিমাৰি বজাৰত এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি ৰাইজক সম্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে লাহৰীঘাটৰ প্ৰধান সমস্যা বানপানী, গৰাখহনীয়াৰ কথা উল্লেখ কৰি এই সমস্যা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰে সমাধান কৰা বুলি কয়। সমষ্টিটোত কংগ্ৰেছ দলে ৭০ বছৰ শাসন কৰিও যি সমস্যা সমাধান কৰা নাছিল, সেই সমস্যা বিজেপি চৰকাৰে সমাধান কৰা বুলি ভাষণত উল্লেখ কৰে। এটা পৰিয়ালে লাহৰীঘাটত ৪০-৪৫ বছৰে শাসন কৰিও বানপানী সমস্যা, মথাউৰিৰ সমস্যা সমাধান কৰা নাছিল বুলি উল্লেখ কৰি এই সমস্যা মন্ত্ৰীগৰাকীয়ে সমাধান কৰা বুলি উল্লেখ কৰে। আনহাতে, লাহৰীঘাটত ৬০ কোটি টকা ব্যয় কৰি মথাউৰি নিৰ্মাণ কৰাৰ লগতে লাহৰীঘাটৰ গৰাখহনীয়া সমস্যা সমাধান কৰাৰ কাৰণে ৪০০ কোটি টকা অনা বুলি তেওঁ ভাষণত উল্লেখ কৰে। ইমানৰ পিছতো অঞ্চলটোৰ ৰাইজে বিজেপিক ভোট নিদিয়াৰ বাবে মন্ত্ৰীগৰাকীয়ে দুখ প্ৰকাশ কৰে। তেওঁ কয় যে মোৰ ইয়ালৈ আহিবলৈ মন নাছিল, আপোনালোকে বেয়া নাপাব, মই কষ্টৰে কথাকেইটা কৈছো। ইমান পৰিৱৰ্তন কৰাৰ পিছতো আপোনালোকে লাখ লাখ ভোট কংগ্ৰেছক দি দিলে। এনেকুৱা হ'লে আমাৰ মনটোত দুখ লাগিবনে নাই বুলি তেওঁ প্ৰশ্ন কৰে। সভাত মন্ত্ৰীগৰাকীয়ে এনেদৰে লাহৰীঘাটৰ উন্নয়নৰ কাৰণে কি কি কাম কৰিছে তাৰ খতিয়ান দাঙি ধৰাৰ লগতে চৰকাৰী বিভিন্ন আঁচনি যেনে অৰুণোদয়, ৰেচন কাৰ্ড আদিৰ বিষয়ে ব্যাখ্যা দাঙি ধৰে। ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰজোঁটৰ প্ৰতি ৰাইজৰ অভূতপূৰ্ব সঁহাৰি, সমৰ্থন তথা আস্থা-বিশ্বাস দেখি মন্ত্ৰীগৰাকী অভিভূত হৈ পৰে। মন্ত্ৰীগৰাকীয়ে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক ভোটদানেৰে ৰাজ্যৰ তৃণমূল পৰ্যায়ৰ পৰা উন্নয়ন সুনিশ্চিত কৰিবলৈ সকলোকে আহ্বান জনায়। সভাত ভাৰতীয় জনতা পাৰ্টিৰ পঞ্চায়ত নিৰ্বাচনৰ মৰিগাঁও জিলাৰ সহঃ তত্ত্বাৱধায়ক ৰাতুল শৰ্মা, মৰিগাঁও জিলা বিজেপিৰ সভাপতি ৰামপ্ৰসাদ সৰকাৰসহ যথেষ্টসংখ্যক ব্যক্তি উপস্থিত থাকে। ইয়াৰ পিছত মন্ত্ৰীগৰাকীয়ে সমষ্টিটোৰ গাগলমাৰি পঞ্চায়তৰ কৰতিপাম চাৰিআলিত আন এখন নিৰ্বাচন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। এইখন সভাতো ৰাইজৰ বিপুল সমৰ্থন দেখি মন্ত্ৰীগৰাকী অভিভূত হৈ পৰে। সভাত ৰাইজক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে বিজেপি আৰু মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক আগন্তুক নিৰ্বাচনত ভোট দি জয়যুক্ত কৰিবলৈ সকলোকে আহ্বান জনায়। ইফালে, সংবাদ মাধ্যমৰ আগত মন্ত্ৰীগৰাকীয়ে লাহৰীঘাট সমষ্টিত বান-খহনীয়া সমস্যা সমাধানকে ধৰি যাতায়াত আৰু অন্যান্য দিশত আমি যথেষ্ট কাম কৰি আহিছো বুলি উল্লেখ কৰে। তেওঁ কয় যে এই সমষ্টিৰ ৰাইজে এইবাৰ পঞ্চায়ত নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টি মিত্ৰজোঁটক মৰম-আশীৰ্বাদ দিব।
উল্লেখ্য যে মন্ত্ৰীগৰাকীয়ে আজি জাগীৰোড সমষ্টিতো ভাৰতীয় জনতা পাৰ্টিৰ মনহা গাঁও পঞ্চায়তৰ অন্তৰ্গত ২ আৰু ৩নং ৱাৰ্ডৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি এখন প্ৰচাৰ সভাত অংশ লয়। ইফালে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপিৰ ডাবল ইঞ্জিন চৰকাৰখনে প্ৰতিখন গাঁৱৰ উন্নয়ন সুনিশ্চিত কৰা বুলি আজি জাগীৰোডত সংবাদ মাধ্যমৰ আগত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰি ৰাইজে সেয়ে ভাৰতীয় জনতা পাৰ্টিক সমৰ্থন কৰাৰ লগতে আশীৰ্বাদেৰে আৱৰি ৰাখিছে বুলি মন্তব্য কৰে। পঞ্চায়ত নিৰ্বাচনৰ বিজেপি-মিত্ৰজোঁটৰ ফলাফল কি হ'ব? এই সন্দৰ্ভত সাংবাদিকে মন্ত্ৰীগৰাকীৰ পৰা জানিবলৈ বিচৰাত তেওঁ কয় যে পঞ্চায়ত নিৰ্বাচনৰ ফলাফল খুব ভাল হ'ব। কংগ্ৰেছ দলৰ অস্তিত্ব প্ৰায় নাইকিয়াই হৈছে। বাকী দলবিলাকো ৰাইজৰ মাজত নাই বুলি তেওঁ মন্তব্য কৰে। একেদিনাই মন্ত্ৰীগৰাকীয়ে সন্ধিয়া বিজেপিৰ গুৱাহাটী মহানগৰ জিলাৰ উদ্যোগত বোন্দাত আয়োজিত 'বিজয় সংকল্প সমাৱেশ'ত অংশগ্ৰহণ কৰি কংগ্ৰেছ দলক চোকা সমালোচনা কৰে। তেওঁ কয় যে কংগ্ৰেছ দলে মিছাৰ আশ্ৰয় লৈ বিজেপিক বদনাম কৰিবলৈ বিচাৰে। তেওঁলোকৰ এজন সাংসদক বিজেপিয়ে আক্ৰমণ কৰা বুলি অপপ্ৰচাৰ চলোৱা সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে টকা লৈ টিকট নিদিয়া তেওঁলোকৰে এজন প্ৰাৰ্থীয়ে সাংসদজনক আক্ৰমণ কৰা বুলি পিছত ওলাই পৰে। কংগ্ৰেছ টকা লৈ টিকট দি দুৰ্নীতিৰ লাইচেন্সখন দি দিয়ে বুলি মন্তব্য কৰি কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰে। সভাত মন্ত্ৰীগৰাকীয়ে চৰকাৰী বিভিন্ন উন্নয়নমূলক আঁচনিৰ বিষয়ে ভাষণ দাঙি ধৰি ৰাইজক বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দি জয়যুক্ত কৰিবলৈ আহ্বান জনায়। এনেদৰে এতিয়া মন্ত্ৰীগৰাকী নামি পৰিছে প্ৰচাৰ অভিযানত।

# পাক পতাকাসহ পাকিস্তান জিন্দাবাদ লিখা সনাতনী মঞ্চৰ নেতাক গ্ৰেপ্তাৰ পশ্চিমবংগ আৰক্ষীৰ

## ৰে'ল ষ্টেচনৰ শৌচালয়ত চন্দন, প্ৰজ্ঞাজিতৰ ভয়ংকৰ কাণ্ড

**উত্তৰ ২৪ পৰগণা, ১ মে':** পশ্চিমবংগৰ উত্তৰ ২৪ পৰগণাৰ বঙাইচিলত হিন্দুস্থান মুৰ্দাবাদ, পাকিস্তান জিন্দাবাদ লিখা আৰু পাকিস্তানৰ পতাকা লগোৱা দুই সনাতনী একতা মঞ্চৰ দুই নেতাক গ্ৰেপ্তাৰৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। আকাইপুৰ ৰে'ল ষ্টেচনত পাকিস্তানৰ পতাকাৰ ছবি আৰু হিন্দুস্থান মুৰ্দাবাদ লিখা ঘটনাক লৈ তীব্ৰ উত্তেজনাৰ সৃষ্টি হোৱাৰ সময়তে পশ্চিমবংগ আৰক্ষীয়ে দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। ঘটনাটো সাম্প্ৰদায়িক উত্তেজনা সৃষ্টি কৰাৰ উদ্দেশ্যে কৰা হৈছিল বুলি আৰক্ষীয়ে মন্তব্য কৰিছে। গ্ৰেপ্তাৰ কৰা ব্যক্তি দুজন হৈছে চন্দন মালাকাৰ (৩০) আৰু প্ৰজ্ঞাজিত মণ্ডল (৪৫)। দুয়োকে বঙাইচিল অঞ্চলৰ বাসিন্দা বুলি পৰিচয় উদ্ধাৰ হৈছে। তেওঁলোকে এটা ৰাজনৈতিক দলৰ সক্ৰিয় সদস্য হোৱাৰ লগতে সনাতনী একতা মঞ্চ নামৰ এক সংগঠনৰ সৈতে জড়িত আছিল বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে জানিবলৈ দিছে যে দুয়ো অভিযুক্তই আকাইপুৰ ৰে'ল ষ্টেচনৰ এটা শৌচালয়ত পাকিস্তানৰ পতাকাৰ ছবি লগাই হিন্দুস্থান মুৰ্দাবাদ আৰু পাকিস্তান জিন্দাবাদ বুলি লিখিছিল। তেওঁলোকৰ উদ্দেশ্য আছিল সমাজত সাম্প্ৰদায়িক বিভেদ সৃষ্টি কৰি আন এটা সম্প্ৰদায়ৰ ওপৰত দোষ আৰোপ কৰা। ঘটনাটোৰ সময়মতে তদন্ত কৰি আৰক্ষীয়ে তৎক্ষণাৎ ব্যৱস্থা গ্ৰহণ কৰাৰ ফলত সম্ভাব্য সাম্প্ৰদায়িক উত্তেজনা ৰোধ কৰিব পাৰিছে। বঙাইচিল আৰক্ষীয়ে টুইটাৰ কৰা এটা পোষ্টত কয় যে এই ষড়যন্ত্ৰৰে সাম্প্ৰদায়িক অশান্তি সৃষ্টি কৰাৰ প্ৰয়াসৰ সৈতে জড়িত সকলোকে কঠোৰভাৱে শাস্তি দিয়াৰ বাবে কোনো আপোচ নকৰা হ'ব। উল্লেখযোগ্য যে ২২ এপ্ৰিলত কাশ্মীৰৰ পেহেলগামত হোৱা এক জংগী আক্ৰমণত ২৬ জন, যাৰ ভিতৰত ২৫ জন পৰ্যটক নিহত হৈছিল। এই ঘটনাৰ পিছত দেশজুৰি তীব্ৰ প্ৰতিক্ৰিয়া পৰিলক্ষিত হয়। এই পৰিপ্ৰেক্ষিতত পশ্চিমবংগৰ শাসক দল তৃণমূল কংগ্ৰেছে সতৰ্কবাণী জাৰি কৰি কয় যে কোনো গোটে কাশ্মীৰ আক্ৰমণক বাহনা কৰি আইন-শৃংখলা ভংগ কৰাৰ বা হিংসাক উচটনি দিয়াৰ যিকোনো চেষ্টা কৰিলে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইফালে, এই খবৰ পোহৰলৈ অহাৰ পিছতে দেশজুৰি সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

# এইবাৰ চিনেমাৰ ৰূপত আহি আছে প্ৰণৱ ভৰালীৰ চুপা-চুপি

■ প্ৰাঞ্জল এ. শৰ্মা

সাম্প্ৰতিক সময়ৰ যিসকল যুৱ পৰিচালকে নিজৰ অনবদ্য চিনেকৰ্মৰে অসমৰ দৰ্শক সমালোচকৰ দৃষ্টি আকৰ্শন কৰিববলৈ সক্ষম হৈছে তথা প্ৰশংসা লাভ কৰিছে, তাৰে অন্যতম হৈছে প্ৰনৱ ভৰালী। ছুটি ছবি নিৰ্মাণেৰে নিজৰ চিনেযাত্ৰা আৰম্ভ কৰা প্ৰনৱ ভৰালীয়ে অতি শেহতীয়া সময়ত 'কৃষ্ণচূড়া.কম' আৰু 'চুপা চুপি' নামৰ দুখন ৱেব চিৰিজ নিৰ্মাণ কৰি সকলোকে চমকিত কৰি তুলিছিল। কাহিনী,চিত্ৰনাট্য,সংলাপ ৰচনাতো দক্ষতা থকা প্ৰনৱ ভৰালীৰ পৰিচালনাৰে নিৰ্মিত চুপা চুপিয়ে ইউটিউবৰ জৰিয়তে লক্ষ লক্ষ দৰ্শকৰ মন জয় কৰিছিল।

শেহতীয়াকৈ একে নামেৰে এখন পূৰ্ণ দৈৰ্ঘ্যৰ চিনেমা নিৰ্মাণ কৰিববলৈ ওলাইছে প্ৰনৱ ভৰালীয়ে। এন.কে.মিডিয়া আৰু এটলাচ ক্ৰিয়েচনৰ বেনাৰত নিৰ্মাণ আৰম্ভ হোৱা চুপা চুপিৰ প্ৰযোজক হৃষিকেশ পাটগিৰি। বুধবাৰে জ্যোতি চিত্ৰবনত মুহুৰত সম্পন্ন হৈ যোৱা চিনেমাখনৰ সহকাৰী পৰিচালকসকল হৈছে ক্ৰমে সমৰ সৰকাৰ, ডলী দাস, জ্যোতিষ্মান শৰ্মা, চিতোতপল দাস। ডিৰেক্টৰ অৱ ফটোগ্ৰাফী হৈছে চন্দ্ৰ কুমাৰ দাস আৰু তেওঁৰ সহকাৰী দৃশ্যগ্ৰহণকাৰী হিচাপে কাম কৰিব বিশ্বজিত দাস আৰু সুপ্ৰান্ত হাজৰিকাই। সম্পাদক হিচাপে কাম কৰিব উদ্দিপ্ত কুমাৰ ভট্টাচাৰ্যই।

'চুপা চুপি'ত অভিনয় কৰিব অসমৰ অভিনয় জগতৰ একাধিক দক্ষ আৰু প্ৰতিভাশালী অভিনেতা




অভিনেত্ৰীয়ে। তেওঁলোক হৈছে ক্ৰমে অৰুণ নাথ, মহেশ বৰা, ৰাজেশ ভূঞা, হিমাংশু প্ৰসাদ দাস, কিশোৰ তহবিলদাৰ, কমল লোচন, কৌশিক ভৰদ্বাজ, জীত কলিতা,সপ্তৰ্ষি গগৈ, স্নিগ্ধা গগৈ, কথানন্দী,বৈভৱী গোস্বামী,ৰাগিনী কৌশিক, অঞ্জু দাহাল, ফিৰোজা বেগম,কাব্যশ্ৰী বৰুৱা,বেদব্ৰত বৰা, জিন্টু কুমাৰ কাশ্যপ,সুদৰ্শন নাথ,আমাইৰা দিত্তা নাথ,বিৰেন বৰুৱা,জিমজিম, জাঁজিবন্যা তালুকদাৰ, সুৰেশ বৰুৱা,অঞ্জলী দেৱী,মনজিত কাকতি,প্ৰীতম তহবিলদাৰ,উতপল কলিতা,হৃদিষা তালুকদাৰ,কল্পনা আৰু জোনালী কাকতি আদিয়ে। তদুপৰি এটা বিশেষ শিশু চৰিত্ৰত অভিনয় কৰিব অশ্বথ আয়ুষ্মান শৰ্মা(ৰং)ই।

'চুপা চুপি'ৰ সংগীত পলাশ সূৰ্য গগৈ, অৰ্ণৱ বশিষ্ঠ আৰু দিগন্ত ভাৰতীৰ। চিনেমাখনৰ সাজসজ্জা কমল লোচন বৰাৰ আৰু তেওঁৰ সহকাৰী হৈছে মিতালী দাস। ৰূপসজ্জা বিজিয়েতা পাটগিৰিৰ আৰু তেওঁৰ সহকাৰী বাবলু বৈশ্য। চিনেমাখনৰ শব্দ বিভাগত কাম কৰিব বলেন পাঠক আৰু কিংশুক মৰানে। পোহৰ আৰু স্পট দীপক ডেকা আৰ দীপক ৰয়ৰ দলৰ। এই চিনেমাখনৰ প্ৰডাকছন ডিজাইনাৰ হৈছে মৃণাল হালৈ আৰু প্ৰডাকছন মেনেজাৰ দীপক বৰা।

অহা ৬ মে'ৰ পৰা দৃশ্যগ্ৰহণ আৰম্ভ হ'বলগীয়া প্ৰনৱ ভৰালীৰ পৰিচালক হিচাপে অভিষেক চিনেমা 'চুপা চুপি'য়ে অসমৰ দৰ্শকক এক অনন্য আমোদ দিব বুলি আশা কৰিব পাৰিব।



# গুৱাহাটীত মঞ্চস্থ হ'ব

## স্বাধীনতাৰ চোলা

• ইউ পি ব্ৰডকাষ্ট এণ্ড পাবলিচিটী

'স্বাধীনতাৰ চোলা'। সাহিত্য অকাডেমী বঁটা প্ৰাপক প্ৰথিতযশা সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীৰ বহুপঠিত গল্প স্বাধীনতাৰ চোলাক নাট্যৰূপ দি গুৱাহাটীৰ ছিগাল থিয়েটাৰত প্ৰথমবাৰৰ বাবে মঞ্চস্থ কৰিছিল যুৱ পৰিচালক কুলেন্দ্ৰ ৰায়চৌধুৰীয়ে। নাটকখনৰ সফলতাৰ পাছত পৰৱৰ্তী সময়ত অতি শেহতীয়াকৈ বঙাইগাঁৱৰ ৰবীন্দ্ৰ ভৱনত ৰাষ্ট্ৰীয় নাট মহোৎসৱত মঞ্চস্থ হৈছিল স্বাধীনতাৰ চোলা। সংগীত নাটক একাডেমী বঁটা বিভূষিত গুনাকৰ দেৱগোস্বামী আৰু ওস্তাড বিছমিল্লা খাঁ সন্মান প্ৰাপক অভিনেত্ৰী সেউজপ্ৰীয়া গোস্বামীৰ লগতে দক্ষ অভিনেতা জয়ন্তজিত দাস আদিৰ অভিনয়েৰে নাটকখন সুন্দৰভাৱে মঞ্চস্থ হৈছিল আৰু উপস্থিত দৰ্শকৰ ভূয়সী প্ৰশংসা লাভ কৰিছিল। তাৰ পাছতেই সেই নাটকখন গুৱাহাটীত মঞ্চস্থ হোৱাৰ বাবে একাংশ দৰ্শকে আগ্ৰহ প্ৰকাশ কৰিছিল। আৰু অৱশেষত




২মেত গুৱাহাটীৰ শ্ৰীমন্ত মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত মঞ্চস্থ হ'ব নাটকখন। বিয়লি ৫ বজাত আৰু সন্ধিয়া ৭ বজাত দুটাকৈ দৰ্শনীৰে মঞ্চস্থ হ'ব নাটকখন।

পৰিচালক কুলেন্দ্ৰ ৰায়চৌধুৰীৰ নাট্যৰূপেৰে মঞ্চস্থ হ'বলৈ লোৱা নাটকখনত এইবাৰো অভিনয় কৰিব অসমৰ অভিনয় ক্ষেত্ৰখনৰ উজ্জ্বল নক্ষত্ৰ গুণাকাৰ দেৱগোস্বামী, লোক সমাদৃত অভিনেত্ৰী সেউজপ্ৰীয়া গোস্বামী, দক্ষ যুৱ অভিনেতা জয়ন্তজিত দাসৰ লগতে অসমৰ অভিনয় ক্ষেত্ৰৰ আন এগৰাকী প্ৰতিভাশালী, জনপ্ৰিয় অভিনেত্ৰী দীপান্বিতা দাসে। তদুপৰি এটা চৰিত্ৰ ৰূপায়ণ কৰিব কমলকৃষ্ণ কলিতাই।

নাটকখনৰ সংগীত ব্যৱস্থাপনা ৰক্তোৎপল দিকু ভৰদ্বাজৰ, পোহৰ তপন বৰুৱাৰ, মঞ্চসজ্জা জ্যোতিশংকৰ ভট্টাচাৰ্যৰ আৰু সাজসজ্জা ষ্টেপ ফৰৱাৰ্ডৰ।

অগ্ৰণী সাংস্কৃতিক সংস্থা গ্ৰীণ হাউচৰ উদ্যোগত আৰু ষ্টেপ ফৰৱাৰ্ডৰ সহযোগত কুমাৰেশ দত্তৰ ব্যৱস্থাপনাৰে মঞ্চস্থ হ'বলগীয়া নাটকখন উপভোগৰ বাবে সদাশয় দৰ্শকসকলৰ আমন্ত্ৰণ জনোৱা হৈছে।

# খেলো ইণ্ডিয়া যুৱ ক্ৰীড়ালৈ ৰাওনা অসমৰ দল

**ই-সংবাদ, গুৱাহাটী, ১ মে':** বিহাৰ আৰু নতুন দিল্লীত অহা ৪ মে'ৰ পৰা ১৫ মে'লৈ অনুষ্ঠিত হ'ব লগা সপ্তম খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত প্ৰতিদ্বন্দ্বিতা কৰিবলগা অসমৰ প্ৰথমটো দল আজি গুৱাহাটীৰ পৰা ৰাওনা হৈছে। অসম দলৰ চিফ দ্য মিছন তথা সহকাৰী ক্ৰীড়া সঞ্চালক নৱ বসুমতাৰীয়ে জনোৱা অনুসৰি বৃহস্পতিবাৰে পুৱা ৰাজধানী এক্সপ্ৰেছযোগে অসমৰ কাবাডী আৰু ভলীবলৰ ছোৱালী দল দুটা পাটনালৈ যাত্ৰা কৰে। আনহাতে, কাইলৈ বসুমতাৰীৰ লগতে জুডো, সাঁতোৰ, চাইক্লিং, ছেপাকটাক্ৰ' আৰু গাটকাৰ অসম দলৰ খেলুৱৈসকল প্ৰতিযোগিতাখনলৈ যাব। উল্লেখ্য যে প্ৰথমবাৰৰ বাবে খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া আয়োজনৰ দায়িত্ব লাভ বিহাৰে ৰাজ্যৰ পাঁচখন চহৰত প্ৰতিযোগিতাৰ খেল অনুষ্ঠিত কৰাৰ বিপৰীতে শ্যুটিং, জিমনাষ্টিক আৰু ট্ৰেক চাইক্লিং নতুন দিল্লীত হ'ব। প্ৰতিযোগিতাত ২৭ বিধ খেল অন্তৰ্ভুক্ত কৰা হৈছে যদিও অসমে ১৭ বিধ খেলত প্ৰতিদ্বন্দ্বিতা কৰিব। অসমৰ দলটোৰ সদস্যৰ সংখ্যা হ'ল ১৩৫। ইয়াৰে ১০৫ গৰাকী এথলীট। ল'ৰা ৪২ আৰু ছোৱালী ৬৩ গৰাকী। বুধবাৰে সৰুসজাই ক্ৰীড়া প্ৰকল্পত ক্ৰীড়া আৰু যুৱ কল্যান বিভাগে আয়োজন কৰা এক অনুষ্ঠানত অসম দলক আনুষ্ঠানিকভাৱে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা শুভেচ্ছা জনোৱা হয়। অসম চৰকাৰৰ ক্ৰীড়া বিভাগৰ বিশেষ সচিব কে জে হিলালি মুখ্য অতিথিৰূপে উপস্থিত থকা এই অনুষ্ঠানতে অসম দলৰ জাৰ্ছীও আনুষ্ঠানিকভাৱে উন্মোচন কৰাৰ লগতে বিতৰণ কৰা হয়। অনুষ্ঠানত অলিম্পিয়ান আৰ্চাৰ তথা অৰ্জুন সন্মান প্ৰাপ্যক জয়ন্ত তালুকদাৰ, ভাৰোত্তোলনৰ আন্তৰ্জাতিক প্ৰশিক্ষক অনুপ কোঁৱৰ, ক্ৰীড়া বিভাগৰ উপ-সঞ্চালক এন এইছ কৌশিক আদি উপস্থিত থাকে। দেশৰ ৩৬ ৰাজ্য তথা কেন্দ্ৰীয় শাসিত ৰাজ্যৰ প্ৰায় দহ হেজাৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিবলগা সপ্তম খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে সাঁতোৰ, ভাৰোত্তোলন, এথলেটিকছ, শ্যুটিং, বক্সিং, চাইক্লিং, থাংটা, টেবুল টেনিছ, যোগাসন, গাটকা, কালাৰিপায়াটু, জুডো, জিমনাষ্টিক, মাল্লখম্ব, ছেপাকটাক্ৰ' আৰু ছোৱালীৰ ভলীবল তথা কাবাডীৰ দলে প্ৰতিদ্বন্দ্বিতা কৰিব। তামিলনাডুত অনুষ্ঠিত বিগত খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে মুঠ ২৪ টা পদক লাভ কৰিছিল। তালিকাত ১৭ নম্বৰ স্থানত আছিল অসম। গুৱাহাটীৰ তৃতীয় খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে ২০ টা সোণসহ মুঠ ৭৬ টা পদক লাভ কৰিছিল।



আইপিএল ২০২৫: হেট্ৰিক! চেন্নাইৰ বিৰুদ্ধে একেটা অভাৰতে চাৰিটা উইকেট পঞ্জাৱৰ যুজবেন্দ্ৰ চহলৰ

## দৌৰবিদ অম্লানৰ ক্ষোভ! খেলুৱৈক চূড়ান্ত অৱহেলা এছ'চিয়েশ্যনৰ

# অসম এথলেটিকছ এছ'চিয়েশ্যনৰ সভাপতি পদ এৰক জয়ন্তমল্ল বৰুৱাই!

**ই-সংবাদ, গুৱাহাটী, ১ মে':** দৌৰবিদ অম্লান বৰগোহাঁই আৰু তেওঁৰ দলৰ প্ৰতি অসম এথলেটিকছ এছ'চিয়েশ্যন আৰু ৰাজ্য চৰকাৰে দেখুওৱা চৰম দায়িত্বহীনতাক অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে তীব্ৰ গৰিহণা দিছে। এথলীট অম্লান বৰগোহাঁইয়ে শেহতীয়াকৈ ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰাৰ পিছত অসম এথলেটিকছ এছ'চিয়েশ্যনে দেখুওৱা নিৰ্লিপ্ত ভূমিকাৰ বাবে এক্স হেণ্ডেলযোগে সমালোচনা কৰিবলগীয়া হোৱাতো এক জাতীয় দুৰ্ভাগ্য বুলি উল্লেখ কৰিছে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই। এক বিবৃতিত বৰাই কয় যে আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ অম্লান বৰগোহাঁইয়ে শেহতীয়াকৈ চণ্ডীগড়ত অনুষ্ঠিত ইণ্ডিয়ান অপেন ৰীলে প্ৰতিযোগিতাত ৩৮.৬৯ ছেকেণ্ড সময় লৈ ১৫ বছৰ পুৰণি ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰিছে। বৰগোহাঁইয়ে তেওঁৰ সতীৰ্থ গুৰবিন্দৰ সিং, অনিমেশ কুজুৰ আৰু মণিকান্ত হবিলধৰক লৈ পূৰ্বৰ ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰিছিল যদিও অসম এথলেটিকছ এছ'চিয়েশ্যনে বিষয়টোত গুৰুত্ব প্ৰদান নকৰিলে। খেলুৱৈজনে অভিযোগ কৰামতে তেওঁলোকে আনকি খেলৰ পঞ্জীয়ন মাচুলো নিজে দিবলগীয়া হৈছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সকলো কথাতে আঁচনি ঘোষণা কৰি থকাৰ পিছতো ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈসকলে এনেদৰে নিজৰ মাচুল নিজে ভৰিবলগীয়া হোৱাতো অত্যন্ত দুৰ্ভাগ্যজনক বুলি উল্লেখ কৰি বৰাই কয় যে অসম এথলেটিকছ এছ'চিয়েশ্যনৰ সভাপতি জয়ন্তমল্ল বৰুৱা আৰু সম্পাদক গীতাৰ্থ গোস্বামীক মুখ্যমন্ত্ৰীয়ে জবাবদিহি কৰিব লাগে। বহুবল্কী মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই অসম এথলেটিকছ এছ'চিয়েশ্যন পৰিচালনা কৰাত চূড়ান্তভাৱে ব্যৰ্থ হোৱা বুলি অভিযোগ কৰি তেওঁৰ পদত্যাগ দাবী কৰে। অসমৰ ক্ৰীড়া প্ৰতিভাক এনেদৰে আলাই-আথানি কৰাতো চৰম দুৰ্ভাগ্যজনক বুলিও বৰাই বিবৃতিটোত উল্লেখ কৰে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি